
# বিদেশ ভ্ৰমণৰ টুকুৰা অভিজ্ঞত



অমিয় শর্মা

[illegible]

PASCHIM GUWAHATI
MAHAVIDYALAYA
Dharapur, Guwahati - 781133
LIBRARY
Class No. 8A3
Book No. SAR
Acc No. 6722

PASCHIM GUWAHATI MAHAVIDYALAYA
P.O.: Dharapur, Guwahati - 781133
LIBRARY
Acc. No. 6722
Class No. Book No. SAR.

Accession No. 6722
PASCHIM GUWAHATI MAHAVIDYALAYA
P.O.: Dharapur : Guwahati - 781133
LIBRARY
1. Books may be retained for a period not exceeding 15 days by the Members.
2. Books may be renewed on request at the discretion of the Librarian.
3. Dog-earing the pages of a book, marking or writing therein with ink or pencil, tearing or taking out its pages or otherwise damaging it will constitute an injury to a book.
4. Any such injury to a book is a serious office. Unless the borrower points out the injury at the time of borrowing the book, he /she shall be required to replace the the book or pay its price.
Help to keep the Book fresh & clean.

# বিদেশ ভ্ৰমণৰ টুকুৰা অভিজ্ঞতা

অমিয় শৰ্মা

Acc. No. 6722
DATE 14/12/05
B.C.B.L.
6722

পূবেৰুণ প্ৰকাশ
গুৱাহাটী-৭৮১০০১

**BIDESH BHRAMANAR TUKURA ABHIGYATA :** A travelogue written by Amiya Sarma, and Published by M/s Puberun Prakash, Gopinath Bordoloi Road, Ambari, Guwahati-781001.

***Price Rupees Twenty five only***

।। প্ৰকাশক ঃ পূবেৰুণ প্ৰকাশ, জি, এন, বৰদলৈ পথ, আমবাৰী, গুৱাহাটী-৭৮১০০১ ।।

।। পৰিবেশক ঃ অৰুণ প্ৰকাশ, কলেজ হোষ্টেল ৰ'ড, গুৱাহাটী-৭৮১০০১ ।।

ঃ পূৰ্বাঞ্চল প্ৰকাশ, জি, এন, বৰদলৈ পথ, আমবাৰী, গুৱাহাটী-৭৮১০০১ ।।

।। টাইপ চেটিং ঃ অৰ্পিতাজ গ্ৰাফিকচ্, জি, এন, বি, পথ, আমবাৰী, গুৱাহাটী-৭৮১০০১ ।।

।। ছপা ঃ জয়শ্ৰী প্ৰেছ, ৯১/১বি, বৈঠক খানা ৰ'ড, কলকাতা-৭০০০০৯ ।।

।। প্ৰথম প্ৰকাশ ঃ নৱেম্বৰ ২০০১ ।।

।। © লিখকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত ।।

।। প্ৰচ্ছদ ঃ ৰবীন বৰুৱা ।।

মূল্য ঃ পঁচিশ টকা ।।

## — উৎসৰ্গা —

মোৰ পৰম আৰাধ্য পিতৃ স্বৰ্গীয় ডাঃ সুৰেণ শৰ্মা আৰু পৰম আৰাধ্যা মাতৃ স্বৰ্গীয়া মনোৰমা শৰ্মা— জীৱনৰ প্ৰতিতো খোজতে যাৰ পৰা সদুপদেশ আৰু অনুপ্ৰেৰণা পাইছিলো আৰু আহি আহি সফলতাৰ এই প্ৰান্তত উপনিত হ'বলৈ সক্ষম হৈছো, সেই দুয়োজনৰ স্মৃতিত মোৰ ক্ষুদ্ৰ প্ৰয়াস এই পুথিখনি অৰ্পণ কৰিলো।

অমিয় শৰ্মা

# বিদেশ ভ্ৰমণৰ টুকুৰা অভিজ্ঞতা

**যাত্ৰা ঃ** ১৯৯৩ চনৰ ১৯ মে' ৰাতিপুৱা ৬ বাজিছে। ফৰকাল বতৰ। এয়াৰ-ইণ্ডিয়াৰ বিশাল বোয়িং ৭৪৭ জাম্বো জেট খনে দিল্লী বিমান বন্দৰৰ পৰা আমাক লৈ উৰা মাৰিলে নিউয়ৰ্ক অভিমুখে। স্বল্পাৰ্থত এইটো মোৰ দ্বিতীয় বিদেশ ভ্ৰমণ যদিও, পৰিবাৰৰ বাবে প্ৰথম আছিল। তেওঁ বেছ পুলকিত হৈ পৰিছিল আৰু সেই পুলক দীঘলীয়া যাত্ৰা শেষ হোৱালৈকে অব্যাহত আছিল। সুদীৰ্ঘ বিমান যাত্ৰাত হোৱা Jet lag আমি অনুভৱেই নকৰিলো দেখোন।

লণ্ডনত প্ৰায় ডেৰ ঘণ্টা ৰয়। আমি নামি আহিলো। পৃথিৱীৰ ভিতৰতে সবাতোকৈ ব্যস্ত হিথ্ৰ' বিমান বন্দৰটো এই অলপ সময়ৰ ভিতৰতে চাই লওঁ বুলি ইফালে সিফালে ঘুৰি ফুৰিছো। চালে চকু ৰোৱা সকলো ফালেই জিকমিকাই থকা বিমান বন্দৰটোৰ এটা চুকত থকা টয়লেটটোলৈ চকু গ'ল। দুৱাৰ মুখত থিয় হৈ আছে লেতেৰা চালোৱাৰ-কামিজ পৰিহিতা ভাৰতীয় বংশোদ্ভৱ এগৰাকী আদবয়সীয়া চুইপাৰ। আপোনমনে চাদা মলাত ব্যস্ত। সুন্দৰ পৰিবেশটোত বেচ খাপচাৰা যেন লাগিল। ৰিণি কিছু ওচৰ চাপি গ'ল। এনেতে এগৰাকী শ্বেতাঙ্গীনী টয়লেটৰ পৰা ওলাই তেওঁক সুধিলে- You are from? ভাৰতীয় বুলি কোৱাত মিচিক কৰে হাঁহি এটা মাৰি নিজৰ পৰিচয় দিলে আৰু চুইপাৰ জনীলৈ কেৰাহীকৈ চাই গুচি গ'ল। তেতিয়াহে ভালকৈ মন কৰিলো, ৰিণি আৰু চুইপাৰ গৰাকীৰ সাজ একেই - চালোৱাৰ পাঞ্জাৱী। আনকি ৰঙটোও প্ৰায় একে। আচলতে শ্বেতাঙ্গীনীয়ে প্ৰকাৰান্তৰে চুইপাৰ জনীনো কোন দেশীয় সেইটো পৰিচয়হে ল'লে। ইমান লেতেৰা সাজত কোনো মহিলাকে ছাগৈ তেখেতে কোনো আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত দেখা নাই। ভাৰতীয় হিচাপে নাকৰ-আগটো সুৰসুৰাই যোৱা যেন লাগিল।

নিউয়ৰ্কৰ জন্ এফ কেনেডি বিমান বন্দৰত যেতিয়া নামোঁগৈ স্থানীয় সময়মতে তেতিয়া আবেলি চাৰিমান বাজিছে। বেলি পৰিবলৈ এতিয়াও বহুত বাকী। পৰিবাৰে কাণে কাণে শুধিলে— হেৰা আমি ৰাতিপুৱা ৬ বজাত বিমানত উঠিছিলো। প্ৰায় বাইছ ঘণ্টা উৰিয়েই আছো ধৰাচোন। কিন্তু ক'তা এই বাইছ ঘণ্টাত ৰাতি নহ'লেই দেখোন। কথাটো তেওঁক বুজাই দিলো। পৃথিৱীয়ে নিজৰ মেৰুদণ্ডৰ পশ্চিমৰ পৰা পুবলৈ ঘূৰি আছে আৰু আমি প্ৰচণ্ড গতিত উৰি আছোঁ পূবৰ পৰা পশ্চিমলৈ। গতিকে খেলি-মেলি খন হ'বই দিয়াচোন।

জন্ এফ কেনেডি বিমান বন্দৰৰ পৰা টেক্সী এখন লৈ ওচৰৰে আৰু এটা

এয়াৰপ'ৰ্ট লাগুৱাদিয়া পালোহি। হিউষ্টন অভিমুখী আমাৰ বিমানখন প্ৰায় সাজু হৈছে যাবলৈ। লৰা-লৰি কৰি বিমানত উঠি বহিলো। স্থানীয় সময়মতে ঘড়ী মিলালো নিশা ৯ বাজিছে। তললৈ চালো সূৰ্যৰ পোহৰত ঘৰ দুৱাৰ সকলো দেখা যায়। আকৌ পৰিবাৰৰ প্ৰশ্ন হেৰা ইয়াত ৰাতি নহয়েই নেকি? এইবাৰ অলপ গণিপিতি চাই ক'লো— উত্তৰ গোলাৰ্দ্ধত অৱস্থিত বাবে বছৰৰ এই সময়ত আমেৰিকাত দিন বহুত দীঘল আৰু ৰাতি বহুত চুটী হয়। পিছত দেখিছিলো সম্পূৰ্ণ আন্ধাৰ হওঁতে ৰাতি (?) ১০ বাজে। কিছুমানে ৯ বজাতে খিড়িকিৰ পৰ্দা টানি শুই পৰে— কাৰণ বাহিৰত বেলি আছেই। ৰাতিৰ আহাৰো ঘড়ী চাইহে কৰে, বেলি চাই নহয়।

স্থানীয় সময়মতে মাজনিশা ১২ বজাত হিউষ্টন বিমান বন্দৰত নামিছোহে মাত্ৰ, আমাৰ নাম ঘোষণা কৰা শুনি ৰিচেপচন্ কাউণ্টাৰৰ ফালে আগবাঢ়ি গ'লো। এগৰাকী মহিলাই দুখ প্ৰকাশ কৰি ক'লে— আমি বৰ দুঃখিত যে আমাৰ ভুলৰ বাবেই আপোনালোকৰ এটা চুটকেচ এইখন বিমানত নুঠিল। পিচৰ বিমানত আহি আছে। আপোনালোকৰ ঠিকনা দি যাওক। ৰাতিপুৱাই দি আহিম। আমাৰ গন্তব্যস্থল নাছিল। আমাক বিমান বন্দৰৰ পৰা নিবলৈ এহাল চাহাব-মেম আহিছিল। আমাৰ forwarding address তেওঁলোকেই দিলে। বিমান বন্দৰত এৰি থৈ অহা চুটকেচটোত পৰিবাৰৰ কাপোৰ কানি আছিল। ৰাতিটো পিন্ধিযোৱা কাপোৰেৰেই তেওঁ শুব লগা হ'ল। ৰাতিপুৱা বিমান কৰ্তৃপক্ষই চুটকেচ দুৱাৰমুখত গতাই দিলেহি।

**হিউষ্টনত প্ৰথম নিশা ভুতৰ (?) উপদ্ৰপ ঃ** ......চহৰৰ এক প্ৰান্তত lakes of 610 ৰ এটা দুই বেডৰুমৰ এপাৰ্টমেণ্টত মিঃ পাটনায়কৰ পৰিয়াল আৰু আমি দুজন থকাৰ ব্যৱস্থা কৰা হৈছিল। ফ্লেটটোত সোমায়েই মনটো ভাল লাগি গ'ল। কেন্দ্ৰীয়ভাৱে বাতানুকুল (Centrally Air Conditioned) এই সুসজ্জিত এপাৰ্টমেণ্টটোত সকলো সুবিধাই আছিল। Electric Oven, Gas oven, Micro-wave oven ৰ উপৰিও ৰন্ধা-বঢ়া কৰা আৰু খোৱাৰ বাচন বৰ্তন মজুত আছিল। Washing/drying machine, telephone, TV, ইষ্ট্ৰি, অজস্ৰ টাৱেল, টুথপেষ্ট, টুথব্ৰাচ আনকি প্ৰত্যেক কোঠাতে সজীব ফুলৰ টোৰা সজোৱা আছে। ফ্ৰিজটো খুলি দেখিলো প্ৰায় এসপ্তাহৰ কাৰণে খোৱা বস্তু মজুত আছে। তাৰ বাহিৰেও সুৰা আৰু কোমল পানীয়ৰ বটল। শুবলৈ যাওঁ মানে ৰাতি ১ টা বাজিল। ইমান দীঘলীয়া যাত্ৰাৰ অন্তত ভাগৰো যথেষ্ট লাগিছিল। বেড্ চাইদ্ টেবুল খনত দেখিলো এটা বিজুলী চালিত Clock radio। চেপেটা বৰ ধুনীয়া। বজাই চালো সুমধুৰ গান বাজিল। সৰু সৰু বুটামবোৰ টিপি মেলিও চালো। ৰেডিঅ'টো বন্ধ কৰি শুই পৰিলো। ৰাতি ৩ টা বাজিছে। হঠাতে ৰুমটোত পশ্চিমীয়া জাজ সঙ্গীত বাজি



উঠিল। সাৰ পাই লাইট জ্বলাই দেখো ৰেডিঅ'টো বাজিছে। কোনে বজালে? টোপনিতে হাত লাগি বাজি উঠিল নেকি? ইটো সিটো বুটাম টিপি বন্ধ কৰিবলৈ চেষ্টা কৰিলো। এটা দীঘলীয়া বুটামত হাত দিয়াত জানিবা বন্ধ হ'ল। লাইট নুমুৱাই শুই পৰিলো। কিন্তু দহ মিনিটৰ মূৰত আকৌ সি নিজে নিজে বাজি উঠিল। বন্ধ কৰিলো। কিন্তু লাভ নহ'ল। কিছু সময়ৰ মূৰে মূৰে সি বাজিবই। কি কৰা যায়? বিজুলী প্ৰবাহ বন্ধ কৰিবলৈও দেখিলো wire ডাল বিচনাৰ তলেৰে ক'লৈ গৈছে দেখাই নাযায়। খিড়িকি খন খুলি বাহিৰলৈ দলিয়ায়েই দিও নেকি? বাহিৰত বাজে যদি বাজি থাকক। আমি অন্ততঃ ভিতৰত শুব পাৰিম। আধাঘণ্টামান বহুতো পৰীক্ষা-নিৰিক্ষা কৰাৰ পাচত উৰহী গছৰ ওৰ পোৱা গ'ল। সেই ঘড়ীটোৱে এলাৰ্মও দিয়ে। এইটো বিশেষকৈ এলেহুৱা মানুহৰ কাৰণেহে। আমি অসমীয়া বোৰ এলেহুৱা বুলি জানিয়েই এইটো আমাক দিয়া নাইতো। এলাৰ্ম থিক সময়তেই বাজি উঠে। কিন্তু এলেহুৱা মানুহে কি কৰে? হাতখন মেলি বন্ধ কৰি অজানিত ভাবে আকৌ টোপনি যায়। এইটো ঘড়ীয়ে কিন্তু তেনে কৰিলেও এৰি নিদিয়ে। দহ মিনিটৰ পিছত আকৌ বাজিব। যেতিয়া লৈকে বিচনাৰ পৰা নামি তাক পুৰা বন্ধ কৰা নহয়। শোৱাৰ আগতে হাতত লৈ যে লিৰিকি বিদাৰি চাইছিলো তেতিয়াই হয়তো Alarm clock টো radio mode অত ৩ বজাত set হৈ গৈছিল।

**এপাৰ্টমেণ্টত জুই ঃ** গৈ পোৱাৰ তৃতীয় দিনা। দুপৰীয়া। আমি চাৰিওজন পুৰুষ কৰ্ম্মস্থলত। মোৰ পৰিবাৰ ৰিণিয়ে ৰন্ধা-বঢ়া কৰাত ব্যস্ত। এখন কেৰাহী জাতীয় পাত্ৰ গেচ অভেনটোত দি একাপ চাহ খাই ল'লে গৰম হোৱালৈকে। তাৰ পিচত যেই তাত তেল ঢালি দিলে ভমক কৈ জুই লাগি গ'ল। তেওঁ চেপেনা ডালেৰে কোনোমতে তাক নমাই মাটিত থ'লে যদিও গোটেইখন ধোঁৱা আৰু জুই। পৰিধানত ৰিণিৰ চিনথেটিক শাৰী। মিচেচ পাটনায়ক আৰু এওঁ দুয়ো চিঞৰিবলৈ ধৰিলে। ইপিনে ভুতৰ ওপৰত দানহ পৰাদি ঘৰটোত পেঁ পেঁ কৈ কিবা বাজিবলৈ ধৰিলে। সেইটো আচলতে smoke alarm। ঘৰত জুই লাগিলে নিজে নিজে বাজি উঠে। ওচৰৰ দুই এগৰাকী মানুহো আগবাঢ়ি আহিল। পিছে ভাগ্য ভাল জুই নিজে নিজে নুমাল আৰু এটা নিশ্চিত বিপদৰ পৰা হাত সৰা গ'ল। Synthetic Floor খন আৰু বাচনটো অৱশ্যে সম্পূৰ্ণ নষ্ট হ'ল।

এই দুৰ্ঘটনাৰ পিছত এটা কথা জানিলো। বিপদত পৰিলে যদি সহায়ৰ আৱশ্যক হয় তেন্তে 911 নম্বৰত telephone কৰিলেই ৫/১০ মিনিটৰ ভিতৰত সাহায্য পাই যাবহি। এই নম্বৰটো সমগ্ৰ আমেৰিকাৰ যিকোনো ঠাইতেই প্ৰযোজ্য। যদি ডায়েল কৰাৰ পিছত কিবা কাৰণত আপুনি এষাৰ কথাও ক'ব নোৱাৰে তথাপি উদ্ধাৰকাৰী দলে লগে লগে আপোনাক বিচাৰি উলিয়াই হাজিৰ হ'বহি। এই

এয়াৰপ'ৰ্ট লাগুৱাদিয়া পালোহি। হিউষ্টন অভিমুখী আমাৰ বিমানখন প্ৰায় সাজু হৈছে যাবলৈ। লৰা-লৰি কৰি বিমানত উঠি বহিলো। স্থানীয় সময়মতে ঘড়ী মিলালো নিশা ৯ বাজিছে। তললৈ চালো সূৰ্যৰ পোহৰত ঘৰ দুৱাৰ সকলো দেখা যায়। আকৌ পৰিবাৰৰ প্ৰশ্ন হেৰা ইয়াত ৰাতি নহয়েই নেকি? এইবাৰ অলপ গণিপিতি চাই ক'লো— উত্তৰ গোলাৰ্দ্ধত অৱস্থিত বাবে বছৰৰ এই সময়ত আমেৰিকাত দিন বহুত দীঘল আৰু ৰাতি বহুত চুটী হয়। পিছত দেখিছিলো সম্পূৰ্ণ আন্ধাৰ হওঁতে ৰাতি (?) ১০ বাজে। কিছুমানে ৯ বজাতে খিড়িকিৰ পৰ্দা টানি শুই পৰে— কাৰণ বাহিৰত বেলি আছেই। ৰাতিৰ আহাৰো ঘড়ী চাইহে কৰে, বেলি চাই নহয়।

স্থানীয় সময়মতে মাজনিশা ১২ বজাত হিউষ্টন বিমান বন্দৰত নামিছোহে মাত্ৰ, আমাৰ নাম ঘোষণা কৰা শুনি ৰিচেপচন্ কাউণ্টাৰৰ ফালে আগবাঢ়ি গ'লো। এগৰাকী মহিলাই দুখ প্ৰকাশ কৰি ক'লে— আমি বৰ দুঃখিত যে আমাৰ ভুলৰ বাবেই আপোনালোকৰ এটা চুটকেচ এইখন বিমানত নুঠিল। পিচৰ বিমানত আহি আছে। আপোনালোকৰ ঠিকনা দি যাওক। ৰাতিপুৱাই দি আহিম। আমাৰ গত্যন্তৰ নাছিল। আমাক বিমান বন্দৰৰ পৰা নিবলৈ এহাল চাহাব-মেম আহিছিল। আমাৰ forwarding address তেওঁলোকেই দিলে। বিমান বন্দৰত এৰি থৈ অহা চুটকেচটোত পৰিবাৰৰ কাপোৰ কানি আছিল। ৰাতিটো পিন্ধিযোৱা কাপোৰেৰেই তেওঁ শুব লগা হ'ল। ৰাতিপুৱা বিমান কৰ্তৃপক্ষই চুটকেচ দুৱাৰমুখত গতাই দিলেহি।

**হিউষ্টনত প্ৰথম নিশা ভুতৰ (?) উপদ্ৰপ ঃ** ......চহৰৰ এক প্ৰান্তত lakes of 610 ৰ এটা দুই বেডৰুমৰ এপাৰ্টমেণ্টত মিঃ পাটনায়কৰ পৰিয়াল আৰু আমি দুজন থকাৰ ব্যৱস্থা কৰা হৈছিল। ফ্লেটটোত সোমায়েই মনটো ভাল লাগি গ'ল। কেন্দ্ৰীয়ভাৱে বাতানুকুল (Centrally Air Conditioned) এই সুসজ্জিত এপাৰ্টমেণ্টটোত সকলো সুবিধাই আছিল। Electric Oven, Gas oven, Micro-wave oven ৰ উপৰিও ৰন্ধা-বঢ়া কৰা আৰু খোৱাৰ বাচন বৰ্তন মজুত আছিল। Washing/drying machine, telephone, TV, ইষ্ট্ৰি, অজস্ৰ টাৱেল, টুথপেষ্ট, টুথব্ৰাচ আনকি প্ৰত্যেক কোঠাতে সজীৱ ফুলৰ টোৰা সজোৱা আছে। ফ্ৰিজটো খুলি দেখিলো প্ৰায় এসপ্তাহৰ কাৰণে খোৱা বস্তু মজুত আছে। তাৰ বাহিৰেও সুৰা আৰু কোমল পানীয়ৰ বটল। শুবলৈ যাওঁ মানে ৰাতি ১ টা বাজিল। ইমান দীঘলীয়া যাত্ৰাৰ অন্তত ভাগৰো যথেষ্ট লাগিছিল। বেড় চাইদ্ টেবুল খনত দেখিলো এটা বিজুলী চালিত Clock radio। চেপেটা বৰ ধুনীয়া। বজাই চালো সুমধুৰ গান বাজিল। সৰু সৰু বুটামবোৰ টিপি মেলিও চালো। ৰেডিঅ'টো বন্ধ কৰি শুই পৰিলো। ৰাতি ৩ টা বাজিছে। হঠাতে ৰুমটোত পশ্চিমীয়া জাজ সঙ্গীত বাজি উঠিল। সাৰ পাই লাইট জ্বলাই দেখো ৰেডিঅ'টো বাজিছে। কোনে বজালে? টোপনিতে হাত লাগি বাজি উঠিল নেকি? ইটো সিটো বুটাম টিপি বন্ধ কৰিববলৈ চেষ্টা কৰিলো। এটা দীঘলীয়া বুটামত হাত দিয়াত জানিবা বন্ধ হ'ল। লাইট নুমুৱাই শুই পৰিলো। কিন্তু দহ মিনিটৰ মুৰত আকৌ সি নিজে নিজে বাজি উঠিল। বন্ধ কৰিলো। কিন্তু লাভ নহ'ল। কিছু সময়ৰ মুৰে মুৰে সি বাজিবই। কি কৰা যায়? বিজুলী প্ৰবাহ বন্ধ কৰিববলৈও দেখিলো wire ডাল বিচনাৰ তলেৰে ক'লৈ গৈছে দেখাই নাযায়। খিড়িকি খন খুলি বাহিৰলৈ দলিয়ায়েই দিও নেকি? বাহিৰত বাজে যদি বাজি থাকক। আমি অন্ততঃ ভিতৰত শুব পাৰিম। আধাঘণ্টামান বহুতো পৰীক্ষা-নিৰিক্ষা কৰাৰ পাচত উৰহী গছৰ ওৰ পোৱা গ'ল। সেই ঘড়ীটোৱে এলাৰ্মও দিয়ে। এইটো বিশেষকৈ এলেহুৱা মানুহৰ কাৰণেহে। আমি অসমীয়া বোৰ এলেহুৱা বুলি জানিয়েই এইটো আমাক দিয়া নাইতো। এলাৰ্ম থিক সময়তেই বাজি উঠে। কিন্তু এলেহুৱা মানুহে কি কৰে? হাতখন মেলি বন্ধ কৰি অজানিত ভাবে আকৌ টোপনি যায়। এইটো ঘড়ীয়ে কিন্তু তেনে কৰিলেও এৰি নিদিয়ে। দহ মিনিটৰ পিছত আকৌ বাজিব। যেতিয়া লৈকে বিচনাৰ পৰা নামি তাক পুৰা বন্ধ কৰা নহয়। শোৱাৰ আগতে হাতত লৈ যে লিৰিকি বিদাৰি চাইছিলো তেতিয়াই হয়তো Alarm clock টো radio mode অত ৩ বজাত set হৈ গৈছিল।

**এপাৰ্টমেণ্টত জুই ঃ** গৈ পোৱাৰ তৃতীয় দিনা। দুপৰীয়া। আমি চাৰিওজন পুৰুষ কৰ্ম্মস্থলত। মোৰ পৰিবাৰ ৰিণিয়ে ৰন্ধা-বঢ়া কৰাত ব্যস্ত। এখন কেৰাহী জাতীয় পাত্ৰ গেচ অভেনটোত দি একাপ চাহ খাই ল'লে গৰম হোৱালৈকে। তাৰ পিচত যেই তাত তেল ঢালি দিলে ভমক কৈ জুই লাগি গ'ল। তেওঁ চেপেনা ডালেৰে কোনোমতে তাক নমাই মাটিত থ'লে যদিও গোটেইখন ধোঁৱা আৰু জুই। পৰিধানত ৰিণিৰ চিনথেটিক শাৰী। মিচেচ পাটনায়ক আৰু এওঁ দুয়ো চিঞৰিবলৈ ধৰিলে। ইপিনে ভুতৰ ওপৰত দানহ পৰাদি ঘৰটোত পেঁ পেঁ কৈ কিবা বাজিবলৈ ধৰিলে। সেইটো আচলতে smoke alarm। ঘৰত জুই লাগিলে নিজে নিজে বাজি উঠে। ওচৰৰ দুই এগৰাকী মানুহো আগবাঢ়ি আহিল। পিছে ভাগ্য ভাল জুই নিজে নিজে নুমাল আৰু এটা নিশ্চিত বিপদৰ পৰা হাত সৰা গ'ল। Synthetic Floor খন আৰু বাচনটো অৱশ্যে সম্পূৰ্ণ নষ্ট হ'ল।

এই দুৰ্ঘটনাৰ পিছত এটা কথা জানিলো। বিপদত পৰিলে যদি সহায়ৰ আৱশ্যক হয় তেন্তে 911 নম্বৰত telephone কৰিলেই ৫/১০ মিনিটৰ ভিতৰত সাহায্য পাই যাবহি। এই নম্বৰটো সমগ্ৰ আমেৰিকাৰ যিকোনো ঠাইতেই প্ৰযোজ্য। যদি ডায়েল কৰাৰ পিছত কিবা কাৰণত আপুনি এষাৰ কথাও ক'ব নোৱাৰে তথাপি উদ্ধাৰকাৰী দলে লগে লগে আপোনাক বিচাৰি উলিয়াই হাজিৰ হ'বহি। এই

কথাটোৰ প্ৰমাণ এবাৰ মোৰ ক্ষেত্ৰতে হ'ল। আমাৰ তত্বাবধানত থকা অফিচাৰ জনৰ নাম আছিল Mr. James Leach। অলপ বয়সীয়া আৰু বৰ চিধা মানুহ। সৰল আৰু ব'মভোলা প্ৰকৃতিৰ। তেখেতৰ পৰিবাৰো তেনে। আমাৰ টীমৰ মহিলা তিনিগৰাকীৰ লগত অলপ দিনৰ ভিতৰতে বন্ধুত্ব গঢ়ি তুলিলে। প্ৰায়ে আজৰি সময়ত ফুৰাবলৈ বা বজাৰ কৰিবলৈ লৈ যায়হি আমি নথকা সময়ত। বস্তু নিকিনিলে কয়— গিৰিয়েৰক ধনী কৰিবি তহঁতে। যিয়েই নহওক আচল কথালৈ আহোঁ। এদিন জেমচক ক'লো— এটা Fax message পঠাব লাগে আমাৰ দিল্লী অফিচলৈ। নম্বৰটো হ'ল 91-11-310962 । তেওঁ ক'লে আহাঁ মই নম্বৰটো লগাই দিওঁ। এইবুলি অফিচৰে Fax Machine এটাৰ ওচৰলৈ লৈ গৈ ডায়েল কৰিবলৈ ধৰিলে। কিন্তু কোনোমতে লাইন নোপোৱাত মোক ক'লে— তোমালোকৰ অফিচৰ Fax machine টো বেয়া হৈ আছে হ'বলা। কিন্তু দহ মিনিটৰ পিছত পুলিচ হাজিৰ হোৱাতহে গম পোৱা গ'ল যে তেওঁ ভুলক্ৰমে International access code 001 টো প্ৰথমতে dial নকৰি পোনেই India ৰ Country code '91' আৰু তাৰ পিছত দিল্লীৰ City code '11' মৰাৰ লগে লগে emergency police হেড কোৱাৰ্টাৰ 911 এ pick up কৰি দৌৰি আহিল। এই ভুলৰ কাৰণে তেওঁলোকে এহেজাৰ ডলাৰ অৰ্থাৎ ভাৰতীয় মূল্যত বত্ৰিশ হেজাৰ টকা জৰিমনা ভৰিব লগা হ'ল। এই ঘটনাটোত মোৰ সমুলি দোষ নাছিল যদিও যিহেতু মোৰ কাৰণেই হ'ল, কেইবা দিনলৈকে মোৰ দোষী দোষী লাগি আছিল। এই খিনিতে এটা কথা উল্লেখ কৰিব পাৰি— আমেৰিকাৰ কোনো অফিচতে মই Fax বা Telex operator নেদেখিলো। নিজৰ কাম নিজেই কৰিব লাগে। আনকি file এটা আনিবলৈ বা চাহ একাপ দিবলৈ অফিচ বয় এটাও নাই। বেচেৰা জেমচে পিচত স্বীকাৰ কৰিলে যে আমেৰিকাৰ বাহিৰলৈ তেওঁ কেতিয়াও Fax কৰিতো পোৱা নায়েই, টেলিফোন কৰিও পোৱা নাই। International access code বুলি যে কিবা এটা আছে তেওঁ নাজানেই। এটা কথা ভাবি কিছু সান্তনা লভিলোঁ— অন্ততঃ এই ক্ষেত্ৰত তেওঁতকৈ মই বেছি জানো। ইতিমধ্যে কেইবাটাও টেলিফোন কল ভাৰতলৈ কৰিলো। কোনোবাৰেই পুলিচ আহিব লগা নহ'ল।

**টেলিফোন ঃ** আমেৰিকাৰ টেলিফোন ব্যৱস্থা বৰ সুন্দৰ। হাতত পইচা নাথাকিলে Collect call ৰো ব্যৱস্থা আছে। অৰ্থাৎ যালৈ ফোন কৰিব, বিলখন তেওঁ pay কৰিব। এদিন এটা মজাৰ অভিজ্ঞতা হ'ল। হিউষ্টনৰ পৰা ডায়েল কৰিলো বেলেগ এখন চহৰত থকা বন্ধু এজনলৈ। এটি সুন্দৰ নাৰী কণ্ঠই ক'লে '...... এতিয়া ঘৰত নাই, Univesity লৈ গৈছে। গধুলী ৬ বজাতহে ঘুৰিব। তেখেতলৈ কিবা মেচেজ্ থাকিলে ক'ব পাৰে'। মই ক'লো— চাওক মই হিউষ্টনৰ অমুক নম্বৰৰ পৰা অমুকে কৈছো। পিছে আপুনিনো কোনে কৈছে জানিব পাৰোনে? উত্তৰ নাই। মনে মনে



ভাবিলো ই চিৰকুমাৰে কেতিয়া মেম বিয়া কৰালে? গধুলী ৬ বজাত ঘুৰি আহি বন্ধুৱে ওলোটাই মোলৈ ফোন কৰাত গৰজি উঠিলো— বিয়া পাতি খবৰ নিদিলি কেলেই বুলি। পিছে গম পালো সেই নাৰী কণ্ঠটো record কৰা কণ্ঠহে আছিল। অৱশ্যে ইলেক্ট্ৰনিক অটো এক্সেঞ্জ হোৱাৰ পৰা ভাৰতৰো বহুতো চহৰত এই ব্যৱস্থা হৈছে আজিকালি।

**বজাৰ ব্যৱস্থা ঃ** আমেৰিকাৰ বেছি ভাগেই দেখিলো চুপাৰ মাৰ্কেট। Walmart, K-mart, Fiesta ইত্যাদি ইত্যাদি। যাবতীয় সকলো বস্তুৱেই একেখন বজাৰতে পোৱা যায়। ভিতৰৰ সৰু সৰু লে'ন বোৰত বস্তুবোৰ থাক থাককৈ সজাই থোৱা আছে। ট্ৰলী এখন ঠেলি ঠেলি লাগতীয়াল বস্তুবোৰ ভৰাই যাওক। ওলাই আহিবৰ সময়ত ট্ৰলীখন কাউন্টাৰত আগবঢ়াই দিয়ক। বস্তু পেক্ কৰি টোপোলা আপোনাৰ হাতত দি দিব। বিলখন পৰিশোধ কৰি ওলাই আহক। এটা কথা মন কৰিলো— ইমান ডাঙৰ বজাৰ এখনত কৰ্ম্মচাৰীৰ সংখ্যা নগণ্য। আপুনি কোনটো বস্তু উঠাইছে, উঠাই ট্ৰলীত ভৰাইছে নে পকেটত ভৰাই কোনেও দেখোন চাই থকা নাই। চুৰ কৰো বুলিলে বহুত দামী বস্তুৱেই মনে মনে আনিব পৰা যাব। পিছে বস্তু চাই ঘুৰি ফুৰোতে ৰিণিৰ শাড়ীৰ আচল লাগি এটা সৰু পুতলা ৰেকৰ পৰা মাটিত সৰি পৰিল। আমি কথাটো মন কৰা নাছিলো। কিন্তু কোনোবাই লগে লগে কৈ উঠিল ঃ মেডাম, অনুগ্ৰহ কৰি পুতলাটো তুলি থ'বনে? আমি ইফালে সিফালে চাই কাকো নেদেখিলো। কিন্তু পুনৰ সেই কণ্ঠই একেই অনুৰোধ কৰাতহে দেখিলো— হয়, পুতলা এটা পৰি আছে। উঠাই থোৱাৰ লগে লগে শুনিলো-— বহুত ধন্যবাদ। তেতিয়াহে গম পালো, প্ৰতিটো লে'নতে প্ৰত্যেকজন গ্ৰাহকক internal video circuit যোগে কণ্ট্ৰল ৰুমৰ পৰা কোনোবাই নিৰিক্ষণ কৰি আছে।

**অসমীয়া ভাষা বনাম স্পেনিচ ভাষা ঃ** এটা বিশেষ ইলেক্ট্ৰনিক গেজেট কিনিবৰ বাবে এবাৰ সোমাইছিলো এখন বৰ দামী বজাৰত। ইয়াত ট্ৰলীত বস্তু উঠাব নালাগে। সোমোৱাৰ লগে লগে আপোনাক এখন ডাঠ বগা কাগজ আৰু এটা কলম দিব। খ্' কেচত সজাই থোৱা বস্তুবোৰৰ যিটো কিনিব খোজে তাৰ নম্বৰটো কাগজ খনত টুকি যাওক। দাম বোৰতো লিখা থাকিবই। টোকা শেষ হ'লে অ'ত ত'ত থকা যিকোনো এটা কম্পিউটাৰৰ ওচৰলৈ গৈ কাগজখনত টোকা কৰা বস্তুৰ তালিকা চাই টাইপ কৰি দিয়ক। কোনো দিন কম্পিউটাৰ ব্যৱহাৰ নকৰিলেও নিৰ্দ্দেশনামা চাই কামটো কৰিবলৈ অসুবিধা নহয়। সেইটো কৰি উঠাৰ পিচত মেচিনটোৰ পৰা কাগজৰ Print out টো ওলাই আহিব। সেইখন ফালি লৈ কাউন্টাৰত পইচা দিয়েগৈ মানে আপোনাৰ বস্তু পেক্ হৈ ৰেডি হৈ আছে।

বাৰু আচল কথালৈ আহোঁ। বজাৰৰ পৰা ওলোৱাৰ আগে আগে আয়নাৰ

মাজেৰে দেখিলো দুজনী ছোৱালী অলপ আতৰত ৰৈ আছে। ওলাই যোৱা প্ৰতিজন মানুহকে কিবা হেণ্ডবিল এখন দিছে। সেইখন পঢ়ি প্ৰতিজন মানুহেই মানিবেগ খুলি ১০/২০ ডলাৰৰ নোট একোখন দি গৈছে। তাৰ মানে কিবা চান্দা। মহা মস্কিলত পৰিলো। কেনেকৈ সৰা যায়? এই ধনী মানুহবোৰৰ কথা সুকীয়া। আমাৰ কাৰণে দহ ডলাৰেই বহুত বেছি। কি কৰো কি নকৰো ভাবি থাকোতেই সিহঁতৰ ওচৰ পালোহিয়েই। এজনীয়ে কাগজখন আগবঢ়াই দি শুধিলে— 'Excuse me, do you speak English?' প্ৰশ্নটো শুনিয়েই মগজুৰ দুৱাৰখন ফট্‌কৈ খুলি গ'ল। লগে লগে শুদ্ধ অসমীয়াত উত্তৰ দিলো— নাই নাই আমি ইংৰাজী নাজানো। ছোৱালীজনীয়ে নিজকে কোৱাদি কৈ উঠিল Oh, no. You speak Spanish। বাট এৰি দিয়াত সাউতকৈ গুচি আহিলো। ৰিণিয়ে মুখ টিপি হাঁহি কেৰাহিকৈ মোলৈ চালে। মই শুধিলো— কি বুজিলা? আচলতে স্পেনিচ আৰু অসমীয়া ভাষা শুনিবলৈ ছাঁগে প্ৰায় একে। তাই আগবঢ়াই দিয়া কাগজখন দিয়া ভাগেই ওলোটাকৈ পঢ়িবলৈ চেষ্টা কৰাৰ ভাও ধৰিছিলো। হেড লাইনটো আছিল AN APPEAL। তাই পিছে ঘূৰাই ল'লে। হয়তো তাই স্পেনিচ নাজানে আৰু মই ইংৰাজী নাজানো। কাগজ খননো অনাহকত খৰচ কৰে কেলেই।

পিকনিক (বন-ভোজ) ঃ দুটা আমেৰিকান পৰিয়ালৰ সৈতে এবাৰ পিকনিক খাবলৈ গৈছিলো হিউষ্টনৰ পৰা প্ৰায় ১০০ কিঃ মিঃ দূৰৰ এখন ঠাইলৈ। দুখন ভান আৰু এখন ট্ৰেইলাৰত সকলো বস্তু তেওঁলোকেই যোগাৰ কৰি নিছে। চাৰিওফালে ওখ ওখ গছৰ হাবিৰে আগুৰা এডোখৰ মুকলি ঠাইত চকী আৰু মাটিত কাপোৰ পাৰি বহা হ'ল। গাঁত খান্দি চৌকা বনাই ৰন্ধা-বঢ়া জোগাৰ চলিল। ওচৰতে সৰু জুৰি এটা আছে। হাবিখন আমাৰ অসমৰ দৰে rain forest নহয়। গতিকে জঙ্ঘল জাতীয় নহয়। গছৰ তলে তলে ঘুৰি ফুৰিব পৰা চাহাবৰ সৰু সৰু ল'ৰা-ছোৱালী কেইটাই লগত লৈ যোৱা যন্ত্ৰ চালিত সৰু সৰু যান কেইখনত উঠি হাবিৰ মাজেদি আনন্দত আত্মহাৰা হৈ ঘূৰি ফুৰিব ধৰিলে। আমাৰ কাৰণেও আমোদৰ ব্যৱস্থা আছিল— Target shooting। এটা মেচিনৰ সহায়ত কৃত্ৰিম চৰাই উৰাই দিয়া হয়। ৰাইফলেৰে গুলীয়াই তাক মাটিত পেলাব লাগে। কেতিয়াবা গুলী লাগে, কেতিয়াবা নালাগে। আমি ক'মেও এশমান গুলী খৰচ কৰিলো ফুৰ্তিতে। কিন্তু কষ্টটো পিচতহে গম পালো যেতিয়া গুলীৰ খোলাবোৰ আৰু কৃত্ৰিম চৰাইবোৰ হাবিৰ মাজে মাজে ঘূৰি বুটলি ফুৰিব লগা হ'ল। এইবোৰ এটা ড্ৰামত ভৰাই গাড়ীত উঠোৱা হ'ল। চহৰলৈ আকৌ ঘূৰাই নি য'ত পেলনীয়া বস্তু পেলায় তাতহে পেলাবগৈ লাগিব। হাবিখন আগৰ দৰেই পৰিষ্কাৰ থাকিব লাগিব। এটা সৰু ঘটনা উল্লেখ কৰো। আমাৰ লগৰ এজনে আইচ ক্ৰীম এটা খাই উঠি খালি বাটিটো হাবিৰ মাজলৈ দলিয়াবলৈ উদ্যত হৈছে। ওচৰতে থকা সৰু ল'ৰাটোৱে 'don't' বুলি চিঞৰ এটা মাৰি হাতখনত



থাপ মাৰি ধৰিলে আৰু দূৰত থৈ দিয়া Garbage bin টোলৈ আঙুলীয়াই দিলে। সিহঁতৰ ল'ৰা-ছোৱালীক কিমান সৰুৰে পৰা discipline ৰ শিক্ষা দিয়ে ভাবি আচৰিত হ'লো। সেই দহ বছৰীয়া সৰু ল'ৰাটোৰ তুলনাটো আমাৰ নিজকে সৰু সৰু লাগি গৈছিল।

পিকনিক শেষ হ'ল। জ্বলাব পৰা পেলনীয়া বস্তুবোৰ চৌকাৰ গাঁতটোত পুৰি পেলোৱা হ'ল। জ্বলাব নোৱাৰা বোৰ Garbage bin অত লৈ গাড়ীত উঠোৱা হ'ল। শেষত চৌকাৰ গাঁতটো কোৰেৰে পুতি সমান কৰি দিয়া হ'ল। ক'তো কাগজৰ সৰু টুকুৰা এটাও এতিয়া আৰু পৰি থকা নাই। গাড়ীত উঠি পিছলৈ ঘূৰি চালো— অলপ আগতে যে এই ঠাইতে এটা পাৰ্টিয়ে পিক্‌নিক্ খাইছিল তাৰ কোনো চিন-মোকামেই নাই। মনত পৰিল আমাৰ অসমৰ পিক্‌নিক্ স্থানবোৰৰ কথা। তুলনা কৰিবলৈকে লাজ লাগিল।

(৮) ল'ৰা-ছোৱালীৰ শিক্ষাৰ এটা দিশ ঃ আমেৰিকাৰ ল'ৰা-ছোৱালীক শৃঙ্খলাবদ্ধতাৰ শিক্ষা কেনেদৰে দিয়া হয় তাৰ আৰু এটা উদাহৰণ দিওঁ। আমাৰ এপাৰ্টমেণ্টৰ টি ভিটোত বিভিন্ন চেটালাইটৰ জৰিয়তে প্ৰায় পঞ্চাশটা চেনেল পোৱা যায়। তাৰ বহুতো প্ৰগ্ৰেম বিশেষকৈ নিশাৰবোৰ প্ৰাপ্তবয়স্কৰ বাবেহে— ল'ৰা-ছোৱালীয়ে চাব নোৱাৰা ধৰণৰ। আমেৰিকাতে নিগাজীকৈ বসতি কৰা মোৰ পুৰণা বন্ধু ৰাজেন বৰুৱাক সুধিলো— এইবোৰ চিনেমা চাই তহঁতৰ ল'ৰা-ছোৱালী বেয়া নহ'বনে? সি হাঁহি এটা মাৰি ক'লে— বেয়া নহয়। প্ৰতেকখন চিনেমা বা চিৰিয়েলৰ বেলেগ বেলেগ Rating বা Grading আছে যিটো আৰম্ভণিতেই display কৰে। Restricted ($R_1$, $R_2$.....), parent's guidance (PG-1, PG-2....) ইত্যাদি। কোনবোৰ সিহঁতৰ কাৰণে নহয়, কোনবোৰ মাক-বাপেকৰ ওচৰত বহি চাব পাৰে, সেইটো ল'ৰা-ছোৱালীয়ে rating চায়েই গম পায়। কাৰণ সিহঁতক সেইটো শিকোৱা হয়। যিটো প্ৰগেম সিহঁতৰ বয়সৰ কাৰণে নহয়, সেইটো সিহঁতে কেতিয়াও নাচায়। ল'ৰা-ছোৱালীবোৰ এটা বয়সলৈকে মাক-দেউতাকৰ একান্ত বাধ্য। সিহঁতৰ TV চোৱাৰ সময়ো মাক দেউতাকে বান্ধি দিয়ে। ধৰক এটা ল'ৰাক দেউতাকে সপ্তাহত দহ ঘণ্টা টি ভি চাবলৈ অনুমতি দিছে, প্ৰত্যেক দেওবাৰে দেউতাকে তাৰ ক্ৰমৰ চেটটো দহ ঘণ্টা বান্ধি দিয়ে। ল'ৰাটোৱে যদি প্ৰথম দিনাই দহ ঘণ্টা চাই দিয়ে তেন্তে বাকী ৬ দিন আৰু চাব নোৱাৰে। কাৰণ টিভিটো নিজে নিজে Lock হৈ যাব, on নহয়। সেইকাৰণে সিহঁতে দেওবাৰে গোটেই সপ্তাহটোৰ TV প্ৰোগ্ৰেমবোৰ উলিয়াই লৈ বাছে— কোন কোন কেইটা প্ৰোগ্ৰেম চাব সেই নিৰ্দ্দিষ্ট দহ ঘণ্টাৰ ভিতৰত। কি সুন্দৰ ব্যৱস্থা।

বগা ফুল ঃ হিউষ্টনত থাকোতে মোৰ বন্ধু শ্ৰী ৰাজেন বৰুৱাই এদিন তেওঁৰ ঘৰত

ভাত খাবলৈ নিমন্ত্ৰণ কৰিলে। পত্নী আৰু দুই কন্যাসহ এটা সুখী পৰিয়াল। হিউষ্টনতে নিগাজীকৈ বসতি কৰা বহু বছৰ হ'ল। ৰাতিতো তাতে কটালো। আমাক লৈ যাবলৈ ৰাজেন আৰু পৰিবাৰ শ্ৰীমতী অজন্তা দুয়ো আহিছিল। ওপৰখনো আয়না থকা চিক্-চিকিয়া ধুনীয়া গাড়ীখনত আকাশৰ চন্দ্ৰৰ পোহৰেৰে স্নান কৰি গৈ থাকি ভাল লাগিছিল। সুধিলো— গাড়ীখন কেতিয়া কিনিলি? —গাড়ীখন অজন্তাৰ কিনা নাই। ইন্সিওৰেন্স কোম্পেনীয়ে দিলে অলপতে। গাড়ীখন পোৱা ঘটনাটোহে ৰোমাঞ্চকৰ। শ্ৰীমতী অজন্তাই কৈ গ'ল— আগৰ পুৰণা গাড়ীখন চলাই ৰাতিপুৱা চাকৰিলৈ ওলাই আহিছো। গতিবেগ ঘণ্টাত ১০০/১২০ মাইল। ট্ৰেফিকো বেয়া। হঠাতে আগৰ গাড়ী এখনে কোনো সংকেত নিদিয়াকৈ লে'ন বদলি কৰি মোৰ সন্মুখলৈ আহি গ'ল। মই নিয়ন্ত্ৰণ হেৰুৱাই কাষৰ খুটা এটাত খুন্দা মাৰি দিলোঁগৈ প্ৰচণ্ড জোৰেৰে। চকুৰ আগত এটা বগা ফুল ফুলি অহা দেখিলো। তাৰ পিচত আৰু একো ক'ব নোৱাৰো...। মই ক'লো— ৰ'বা ৰ'বা। মানুহে এনেকুৱা পৰিস্থিতিত সৰিয়হ ফুলহে দেখে— যাৰ ৰং হালধীয়া। তুমি আকৌ কি বগা ফুল দেখিলা? —বগা ফুল মানে সেইটো আছিল এটা এয়াৰ বেগ। দুৰ্ঘটনাৰ সময়ত চালকৰ নিৰাপত্তাৰ কাৰণে ষ্টিয়াৰিং হুইলট ফিট্ কৰা থাকে। অৱশ্যে মোৰ গাড়ীখনত যে তেনে ব্যৱস্থা এটা আছিল, মই নাজানিছিলোৱেই। যিয়েই নহওক সেইটোৱেই মোৰ জীৱন বচালে। গাড়ীখন চুৰ্ণ-বিচূৰ্ণ হ'ল। ইন্সিওৰেন্স কোম্পেনীয়ে অতি কম সময়ৰ ভিতৰতে এইখন নতুন গাড়ী দিলে। লগতে স্মৃতি-চিহ্ন হিচাপে মোৰ লিপষ্টিকৰ দাগ বহা এয়াৰ বেগটোও দিছে। মই ক'লো— তোমাৰ বগা-ফুলক অশেষ ধন্যবাদ। তেওঁৰ অবিহনে আজি হয়তো তোমাক দেখা নাপালোহেঁতেন। তেওঁক সদায় ধুপ ধুনা দি বগা-ৰঙা যি পোৱা ফুল এপাহ দিবা।

ৰাতিখন এইজনী কোন ? ঃ সময় তেতিয়া নিশা দহ। হিউষ্টন। কলিং বেলৰ শব্দত দুৱাৰ খুলি দেখো আফ্ৰিকান মূলৰ এজনী গাভৰু ছোৱালী। কান্ধত এটা ডাঙৰ বেগ। খুব আকৰ্ষণীয় নহ'লেও মোটামুটি ধুনীয়াই। সম্ভাষণ জনাই সুধিলে 'ভিতৰলৈ আহিব পাৰোনে?' অলপ সংকোচ হৈছিল। ৰাতি থাকো বুলি ক'ব নেকি? নতুন ঠাই। চোৰ-ডকাইতৰ দলৰ নেকি? তথাপি ভদ্ৰতাৰ খাতিৰত ভিতৰত বহিবলৈ দি অহাৰ উদ্দেশ্য সুধিলো। তেওঁ কোনোবা এটা কোম্পেনীৰ এজেণ্ট। ঘৰে ঘৰে গৈ Household Appliance ৰ অৰ্ডাৰ সংগ্ৰহ কৰে। কান্ধৰ বেগটোত কিছুমান Sample আৰু leaflet। আমি যে অস্থায়ী ভাৱেহে দুদিনমানৰ কাৰণে আছোহি আৰু সেইবোৰ বস্তুৰ প্ৰয়োজন নাই বুজাই ক'লো। কিন্তু উৎসুকতা বশতঃ সুধি পেলালো— তুমি এই ৰাতিখন ঘৰে ঘৰে যে ঘুৰি ফুৰিছা, দিনত নাহিলা কেলেই? অকলে এজনী গাভৰু ছোৱালী ৰাতি ঘুৰি ফুৰাটো নিৰাপদ জানো? তাই যি ক'লে



তাৰ পৰা গম পালো তাই নাইজেৰীয়াৰ পৰা আহিছে। ইয়াৰে বিশ্ব-বিদ্যালয় এখনত seat পাইছে। দিনত ক্লাচ কৰে, ৰাতি ঘৰে ঘৰে বস্তু বিক্ৰি কৰি পঢ়াৰ খৰচ উলিয়ায়। ইয়াৰ সকলো অঞ্চল নিৰাপদ নহয়। যিবোৰ নিৰাপদ সেই অঞ্চলবোৰলৈহে তাই যায়।

তাইৰ প্ৰতিভাৰ বিষয়ে নাজানিলো। কিন্তু উচ্চ শিক্ষাৰ বাবে যি আগ্ৰহ আৰু শিক্ষা লাভৰ কাৰণে যি কষ্ট স্বীকাৰ কৰিছে তাৰ বাবে নাইজেৰীয়াৰ কোনোবা দুখীয়া পৰিয়ালৰ এই ছোৱালীজনী নিশ্চয় প্ৰশংসাৰ পাত্ৰী।

আতিথেয়তা ঃ আমাৰ চাৰিজন অফিচাৰৰ তত্বাৱধানৰ দায়িত্বত আছিল আমেৰিকান কোম্পেনীটোৰ Chief Training Manager মিষ্টাৰ জেমচ্ লীচ। প্ৰায় পঞ্চাচ বছৰ বয়সীয়া সদা হাস্যময় এই ভদ্ৰলোকজন অতি কম সময়ৰ ভিতৰতে আমাৰ বন্ধু হৈ পৰিছিল। অত্যন্ত কৰ্তব্যপৰায়ণ শ্ৰী জেমচ্ আমাক নিবলৈ আহে ৰাতিপুৱা ৬-৩০ বজাত। কৰ্ম্মক্ষেত্ৰত পাওঁগৈ ৭ বজাত। অথচ তেওঁলোকৰ কাম আৰম্ভ হয় ৮ বজাৰ পৰাহে। কেনেবাকৈ ট্ৰেফিক জামৰ বাবে কোনোবাদিনা সময়মতে অফিচ নাপায়হি বুলি তেওঁ সদাই এঘণ্টাৰ আগতেই অফিচ পোৱাকৈ ওলায়। অফিচিয়েল কাম শেষ হোৱাৰ পিচতো বজাৰ-সমাৰ কৰা, ফুৰোৱা আদিত তেখেতে যথেষ্ট সময় আমাৰ কাৰণে খৰচ কৰে। ইপিনে তেখেতৰ পৰিবাৰ মিচেচ্ বেচী লিচ্ও আমাৰ টীমৰ মহিলা তিনিগৰাকীৰ খুব আপোন হেন হৈ পৰিল। এদিনৰ মূৰে মূৰে আমাৰ এপাৰ্টমেণ্টলৈ আহি আমাৰ পৰিবাৰ কেইগৰাকীৰ লগত আড্ডা মাৰিবলৈ ধৰিলে। কেতিয়াবা বজাৰলৈ লৈ যায়, কেতিয়াবা ফুৰাবলৈ।

পিচত অৱশ্যে গম পাইছিলো যে আমাৰ সা-সুবিধাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ মিষ্টাৰ জেমচক যিদৰে নিৰ্দ্দেশ দিয়া আছে, সেইদৰে মিচেচ্ জেমচক দায়িত্ব দিয়া হৈছে মহিলা কেইগৰাকীক চোৱা-চিতা কৰিবলৈ যাতে তেওঁলোকে গৃহস্থ কেইজনৰ অনুপস্থিতিত আমনি অনুভৱ নকৰে। মিচেচ্ জেমচ্ সেই আমেৰিকান কোম্পেনীটোৰ চাকৰিয়াল নহয় যদিও আমি থকা ডেৰমাহ সময় সেই দায়িত্বৰ বাবে তেওঁক বিশেষ নিযুক্তি দিয়া হৈছিল। বিনা নিমন্ত্ৰণে লগত যোৱা পৰিবাৰ সকলকো যে নিবিচৰাকৈয়ে এনে আতিথ্য দিছে ভাৰি আচৰিত হ'লো। মানসিক ভাৱেও তেওঁলোক আমাতকৈ বহুত উৰ্দ্ধত।

নিমন্ত্ৰণ ঃ এবাৰ জেমচ্ চাহাবে আমাক নিমন্ত্ৰণ জনালে তেওঁৰ ঘৰত নিশাৰ সাজ খাবলৈ। আবেলিতে লৈ গ'লহি। একে চহৰতে থকা তেওঁৰ জীয়েক-জোঁৱায়েকেকো মাতিছে। সন্মুখত এখন ল'নেৰে তেওঁৰ টিনৰ চালিৰ ঘৰটো সৰু যদিও বেছ ধুনীয়া। শুনি আচৰিত হ'লো। এই ঘৰটো সম্পূৰ্ণকৈ সাজি উলিয়াইছে জেমচ দম্পতীয়ে নিজে। কাঠ মিস্ত্ৰি এটাও লগোৱা নাই। কাৰণ কণ্ট্ৰেক্ট দিলে যিটো খৰচ পৰিব

সেইটো বহন কৰা তেওঁলোকৰ কাৰণে অসম্ভৱ। বেচিভাগ আমেৰিকানে হেনো নিজৰ ঘৰ নিজেই বনাই লয়। ওচৰতে আৰু এটা একে ধৰণৰ ঘৰ আধা সজা। সেইটো মিচেচ্ জেমচৰ ফেক্টৰী। তেখেতে স্পৰ্টিং গেঞ্জীত চাপ মাৰি বজাৰত বিক্ৰি কৰে। সেইটো ঘৰো বুঢ়া-বুঢ়ীয়ে নিজে বনাই আছে— আৰু দুমাহমান লাগিব শেষ হ'বলৈ। এই বয়সতো দুয়ো বেচ কৰ্ম্মক্ষম। অৱশ্যে নিজে নকৰিলে উপায়োযে নাই। ঘাঁহ কটাৰ পৰা বাচন ধোৱালৈকে ঘৰুৱা সকলো কামোতো নিজেই কৰিব লাগে।

সুৰা আৰু অন্যান্য পানীয় ওলাল। বিলিয়াৰ্ড, তাচ্ খেলা হ'ল। joke, গাজাখুৰী গল্প, গান-বাজনাৰে মেহফিল জমি উঠিল। কিন্তু খোৱাৰ যোগাৰ দেখোন কোনেও কৰা নাই। হঠাতে জেমচ্ চাহাবে কৈ উঠিল –Lets start cooking। বুজিলো খোৱা আমি নিজেই বনাব লাগিব। সকলোৰে হাত উজান দিয়াত আধা ঘণ্টামানতে খোৱা তৈয়াৰ হ'ল। ঘৰতে সাজি উলিওৱা কয়লাৰ BAR-B-Q Oven অত কুকুৰাৰ মঙহ সেকোটেহে কিছু সময় লাগিল। আটাইবোৰে ধৰি মেলি ওচৰৰ ফেক্টৰী ঘৰটোৰ পৰা ডাঙৰ টেবুল দুখন ডাঙি আনি ল'নত থ'লোহি আৰু খোৱা বস্তুবোৰ তাত সজালোহি। সকলোৱে ফুৰ্তি কৰি খালো। পেলনীয়া বস্তুবোৰ ঘৰৰ সন্মুখত থকা Garbage bin টোত পেলালোগৈ। টেবুল আগৰ ঠাইত থোৱা হ'ল। গৃহস্থক ধন্যবাদ, শুভৰাত্ৰি জনাই ঘুৰি আহিলো। এই গোটেই সময়ছোৱাত গৃহস্থনো কোন, আলহিনো কোন বিচাৰ নাছিল। আমাৰ ইয়াৰ কথা ভাবকচোন। ৰান্ধিবলৈ দিলে বাৰু যেন তেন কিন্তু আলহিক যদি চুৰাও পেলাইহে যাব পাৰিবা বুলি কওঁ তেওঁ সেমেনা-সেমেনি নকৰিবনে? গুৱাল গালি নাপাৰিবনে?

ফ্লৰিডাত দুদিনমান ঃ মাজতে তিনিদিন বন্ধ পাই ফ্লৰিডাৰ অৰ্লেন্দ চহৰলৈ উৰা মাৰিলো। ফ্লৰিডাৰ মিয়ামী বিচ্ পৃথিৱী বিখ্যাত। নিৰ্দ্ধাৰিত হোটেল পাওঁতে আবেলি ৪ বাজিছে। এনেয়ে ওচৰে পাজৰে ফুৰি চাওঁ বুলি হোটেলৰ পৰা ওলাই আহিলো। বৰষুণ দিয়া নাই যদিও বতৰটো ডাৱৰীয়া। দূৰত দেখিলো কেকোৰাৰ আকৃতিৰ টিক্ টিক্ কৈ ৰঙা কিবা এটা ৰাস্তাৰ দাঁতিত থিয় হৈ হাত ভৰি আচাৰিব ধৰিছে। কৌতুহল বশতঃ ওচৰ চাপি যোৱাত হাতোৰা এখনে কাগজ এখন আগবঢ়াই দিলে। আচলতে সেই কেকোৰাৰ মোটটোৰ ভিতৰত মানুহ এটা সোমাই আছে। ওচৰৰ চুপাৰ মাৰ্কেট খনত CRAB নামৰ seafood ৰ হোটেল এখন আছে। তাত খাব লাগে। সেইটোকে বেচেৰাই advertise কৰি আছে। তাৰ অঙ্গী-ভঙ্গীবোৰ চাই ভাল লাগিছিল। অলপ দূৰত দেখিলো ওপৰত টিনৰ চালিৰ দুমহলীয়া ঘৰ এটা। কিন্তু ঘৰটো এটা ফালে মাটিৰ ভিতৰত সোমাই যোৱাত বেকা হৈ আছে। মনতে ভাবিলো ভূমিকম্পৰ ফলতে এই অৱস্থা হৈছে বুলি ধৰি ল'লেও ওচৰ পাজৰৰ



ঘৰবোৰ দেখোন চিধা হৈয়েই আছে। তাৰ উপৰি বেকা হৈ অছে যদিও বেচ ৰংচঙীয়া ধুনীয়া। কৌতুহল নিবাৰণ কৰিবলৈ ওচৰ পালোগৈ। দেখিলো সেইটো এটা মিউজিয়াম। তাক তৈয়াৰ কৰিছে তেনেকৈয়েই যাতে বাহিৰৰ পৰা বেকা যেন দেখা যায়।

অৰ্লেন্দ' চহৰত বহুতো আকৰ্ষণৰ ভিতৰত বিশেষকৈ চাৰিটা বস্তু চাবলগীয়া Magic Kingdom ৰ Disney World কেৱল ল'ৰা-ছোৱালীৰে নহয়, সকলোৰে কাৰণে আনন্দদায়ক, ৱাল্ট ডিজনীৰ কমিক চৰিত্ৰবোৰৰ জীৱন্ত ৰূপ আৰু বিভিন্ন খুহুটীয়া কাৰ্য্যকলাপে মন প্ৰাণ হৰি নিয়ে। লচ্ এঞ্জেলচ চহৰত প্ৰথম স্থাপিত হৈছিল Disney Land। অৰ্লেন্দ' চহৰত প্ৰতিষ্ঠা কৰা Disney World -অলপ আধুনিক। MGM Studio অত দেখিছিলো কিছুমান আশ্চৰ্যজনক প্ৰদৰ্শনী। বিজ্ঞান আৰু অদ্ভুত কলাকুশলতাৰে কৰা অভিনয়ে দৰ্শকক সন্মোহিত কৰি ৰাখে। এটা দৃশ্য বৰ্ণনা কৰো। এহাল যুৱক-যুৱতী হাতত ধৰা-ধৰি কৰি ৰাস্তাত ফুৰি আছে। হঠাতে এখন গাড়ীত ছজন গুণ্ডা আবিৰ্ভাৱ হ'লহি। যুৱতীক জোৰ কৰি গাড়ীত উঠাই উধাও হ'ল। যুৱকজনে মাৰ খাই মাটিত বাগৰি পৰিছিল যদিও পকেটৰ পৰা ৰিভলভাৰ উলিয়াই গাড়ীখন লক্ষ্য কৰি গুলী এৰিলে। গাড়ীখন কিছুদুৰ গৈয়েই তিনিলুটি খাই বাগৰি পৰিল। এটা বিস্ফোৰণ হৈ গাড়ীখনত ডাউ ডাউ কৰি জুই জ্বলি উঠিল। এনেতে ফায়াৰ বিগ্ৰেডৰ মানুহ আহি পাঁচ মিনিটতে জুই নুমালে। ধোঁৱাৰ মাজত গাড়ীৰ আৰোহীকেইজনৰ কি হ'ল আৰু দেখা নাপালো। এইটো এটাহে উদাহৰণ দিলো। মুঠতে গোটেই দিনটো চালেও শেষ কৰিব নোৱাৰি ইয়াৰ সকলোবোৰ Show।

আলৈ আথানি ঃ তৃতীয় আকৰ্ষণ আছিল APCOT CENTRE । আজিয়েই চাব লাগিব। কাৰণ কাইলৈ যদি Sea world চাওঁ তেন্তে সময় নায়েই। পৰহিলৈতো যাবই লাগিব। ইপিনে আবেলি হ'লেই- বতৰো ডাৱৰীয়া। যি হয় হ'ব বুলি mono rail অত উঠি Apcot centre পালোহি। ইয়াত mono rail অত বিনা পইচাই ভ্ৰমণ কৰিব পাৰি। ষ্টেচনত নমাৰ লগে লগে ডবা-বিটা বৰষুণ। কিছু সময় অপেক্ষা কৰাৰ পিচত তলত দেখিলো মানুহৰ এটা শাৰী। একোখন ট্ৰলী কাৰ আহে, মানুহবোৰ উঠে আৰু যায়। ভাবিলো এইটো দেখোন সুন্দৰ ব্যৱস্থা। বৰষুণত নিতিতাকৈ চাব পৰা যাব। হিউষ্টনৰ NASA (National Aeronatic & Space Administration) এনেকৈয়েই ট্ৰলীকাৰত ভিতৰলৈ লৈ গৈ সকলো দেখুৱাই মেলি ঘূৰাই আনিছিল। বিশেষ চিন্তা নকৰি শাৰীত থিয় হ'লোগৈ আৰু ট্ৰলী কাৰ এখনত উঠি বহি পৰিলো। কিন্তু অলপ পিচতে ভুল ভাগিল। গেটৰ ফালে যাওক চাৰি ট্ৰলী কাৰখন অন্য ক'ৰবালৈ হে গতি কৰিছে। প্ৰায় বিশ মিনিট যোৱাৰ পিচত

সি গৈ ৰ'লগৈ এখন বিশাল কাৰ পাৰ্কত। হাজাৰ হাজাৰ গাড়ী পাৰ্ক কৰা আছে। আমিও লাজতে নামি পৰিলো যদিও বৰষুণত তিতি-বুৰি পোন্ধৰ মিনিটমান থিয় হৈ থাকি পিচৰ ট্ৰলী কাৰখনত আকৌ আগৰ ঠাইলৈ ঘূৰি আহিলো। ইতিমধ্যে গধূলি হৈছিল আৰু সেই জুৰুলি জুপুৰি হোৱা অৱস্থাৰে ভিতৰলৈ সোমোৱাৰ উদ্যমো নোহোৱা হৈছিল। Apcot Centre দৰ্শন সিমানতে অৰ্থাৎ গেটৰ বাহিৰতে সমাপ্ত কৰি হোটেললৈ ঘূৰি আহিলো।

**SEA WORLD** ঃ চতুৰ্থ আকৰ্ষণ Sea World চালো পিছদিনা। প্ৰশিক্ষণ প্ৰাপ্ত প্ৰকাণ্ড ডলফিন বোৰৰ খেল আৰু বিভিন্ন আমোদৰ সম্ভাৰেৰে ভৰপুৰ Sea World অত ৰাতিপুৱাৰ পৰা গধুলিলৈকে অলপো আমনি নলগাকৈ পাৰ কৰি দিব পাৰি। হলিউদৰ চহৰ লচ্ এঞ্জেলচ্ ঃ আমেৰিকাৰ পশ্চিম উপকূলৰ কালিফৰ্ণিয়াত এই লচ-এঞ্জেলচ্ চহৰ। ডিজনী লেণ্ড, হলিউড আৰু Universal studio ৰ কাৰণে বিশ্ব বিখ্যাত। আমি আবেলি পালোহি হিউষ্টনৰ পৰা। প্ৰায় চাৰি ঘণ্টাৰ দীঘলীয়া বিমান যাত্ৰা। পূৰ্ব্ব নিৰ্দ্ধাৰিত হোটেল খনলৈ বুলি টেক্সিত উঠিলো। ষ্টাৰ হোটেলৰ বিশেষ সা-সুবিধাবোৰ নাথাকিলেও বেছ ভালেই আৰু সস্তা এই হোটেলবোৰ। টেক্সিত গৈ থাকোতে ড্ৰাইভাৰক সুধিলো ডিজনীলেণ্ড ৰাতিপুৱা কেই বজাত খোলে। ড্ৰাইভাৰে সঠিক সময়টো নাজানে যদিও গাড়ীতে থকা Wrireless যন্ত্ৰৰ সহায়ত খবৰ কৰি আমাক জনালে— ৰাতিপুৱা ৯ টা। আমেৰিকাৰ প্ৰায়ভাগ টেক্সিতে এই ৰেডিঅ' ব্যৱস্থা আছে। আৰু এটা বস্তু ড্ৰাইভাৰবোৰৰ পকেটত থাকে— সেইটো হৈছে- পে'জাৰ। কোম্পেনী এক্সিকিউটিভ বোৰৰ পকেটতটো সেইটো থাকিবই লাগিব। আপোনাৰ অফিচৰ টেলিফোনটো বাজিছে অথচ আপুনি অন্য ক'ৰবাতহে আছে। আপোনাৰ পকেটৰ পে'জাৰটো বিপ্ বিপ্ কৈ বাজিতো উঠিবই, আপোনাক কোন নম্বৰৰ পৰা বিচাৰিছে সেইটোও Board খনত display হৈ পৰিব। ধৰক আপুনি গিৰ্জ্জাঘৰত আছে য'ত নেকি Pin drop silence বাঞ্চনীয়, তাত পে'জাৰটোৰ mode টো বদলি কৰি গেঞ্জীত ওলোমাই লওক। এইবাৰ সি শব্দ নকৰি বুকুত এটা মৃদু কম্পনহে তুলি দিব।

পিছদিনা পুৱাই বীজৰলি হিল্চলৈ ওলালো— টুৰিষ্ট বাছ এখনেৰে। মনোমোহা প্ৰাকৃতিক দৃশ্যৰে ভৰপূৰ সৰু সৰু পাহাৰ বোৰত প্ৰত্যেকৰে একোটা সুকীয়া বৈশিষ্ট্য আছে। মেৰিলিন ম'ণৰোৰ সৰু ঘৰটোৱে আমাক বিশেষ আকৰ্ষিত কৰিছিল। ষাঠিৰ দশকত গোটেই বিশ্বত খলক লগোৱা যৌন আবেদনময়ী এই চিত্ৰতাৰকা, যাৰ মৃত্যু এতিয়াও এক ৰহস্য— সেই মেৰিলিনৰ ঘৰটোৰ গঠন প্ৰণালী অদ্ভুত। এখনো খিৰিকি নথকা এই ঘৰটোৰ ৰংটো কিচ্ কিচ্‌কৈ ক'লা। কি আচৰিত খেয়াল এই অভিনেত্ৰী গৰাকীৰ। বোধকৰো আৱশ্যকতকৈ বেছি গোপনীয়তা



বিচাৰিছিল তেওঁ।

**Universal Studio** ঃ হলিউদৰ কিমান যে বিশ্ব বিখ্যাত কথাছবি ইয়াত নিৰ্ম্মাণ হৈ গৈছে। আমেৰিকাৰ বহু ঠাই ঘুৰিলো। উত্তৰৰ পৰা দক্ষিণ, পুবৰ পৰা পশ্চিম সম্পূৰ্ণ দুমাহ। যদি সোধা যায় সকলোতকৈ কি ভাল লাগিল? নিঃসঙ্কোচে ক'ম Universal Studio, Hollywood। এক বিশাল এলেকা জুৰি আছে এই হলিউদ। বহুতো বিশ্ববিখ্যাত পুৰণি চিনেমাৰ চেট্‌বোৰ এতিয়াও সংৰক্ষণ কৰি ৰাখিছে। সৰু সৰু পাহাৰবোৰ নতুন ছবিৰ চেট্ তৈয়াৰ হৈ আছে, চুটিং চলি আছে। তাত কি কি প্ৰতক্ষ্য কৰিলো লিখি বুজাব নোৱাৰি। মোৰ কেমেৰাৰে তাৰে দুই এটা বস্তু তুলি আনিছো। কিন্তু অসুবিধা হয়, আকস্মিকভাৱে সন্মুখতে ঘটনাটো যে ঘটি যাব তাৰ বাবে সাজু নথকা কাৰণে কেমেৰাত আৱদ্ধ কৰিব পৰা নহয়গৈ। পুৰণি চিনেমাৰ কিছুমান Horror Scene পৰ্য্যটকৰ কাৰণে আজিও দেখুৱায়। গা শিয়ঁৰি উঠা সঁচা-সচি যেন লগা এই দৃশ্য দেখি ল'ৰা-ছোৱালী, মহিলাৰ কথা বাদেই বহুত পুৰুষেও চিঞৰি উঠিছিল। Toy train ৰ ডবাবোৰৰ দৰে সৰু সৰু ওপৰখোলা ডবাবোৰত মুঠতে প্ৰায় ৪০ জন মান যাত্ৰী বহাৰ পিচত এখন সৰু গাড়ীয়ে টানি লৈ গৈ আছে। ডবাবোৰৰ Speaker অত গাইডজনীয়ে বুজাই আছে। কেইটামান দৃশ্য বাৰু বৰ্ণনা কৰো—

(A) প্ৰথমতেই এটা সুৰঙ্গ পথ পালোগৈ। সুৰঙ্গত সোমোৱাৰ আগতেই গাইডজনীয়ে অলপ সাৱধানে বহিবলৈ ক'লে। দীঘলীয়া সুৰঙ্গ পথটোৰ কিছুদুৰ গৈছোহে, গাড়ীখন জোকাৰিবলৈ ধৰিলে। অলপ পিচতে গোটেই গাড়ীখন সুৰঙ্গটোৰ চাৰিওফালে খুব জোৰত চক্ৰাকাৰে ঘূৰিবলৈ ধৰিলে। যাত্ৰীৰ আৰ্তনাদত সুৰঙ্গ গমগমাই উঠিল। ওলাই পৰি যাওঁ বুলি সন্মুখৰ ৰেলিং ডালত দুই হাতেৰে খামুচি ধৰিলো। পৰিস্থিতি আৰু ভয়াবহ কৰি তুলিলে গাইড জনীৰ চিঞৰে— Driver কি কৰিছা? Control কৰা। মানুহ মাৰিবা নেকি? .... ইত্যাদি ইত্যাদি। আমাৰ মূৰ ঘূৰাই পৰি যোৱাৰ অৱস্থা হ'ল। প্ৰায় দুই মিনিট এই অৱস্থাত কটোৱাৰ পিচত শান্তিৰ অন্ত পৰিল। আমি সুৰঙ্গৰ বাহিৰ ওলালো। গাড়ীও স্থিৰ গতিত চলিব ধৰিলে। থিক ওলাই অহাৰ আগমুহূৰ্তত গম পালো এইবোৰ সব ফাকি— optical illusion মাত্ৰ। আমাৰ গাড়ীখন কিছু জোকাৰি দিছিল সঁচা কিন্তু ই চিধা চিধিয়েই গৈ আছিল। পাকঘূৰণি খোৱা নাছিল। আমাৰ চাৰিও ফালৰ সুৰঙ্গটোহে ঘূৰিছিল আৰু লাইটৰ Special effect দিয়া হৈছিল। মই এতিয়াও বুজি নাপালো— তেতিয়াহ'লে আমি বাওঁফালে ইমান হালি গৈছিলো কিয়? Psychological effect ইমান তীব্ৰ নে?

(B) এবাৰ আমাৰ Trolley Car খন গৈ আছিল এটা হ্ৰদৰ ওপৰত থকা

6722



দলংৰ ওপৰেদি। থিক মাজ পাওঁতেই খট্ কৈ এটা শব্দ হ'ল আৰু দলংখন খহি পৰিল। হ্ৰদৰ তলত নোসোমালোগৈ যদিও গাড়ীখন আধা আধি সোমাই ক'ৰবাত লাগি ৰৈ থাকিল। কেবিনৰ ভিতৰত পানী সোমোৱাত আমি ভৰি দাঙি থাকিব লগা হ'ল। গাইড গৰাকীয়ে দুখ প্ৰকাশ কৰি ক'লে ঃ 'আমি দুঃখিত যে দলংখন কালি repair কৰিছিল যদিও আজি আকৌ ভাগি পৰিল। আজ়িকালিৰ মিষ্ট্ৰি এনেকুৱাই। আপোনালোকে চিন্তা নকৰিব, ১০/১৫ মিনিটৰ ভিতৰত উদ্ধাৰকাৰী নাও আহি পাব।' আমি ইফালে সিফালে চাওঁতে বহুত দুৰত দেখিলো মাছৰ fin জাতীয় কিবা এটা পানীত ইফালে সিফালে ঘুৰি ফুৰিছে। সেইটো যে মাংসাহাৰী প্ৰকাণ্ড চাৰ্ক বুজিবলৈ বাকী নাথাকিল। তাৰ ওচৰতে এজন মানুহে নাওঁ এখনত উঠি বৰশী বাই আছে নিঃচিন্ত মনে। চাওঁতে চাওঁতেই চাৰ্কটোৱে নাওঁখন খুন্দা মাৰি বগৰাই দিলে আৰু মানুহজন পানীত পৰি গ'ল। তাৰ ক্ষন্তেক পাচতে দেখিলো ওচৰৰ পানীখিনি ৰঙচুৱা হৈ পৰিল। ভয়ত আমাৰ অণ্ঠ কণ্ঠ শুকাই গ'ল। কি কৰো কি নকৰো ভাবি থাকোতেই হঠাত পানীৰ পৰা জোঙাল দাত কেইটা উলিয়াই 'হাউচ্' কৈ ওলাই দেখা দিলে সেই দৈত্যকায় চাৰ্কটোৱে— আমাৰ পৰা মাত্ৰ দুহাত আঁতৰত। যাত্ৰীবোৰৰ মৰণ কাতৰ আৰ্তনাদ কিজানি বহুত দুৰলৈকে শুনা গৈছিল। তাৰ পিচত খট্‌কৈ এটা শব্দ হৈ দলংখন নিজে নিজে চিধা হৈ গ'ল আৰু আমাৰ গাড়ী চলিবলৈ ধৰিলে। আচলতে গোটেই নাটকখনেই কৃত্ৰিম আছিল যিটো আমাৰ এজনেও বুজিব পৰা নাছিলো।

(C) এবাৰ এখন কৃত্ৰিম হাবিৰ মাজেৰে আমাৰ গাড়ী গৈ আছে। এখন ওলোমা দলঙৰ ওপৰত আমাৰ গাড়ী ৰ'ল। তলেদি এখন নৈ বৈ গৈছে। বেছ প্ৰাকৃতিক যেনেই লাগিছে। গাইডজনীয়ে কৈ গৈছে ঃ 'Godzila' ছবিৰ ছুটিং ইয়াতেই হৈছিল। এনেতে বিশাল দেহৰ নোমাল গৰিলা এটা মূৰ দাঙি দলঙৰ তলৰ পৰা উঠি দেখা দিলে। সি নৈ খনতে থিয়হৈ থাকি ওলোমা দলঙখন দুহাতেৰে খামুচি ধৰিলে। এনেকুৱা ভয়লগা জন্তু এটা, চকু কেইটা হিংস্ৰ, আচলেই হওক বা নকলেই হওক ইমান ওচৰতে দেখিলে অলপ ধতুৱা মানুহ অজ্ঞান হৈ পৰিব। ফোপনিত তাৰ বুকুখন জোৰে জোৰে উঠা নমা কৰিছে। এইবাৰ সি দলংখন জোকাৰিবলৈ ধৰিলে। গাড়ীয়ে মানুহে আমি দলং ভাঙি নৈত পৰিমগৈ যেন লাগিছিল। এইটো হেনো Godzila চিনেমাৰ কৃত্ৰিম গৰিলাটো।

(D) এইবাৰ আমাৰ ট্ৰলী কাৰ খন ৰ'লগৈ এখন artificial এখন মুকলি ঠাইত (যদিও প্ৰকৃততে মুকলি নহয়)। হঠাতে ভূমিকম্প আহিল আৰু বিজুলী ঢেৰেকণিৰে ধুমুহা ববলৈ ধৰিলে। দুখন গাড়ী মুখা-মুখি সংঘৰ্ষ হৈ জ্বলি গ'ল। এখন হেলিকপ্টাৰ ওপৰৰ পৰা মাটিত সৰি পৰি চূৰ্ণ-বিচুৰ্ণ হৈ জুই লাগি গ'ল।



ওচৰৰ electric post বোৰত হোৱা spark বোৰৰ আঙঠাবোৰ আমাৰ ওচৰে পাজৰে পৰিবলৈ ধৰিলে। মুঠতে প্ৰাকৃতিক দুৰ্যোগৰ এনে এটা পৰিবেশ সৃষ্টি হ'ল যে কৃত্ৰিম বুলি ভাবিবই পৰা নাযায়। এই তাণ্ডবলীলা প্ৰায় ১০ মিনিট ধৰি চলিছিল।

(E) এইবাৰ আমাৰ ট্ৰলী কাৰ খন মুকলি ঠাই এডোখৰত ৰ'লগৈ। দুয়োফালে গছ্-গছনি আৰু বেছ নিৰিবিলি। আকাশ পৰিষ্কাৰ— প্ৰচণ্ড ৰ'দ। গাইডজনীয়ে ক'লে— আজি বতৰ মুকলি, পিছে আপোনালোকে সূৰ্যৰ তাপ বেছি পাইছে ছাগৈ। কৈ শেষ কৰিছেহে কেইচপৰা মান ক'লা মেঘ আকাশত দেখা গ'ল। চাওঁতে চাওঁতে গোটেই আকাশ ক'লা মেঘে ছাটি ধৰিলে। দহমিনিটৰ ভিতৰতে বতাহ বৰষুণ আৰম্ভ হৈ এক তাণ্ডবলীলাৰ সৃষ্টি কৰিলে। সকলোফালে খোলা গাড়ীখনত (ওপৰত চালিখনহে আছে) আমি তিতি জুৰুলি জুপুৰি হ'লো। এনেতে গাইডজনীয়ে চিঞৰিবলৈ ধৰিলে— সৰ্বনাশ সৰ্বনাশ। বাওঁফালে চোঁৱা। সকলোৱে সাৱধান হোৱা— হেণ্ডেলত ধৰি থাকা। flash flood আহিছে। বাওঁফালে চাই দেখো— সঁচাই সৰ্বনাশ। হিলদ'ল ভাঙি বাৰিষাৰ ঢল আহিছে। প্ৰায় চাৰিফুটমান ওখহৈ এটা পানীৰ সোঁত শুকান মাটিৰ ওপৰেৰে দূৰৰ পৰা প্ৰচণ্ড গতিত আহি আছে আমাৰ ফালেই। সোঁতৰ হেঁচা সহিব নোৱাৰি ডাঙৰ গছবোৰ ঢম্ ঢম্ কৈ মাটিত বাগৰি পৰিছে। চকুৰ পচাৰতে আমাৰ গাড়ীখনত জোকাৰ এটা মাৰি আমাৰ জোতা তিয়াই পানীৰ সোঁতটো পাৰ হৈ গ'ল। তাৰ পিচতে নিজে নিজে বাগৰি পৰা গছবোৰ উঠি থিয় হ'ল। আকাশ পৰিষ্কাৰ হৈ সূৰ্য ওলাল। ৫ মিনিটৰ ভিতৰতে সকলো স্বাভাৱিক হৈ পৰিল। এইবোৰ মেজিক নে সপোন— চিন্তা কৰিলো।

(F) আমাৰ গাড়ী ৰ'লগৈ এটা প্ৰকাণ্ড ঘৰৰ সমুখত, দুচলীয়া টিনৰ ঘৰ যদিও ওখ প্ৰায় তিনিমহলীয়া ঘৰ এটাৰ সমান, ভিতৰত সোমাই চিৰি বগাই বহুত ওপৰলৈ উঠি এখন প্লেটফৰ্মত থিয় হ'লোগৈ। সেইটো হেনো পুৰণি চিনেমা এখনৰ ছেট। এটা বৃহৎ ৰাসায়নিক লেবৰেটৰী। বহুত Scientist আৰু সহায়কাৰী সকলে বিভিন্ন যন্ত্ৰপাতিত কাম কৰি আছে। হঠাতে ৰাসায়নিক পদাৰ্থ থোৱা ডাঙৰ পাত্ৰ এটা বিস্ফোৰিত হৈ জুই জ্বলি উঠিল। কামকৰা মানুহবোৰে প্ৰথমতে জুই নুমাবলৈ চেষ্টা কৰিছিল যদিও আৰু কেইটামান পাত্ৰত বিস্ফোৰণ হৈ গোটেইখন জুই-ধোৱাই ছাটি ধৰিলে। মানুহবোৰ যেনিয়ে তেনিয়ে পলাই পটং দিলে যদিও মুহূৰ্তৰ ভিতৰতে প্ৰলয়ৰ সৃষ্টি হ'ল। জুইৰ তাপত কেমেৰাৰ লেন্স বেয়া হৈ যায় বুলি ঢাকি থ'লো। গোটেই ঘৰটোৰ ভিতৰত দাঠ দাঠকৈ জুই জ্বলি আছে আৰু আমি সেই ঘৰটোৰ ভিতৰত সৰু এখন প্লেটফৰ্মত থিয় হৈ আছো। ভুতৰ ওপৰত দানহ পৰাদি এইবাৰ চিলিঙ আৰু অ'ৰ ত'ৰ লোহাৰ Beam বোৰ খহি ভাঙি পৰিবলৈ ধৰিলে। আমাৰ মূৰতো পৰিব নেকি? অজানিতেই মূৰৰ ওপৰলৈ হাতখন উঠি গ'ল। থিক তেনেতেই

কেৰেক্ কৈ শব্দ এটা আমি থিয়হৈ থকা দীঘলীয়া প্লেটফৰ্মখনৰ এটা মূৰ এফুটমান খহি পৰিল। সাংঘাটিক shock এটা খোৱা হ'ল। বেছিভাগ মানুহেই আৰ্তনাদ কৰি উঠিল। সেইটোৱেই আছিল last demonstration । তাৰ পিচত আমি ওলাই আহো মানে সকলো অকৌ স্বাভাৱিক হৈ পৰিল।

(G) এটা 'Under The Sea' ride অত উঠিছিলো। এটা Submarine জাতীয় ৰূমত প্ৰায় ২৫ জন মান মানুহ seat অত belt লগাই বহি পৰিলো। লাইট নুমাই দি ঘোষণা কৰিলে— আপোনালোকক এতিয়া সাগৰৰ তললৈ exploration অত লৈ যোৱা হ'ব। বহুবছৰৰ আগতে সাগৰ তলিত ধ্বংসপ্ৰাপ্ত হৈ পৰি থকা এখন জাহাজ পৰ্য্যবেক্ষণ কৰিবলৈ আপোনালোক সাজু হওক। ইয়াৰ পিছত ইঞ্জিন start হ'ল। সমুখত দেখা পালো ইপাৰ সিপাৰ নেদেখা সাগৰ। আমাৰ যানখনে খুব কোবেৰে গৈ আছে যেন এখন মেচিন নাওহে। অলপ পিচতে ঘোষণা কৰিলে এতিয়া আমি তললৈ ডুব মাৰিম। Seat belt থিকমতে লগাইছেনে নাই চাই লওক। ক্ষন্তেক পিচতে আমাৰ যানখন পানীৰ তললৈ ডুব মাৰিলে। সাগৰ তলৰ মাছ, আৰু অন্যান্য জীৱ-উদ্ভিদ আদি দেখি ভাল লাগিল। সাগৰ তলিৰ পাহাৰ-পৰ্বত বোৰৰ ফাকে ফাকে গৈ থাকি আমি জাহাজৰ ভগ্নাৱশেষৰ ওচৰ পালোগৈ। আমাৰ যানখন সৰু আছিল বাবে ভঙা জাহাজখনৰ ভিতৰতো সোমাব পৰা গ'ল। অ'ত ত'ত সিচৰতি হৈ পৰি থকা বাচন বৰ্তন, নৰ-কঙ্কাল আদি দেখি বেয়া লাগিল। ইমানখিনিলৈকে থিকেই আছিল। বিপদ হ'ল ওভতনী যাত্ৰাতহে। হঠাতে যান্ত্ৰিক বিজুতি হৈ আমাৰ যানখনে নিয়ন্ত্ৰণ হেৰুৱাই পেলালে । প্ৰচণ্ড গতিত যেনি তেনি চলিবলৈ ধৰিলে। সন্মুখত দেখা গ'ল এটা পাহাৰ। তীব্ৰ গতিত যোৱা যানখনে নিশ্চয় খুন্দা মাৰিব। আতঙ্কত সকলোৱে চিঞৰি উঠিল। চালকে বহুত চেষ্টা কৰা সত্বেও বাওঁফালে সৰু খুন্দা এটা মাৰিলে। seat belt নমৰা হ'লে উফৰি পৰিলোহেঁতেন। যানখন জোকাৰ খাই খাই একে গতিবেগতে চলি থাকিল। এইবাৰ দেখিলো আগলৈ ওলাই থকা শিলৰ পাহাৰ এটাৰ তলেৰে যানখন যাব খুজিছে যদিও মূৰ বচাই যোৱা অসম্ভৱ। যিটো ভয় কৰিছিলো সেইটোৱেই হ'ল। যানখনৰ ওপৰ ভাগ বিৰাট শব্দ কৰি শিলডোখৰত খুন্দা মাৰি অচল হৈ ৰৈ গ'ল। ওপৰৰ চিলিং ফুটি বৰষুণ পৰাদি আমাৰ গাত পানী পৰিবলৈ ধৰিলে।

লাইট জ্বলি উঠিল। দেখিলো আমি ক'ত সাগৰৰ তলিলৈ গৈছো? সেই একেটা কোঠাতে seat belt মাৰি বুৰ্বকৰ দৰে বহি আছো। সঁচাই কিবা ভেলকী বাজী যেনহে লাগিল।

(H) থিক এনেকুৱা এটা যান ride অতে আৰু এবাৰ উঠিছিলো। নাম Back to the future। চাৰিজন 'মহাকাশ যাত্ৰী' বহিব পৰা 'যান' এখনত seat belt



মাৰি বহিলো। আচলতে সেইটো এটা সৰু কোঠা। লাইট নুমুৱাৰ পিচত প্ৰচণ্ড গতিৰে আমাৰ যানখনে পৃথিৱী এৰি মহাকাশ পালেগৈ। একেধৰণৰ মহাকাশ যান ইফালে সিফালেও দেখিবলৈ পালোঁ। এটা গ্ৰহৰ খুব ওচৰেদি যাওঁতে দেখিলো আগ্নেয়গিৰি। অন্য এটা গ্ৰহত দেখিলো আচৰিত জন্তু। এটা প্ৰকাণ্ড ডাইন'চৰোচে প্ৰকাণ্ড মুখখন মেলি আগতে ওলালে যদিও আমাক কামুৰিব নোৱাৰিলে। কিন্তু অলপ দূৰত দেখিলো অন্য এটা ডাইন'চৰোচে বেলেগ এখন মহাকাশ যান কামুৰি চূৰ্ণ-বিচূৰ্ণ কৰি দিলে। মোৰ হাতত এটা কেমেৰা আছিল। কিন্তু যানখনে যি দুৰ্ব্বাৰ গতিত জোকাৰ মাৰি মাৰি ইফালে সিফালে চলিছিল, কেমেৰাটো এটা হাতেৰে ডাঙি ধৰি থকাৰ বাহিৰে একো কৰিব পৰা নাছিলো। নিজক চম্ভালি থকাটোহে তেতিয়া ডাঙৰ কথা আছিল। যিয়েই নহওক কিছুমান দৃশ্য কেমেৰাই থিকেই বন্দী কৰিছিল। চোৱা হোৱাত গম পালো— আমি কোঠা এৰি আচলতে ক'তো যোৱা নাছিলো।

লচ্ এঞ্জেলচৰ পৰা বিমানেৰে নামিলোগৈ Las vegas অত। মাত্ৰ দুৰাতি থাকিম। হোটেলত আগতীয়াকৈ Book কৰা আছে। মস্ত মস্ত চুটকেচ তিনিটা কঢ়িয়াই ফুৰাতকৈ ভাবিলো ব্যৱস্থা আছে যদি Air-port অতে থৈ অকল হেণ্ডবেগ কেইটা লৈয়ে হোটেললৈ যাওঁগৈ। পৰিহিলেতো এইটো বিমান বন্দৰৰ পৰাই ছানফ্ৰান্সিসকোলৈ যোৱা হ'ব। Information counter লৈ গৈ সুধিলো— ব্যৱস্থা আছে নেকি? তাৰ ছোৱালীজনীয়ে হাঁহি এটা মাৰি Air-port বিল্ডিংটোৰ মেপ এখন উলিয়াই ৰঙা চিয়াহিৰে direction টো আঁকি দিলে— কেনেকৈ যাব লাগিব। মিচিকিয়া হাঁহিটো প্ৰায় সকলো আমেৰিকানৰ ক্ষেত্ৰতে দেখিলো— লাগিলে বেংকৰ কেচিয়াৰেই হওক বা বাচৰ ড্ৰাইভাৰেই হওক। বিৰক্তি পাইছে, সেইটো কেতিয়াও নেদেখুৱায়। সহায় কৰিবলৈ যেন খুব আগ্ৰহী। বিৰক্ত কৰিছো নেকি নিজেই বুজিব লাগিব। যিয়েই নহওক মেপ অনুসৰণ কৰি ৩ মহলাৰ পশ্চিম ফালৰ শেষ প্ৰান্তত Cloak room টো পালোগৈ। সুধি গম পালো তিনিটা চুটকেচত দুৰাতি ৰখা ভাড়া আমাৰ হিচাপত প্ৰায় ডেৰ হাজাৰ টকা। না বা না, ঘূৰি আহিলো। বাটত লগ পালো সেই information counter ৰ ছোৱালীজনী। সুধিলে— বিচাৰি পালানে? ক'লো— পালো, পিছে নথঁও। বহুত চাৰ্জ। ছোৱালীজনীয়ে কিবা এটা চিন্তা কৰি ৰিণিক শুধিলে— খোজ কাঢ়িব পাৰিবা? ৰিণিয়ে (মানে পৰিবাৰে) পাৰিম বুলি ক'লত আগবাঢ়িলো ট্ৰলিখন ঠেলি ঠেলি। বহুত অকাই পকাই একেটা বিল্ডিঙৰে বেলেগ এটা চুকত পালোগৈ অন্য এটা Cloak room। তাতো সেই একেই, অলপহে কম— প্ৰায় বাৰশ টকা। ছোৱালীজনীক ক'লো— ইয়াতো নহ'ব। তাই ক'লে ৰাস্তাৰ সিপাৰে private cloak room এটা আছে বুলি তাই জানে। ইচ্ছা

কৰিলে চেষ্টা কৰি চাব পাৰোঁ। আকৌ তাইৰ পিছে পিছে ট্ৰলী ঠেলি আগবাঢ়িলোঁ। ট্ৰেফিক ফালি কোনোমতে পালোগৈ। কিন্তু ইয়াতো কম নহয়। প্ৰায় এহেজাৰ টকা লাগিব। সেমেনা সেমেনি কৰি ছোৱালীজনীক ক'লো— আমি অপাৰগ। চুটকেচ্ কিটা হোটেললৈকে লৈ যাম। তোমাক মিছাকৈ ইমান কষ্ট দিলো। তাই বুজিলে এই কেইটা ক'ৰবাৰ কঙাল, পইচা-পাতি নাই। সুধিলে তোমালোকৰ হাতত পইচা কম আছে বুলি বুজিলো, কিন্তু হোটেললৈ কেনেকৈ যাবা? ক'লো ঃ টেক্সিত। তাই ক'লে ঃ টেক্সীত লাগিব প্ৰায় ৭৫ ডলাৰ (মানে প্ৰায় আঢ়ৈ হাজাৰ টকা)। তাতকৈ Share van বন্দবস্ত কৰি দিওঁ ব'লা— ১০ ডলাৰতে হ'ব। Van ৰ ওচৰ পাই চুটকেচবোৰ উঠোৱাতো সহায় কৰি দিলে। driver অকো কিবা-কিবি নিৰ্দ্দেশ দিলে। কৃতজ্ঞতাত মুৰ দো খাই গ'ল। অশেষ ধন্যবাদ দি সুধিলো ঃ তুমি যে আধাঘণ্টা আমাৰ কাৰণে নষ্ট কৰিলা, duty ত অসুবিধা হোৱা নাইনে? তেওঁ হাঁহি উত্তৰ দিলে ঃ মই duty শেষ কৰি ঘৰলৈ ওলাওঁতেহে তোমাক লগ পালো। তাৰোপৰি duty time ৰ ভিতৰতে হওক বা বাহিৰতে হওক পৰ্য্যটকক সহায় কৰাই আমাৰ কৰ্তব্য। তাতে তোমালোক বিদেশী।

এই সামান্য ঘটনাটোৱেই বহল আমেৰিকান মনোবৃত্তিৰ পৰিচয় নিদিয়েনে বাৰু?

(৮) Las-vegas চহৰখন সন্ধিয়াৰ লগে লগে এখন সপোনপুৰীত পৰিণত হয়। বিজুলী চাকিৰ বিভিন্ন কাৰুকাৰ্যৰে ৰাস্তা-ঘাট ৰঙচঙীয়া হৈ পৰে। ৰাতি বাৰ বজাতো আমি এইবোৰ চাই চাই আপোন-পাহৰা হৈ ৰাস্তাত ঘূৰি ফুৰিছিলো। সম্পূৰ্ণ নিৰাপদ এই চহৰ। সৌন্দৰ্যৰ তুলনাত পৃথিৱীৰ অন্যতম। Casino বা জুৱাৰ কাৰণে পৃথিৱী বিখ্যাত। বোধকৰোঁ এক নম্বৰ। আমি থকা হোটেলটোৰ নাম আছিল Circus-Circus। চহৰৰ সৰ্ব্বশ্ৰেষ্ঠ তিনিটা হোটেলৰ অন্যতম। হোটেলৰ Casino ইমান ডাঙৰ যে একো উৱাদিহেই পোৱা টান। লগৰ জন হেৰালে বিচাৰি পোৱা প্ৰায় অসম্ভৱ। Additional attraction হিচাপে ইয়াত ২৪ ঘণ্টাই free circus চলি থাকে। Casino খেলি আমনি লাগিলে বহি বহি চাৰ্কাচকে চাই থাকিব পাৰি।

এটা বিৰাট এলেকা জুৰি হোটেলখন। নাম register কৰাৰ পিচত নিজৰ room লৈ খোজ কাঢ়ি যোৱা সম্ভৱ নহয়। হোটেলৰে free mono rail service আছে। যিহেতু হোটেলৰ আচল আয় হয় casino ৰ পৰা। সেই কাৰণে ইয়াৰ হোটেলবোৰত থকা-খোৱা অস্বাভাৱিকভাৱে সস্তা। অথচ সা-সুবিধা আমাৰ 5 Star হোটেলতকৈও বহুত গুণে ভাল।

Las vegas ৰ casino বোৰৰ বিষয়ে অলপ কোৱা যাওক। ২৪ ঘণ্টাই চলি থকা এই casino বোৰৰ বেচি ভাগেই মেচিনেৰে খেলিব লাগে। শ-শ বেলেগ



খেল খেলা মেচিন বোৰত কেনেকৈ খেলিব লাগে নিৰ্দ্দেশ লিখা থাকে। কোনো দিন নেখেলা মানুহেও ৫/১০ মিনিটতে শিকি ল'ব পাৰে। জুৱাৰ ৰাজ্য এই চহৰত থিয় হৈও জুৱা খেলিব পাৰি বহিও খেলিব পাৰি Lunch খাই থাকোতেও পাৰি, toilet অত বহি থাকোতেও পাৰি, বাছত travel কৰি থাকোতেও পাৰি, সাৰ পাই থাকোতেও পাৰি, টোপনিত ঘোৰ ঘোৰাই থাকোতেও পাৰি। প্ৰথমতে শুনি অদ্ভুত যেন লাগিছিল। আচলতে computerised machine টো book কৰি programme টো নিজ ইচ্ছাৰে কৰি শুই থাকক। সি আপোনাৰ হৈ খেলি থাকিব। শুই উঠি হয়তো দেখিব Machine ৰ ট্ৰেত এহেজাৰ ডলাৰ পৰি আছে। আৰু যদি ভাগ্য বেয়া দেখিব ৰঙা লাইট জ্বলি আছে। অৰ্থাৎ আপোনাৰ সব পইছা সি হাৰিল।

সেইদিনা ৰাতিপুৱা ব্ৰেকফাষ্ট কৰি উঠিয়েই কম পইচীয়া (২৫ চেণ্টৰ) মেচিন এটাত খেলিবলৈ ল'লো। মাজে মাজে পাইছো, মাজে মাজে হাৰিছো। মোৰ ওচৰৰে একে ধৰণৰ মেচিন এটাত এজনী চাইনীজ চেহেৰাৰ ছোৱালীয়েও খেলি আছে। তাই বোধকৰোঁ বেয়াকৈ হাৰিল। খঙতে ভুকু এটা মাৰি তাই বেলেগ এটা মেচিনলৈ গুচি গ'ল। মেচিনটো খালি হোৱা দেখি, মোৰটো পৰিবাৰক খেলিব এৰি দি সিটো মেচিনত ২৫ চেণ্ট সুমুৱাই spining knob টো টিপি দিলো। অবিশ্বাস্য ঘটনাটো তেতিয়া ঘটিল। মেচিনটোৱে 'Jack Pot' show কৰিলে আৰু এটা music বাজি উঠিল। ওপৰৰ ৰঙা নীলা লাইট কেইটা music ৰ লগে লগে জ্বলা-নুমা কৰি নাচিবলৈ ধৰিলে। আৰু এইয়া কি? হৰ হৰ হৰ হৰ কৈ ২৫ চেণ্টৰ মুদ্ৰাবোৰ মেচিনটোৰ ট্ৰেত পৰিবলৈ ধৰিলে। লেঠাৰী নিচিগাকৈ। ওচৰৰ খেলি থকা মানুহ খিনি জুম্ কৰিলেহি ওচৰত। হাত মিলাই congratulate কৰিলে। মই জিকিলো ১১০০ ডলাৰ মানে ভাৰতীয় হিচাপত প্ৰায় পঁয়ত্ৰিশ হাজাৰ টকা। দুগৰাকী কৰ্ম্মকৰ্তা দৌৰি আহি ক'লেহি— আপুনি মেচিন এৰি নাযাব। আমাৰ কেচিয়াৰ আহি আছে।

ইতিমধ্যে পইচা পৰা শেষ হৈছিল। মেচিনৰ display board অত দেখা গ'ল

Won $ 1100

Paid $ 400

অৰ্থাৎ ৪০০ ডলাৰ দিয়াৰ পিচত মেচিনৰ জমা পইচা শেষ। বাকী সাতশ ডলাৰৰ খমখমীয়া নোট কেচিয়াৰজন আহি হাতে হাতে দিলেহি। এতিয়া মেচিনৰ পৰা পোৱা চাৰিশ ডলাৰৰ খুচুৰা মুদ্ৰাবোৰ প্লাষ্টিকৰ বাল্টিত ভৰালো। কাউণ্টাৰ পালোগৈ। প্ৰথমতে ভাবিছিলো এইবোৰ গন্তি কৰোতেই দেখোন এঘণ্টা লাগিব। counter ৰ ছোৱালী জনীৰ নিৰ্দ্দেশ মতে প্ৰকাণ্ড চালনী সদৃশ মেচিনটোত ঢালি দিলো। মেচিনে একমিনিটতে গন্তি কৰিলে। ছোৱালীজনীয়ে ১০০ ডলাৰৰ চাৰিখন

নোট দিলে।

দেখিলো আজি ভাগ্য সুপ্ৰসন্ন। আৰু দুই এঠাইত খেলি চাওচোন। ভাগ্য সেইদিনা সঁচাই ভাল আছিল, য'তেই খেলিছো, ত'তেই পাইছো। এটা সোণৰ মুদ্ৰাও পালো। এইদৰে Jack-pot পোৱাৰ পিছতো সৰু সুৰাকৈ মুঠতে জিকিলো আৰু ডেৰশ ডলাৰ, মানে প্ৰায় পাচহেজাৰ টকা। খুব লৰা-লৰি কৰিব লগা হৈছে। কাৰণ plane ৰ সময় দুপৰীয়া বাৰ বজাত, ইপিনে টকা পাই নিচাও লাগিছে। অনিচ্ছা সত্বেও Light Lunch এটা নাকে মুখে গুজি টেক্সীত উঠিলো। এই casino বোৰত মানুহে হাৰি হেনো সৰ্ব্বশ্ৰান্ত হৈ যায়। মোৰনো কি সৌভাগ্য। চাইনীজ ছোৱালীজনীৰ দুৰ্ভাগ্যৰ কথা ভাবিলো। তাই আৰু এবাৰ ২৫ চেণ্ট দি খেলা হ'লেই Jack-pot টো তাইহে পালেহেঁতেন।

এয়াৰ প'ৰ্টত বিপদ ঃ যি ভয় কৰিছিলো সেইটোৱেই হ'ল। ট্ৰেফিক আজি বেয়া হোৱা বাবে আপ্ৰাণ চেষ্টা কৰিও টেক্সীয়ে সময়মতে পঙ্ছাব নোৱাৰিলে। প্লেন ছাগৈ গ'লগৈ। কি কৰো এতিয়া। নতুন টিকট কিনিববৈলে লাগিব ছশ ডলাৰ। Casino অত জিকা পইচাৰেই ল'ব লাগিব। খুব দুখ লাগিল। কাৰণ এই জিকা পইচা খিনিৰে Paris লৈ যাম বুলি থিক কৰিছিলো। Plane টো আমাৰ কাৰণে ৰৈ থকা নাই। যোঁৱা এমাহৰ অভিজ্ঞতাৰ পৰা জানিছিলো আমেৰিকাৰ প্লেনৰ সময়ত ৫ মিনিট হেৰ ফেৰ নহয়। তথাপি ভাবিলো এবাৰ সুধি চাঁও কি কৰিব পাৰি। কিন্তু দেৰী হোৱাৰ কি excuse দিম। casino খেলোতে wife হেৰাই গ'ল, বিচাৰোতে দেৰী হ'ল? ধেৎ সেইটোও এটা excusc হ'ল নেকি? নে ক'ম, মই অহা গাড়ীখনৰ চকা ফুটি লটিঘটি হ'ল বুলি? আমেৰিকাৰ এইবোৰ tubeless tyre ফুটে বা নুফুটে? বহুত ভাবিও একো পাৰ পোৱা নাই chech-in-counter অত থকা ছোৱালীজনীৰ ওচৰলৈ গৈ বৰ অমায়িকভাৱে মেহেঙা মেহেঙকৈ দেৰি হোৱাৰ কাৰণ ব্যাখ্যা কৰি আছো। তাই কিন্তু শুনিববৈলে বিশেষ আগ্ৰহ নেদেখুৱাই হাতখন মেলি মাত্ৰ কৈ আছে— 'Let me sce your tickets'। মই ক'লো এই কেইখন পুৰণি টিকট কি কৰিবা? প্লেন গ'ল যেতিয়া expiry হৈ গ'ল। নতুন টিকট..... মই এইবোৰ কিবা কিবি বকি আছিলো যদিও ব্যস্ত কৰ্ম্মচাৰী জনীয়ে ইতিমধ্যে নিজৰ সন্মুখত থকা Computer টোত ব্যস্ত হৈ পৰিছিল। এক মিনিটৰ পিচত খুব নম্ৰভাৱে তেওঁ ক'লে— 'You are lucky'। আমাৰ American Airlines ৰ next flight অত দুটা seat আছে। কিন্তু সেই plane আৰু এঘণ্টাৰ পিচতহে যাব। তোমাৰ কিবা অসুবিধা হ'ব নেকি? অসুবিধাহু হাততে স্বৰ্গ ধৰি পালো আৰু তুমি কৈছা অসুবিধাৰ কথা? মনৰ ভাব লুকুৱাই ক'লো 'তাতে দিয়া, কোনো অসুবিধা নহয়'। তেওঁ endorsement কৰি থাকোতেই মনৰ খুদুৱনি মাৰি সুধিলো— 'তুমি যে অসুবিধাৰ কথা কৈছিলা, অসুবিধা হ'লেই জানিবা, তুমিনো



কি কৰিব পাৰা?' তাই ক'লে 'তেনে ক্ষেত্ৰত তোমাক মই বেলেগ কোম্পেনীৰ এয়াৰ লাইনচত পঠাই দিম। Continental Airlines ৰ Plane এখন ১৫ মিনিটৰ পিচতে গৈ আছে।' গ্ৰাহকৰ প্ৰতি কি সুন্দৰ আচৰণ। নিজৰ লোকচান কৰি গ্ৰাহকক সন্তুষ্ট ৰখাৰ মানসিকতা আমাৰ দেশৰ মানুহে বাৰু কেতিয়া আয়ত্ব কৰিব? ভাৰতত হোৱা হ'লে আজি মোৰ কি অৱস্থা হ'লহেঁতেন? প্লেন ধৰিব নোৱাৰিলে Indian Airlines এ এক পইচাও নুঘূৰায়। আমেৰিকাৰ Plane travel আমাৰ দেশৰ Bus travel অতকৈও সহজ। Check-in, Luggage আদি ইমান সহজ আৰু খৰতকীয়া যে প্ৰথমতে কল্পনাই কৰিব নোৱাৰিছিলো। যিয়েই নহওক দুপৰীয়া এক বজাৰ প্লেনত উঠি বহি স্বস্তিৰ নিশ্বাস পেলালো।

কেইখনমান অন্যান্য সৰু চহৰত ঃ

(a) **San Antonio :** Amusement Park ত গোটেই দিনটো আনন্দেৰে কটালো। পৃথিৱীৰ বিভিন্ন দেশৰ পৰ্য্যটকৰ ভিৰ ইয়াত। তাতে এটা show চাইছিলো। চিনেমা হলটোৰ ভিতৰত সোমালো। বহিবৰ কাৰণে ব্যৱস্থা নাই। সকলোৱে মাটিতে বহিছে। এটা ডাঙৰ ঘূৰণীয়া হল ঘৰ। চিলিং খন প্লেনিটৰিয়ামৰ দৰে dome আকৃতিৰ। কিন্তু পৰ্দা ক'ত? চিনেমা দেখুৱা কথাহে আছিল। নিৰ্দ্দিষ্ট সময়ত সংকেট বজাৰ লগে লগে সকলো মানুহ ওপৰলৈ মূৰ কৰি শুই পৰিল। আমিও শুই দিলো। চিনেমা আৰম্ভ হ'ল ওপৰৰ চিলিঙত। ইমান জীৱন্ত দৃশ্য— মাজে মাজে ভয়ানক দৃশ্য দেখিলে মুখ ঘূৰাই যায়। তেনে এখন ছবি চাইছিলো হিউষ্টনত। অৱশ্যে চকীত বহি। সেই পদ্ধতিটোক 3-D, I-MAX Theatre বুলি কয়। গোটেই পৃথিৱীত মাত্ৰ তিনি ঠাইতহে এই ব্যৱস্থা আছে। ভয়লগা দৃশ্যবোৰ ইমান জীৱন্ত যেন লাগে যে (আগতে নিৰ্দ্দেশ দিয়া মতে) ভয়ত আমি চকু মুদি দিওঁ।

গধূলি আমি গৈছিলো River walk লৈ। এখন খুব সৰু নদী। দুয়োপাৰ পকাৰে বন্ধোৱা আৰু ইপাৰ সিপাৰ হ'বলৈ অলপ দূৰে দূৰে দলংবোৰ। দোকান-পোহাৰ বোৰ লাইটেৰে জকমকাই আছে। বিভিন্ন খোৱা-বস্তুৰ হোটেলবোৰৰ বেলকনিত বহি সন্ধিয়াৰ এই দৃশ্য উপভোগ কৰিছে পৰ্য্যটকসকলে। নৈখনৰ দুয়োপাৰে খোজকাঢ়ি ফুৰিবলৈকে ভাল লাগে। এই একমাত্ৰ River walk ৰ আনন্দ লভিবলৈকে বিভিন্ন প্ৰান্তৰ পৰা মানুহ আহি ইয়াত ভিৰ কৰেহি।

(b) **Kemah :** সমুদ্ৰ তীৰৰ এই সৰু চহৰখন sea food ৰ কাৰণে বিখ্যাত। হোটেলবোৰত ভিৰ। এখন হোটেলত আধাঘণ্টা ৰোৱাৰ পিচত টেবুল পালো। বহি থাকোতে লক্ষ্য কৰিলো পৰিচাৰিকা কেইজনীয়ে দৌৰি দৌৰি পৰিবেশন কৰিছে গ্ৰাহকক। যেন এক চেকেণ্ডো অবাবত নকটাব। ইমান চিটিকি ফুৰাৰ কাৰণটো পিছত বুজিলো। প্ৰত্যেকখন টেবুল পৰিবেশন কৰাৰ অন্তত পৰিচাৰিকাজনীয়ে পৰিশোধ

কৰা বিলখন লৈ মেচিন এটাত সুমুৱাই দিয়ে। মেচিনটোৰ পৰা থলৰ্ থলৰ কৈ কেইটামান ডলাৰ পৰে, আৰু তাই এপ্ৰনৰ পকেটত সুমুৱাই। অৰ্থাৎ হোটেল কৰ্তৃপক্ষই সিহঁতক দিয়া অতিৰিক্ত incentive।

আমি আমেৰিকাত থাকোতে আমেৰিকান আহাৰৰ উপৰিও ইটালীয়ান, ফৰাচী, চাইনীজ, মেক্সিকান খাদ্য হোটেলবোৰত খাইছিলো। মেক্সিকান খাদ্য ভাৰতীয়ৰ লগত খুব মিলে। Tortila একেবাৰে আমাৰ শুকান ৰুটী। মচলা দিয়া মাংসৰ জোলো পোৱা যায়। Encilidas টো খাই ভাল পাইছিলো।

(c) **Galvastone & Moody Garden :** মেক্সিকান উপসাগৰৰ তীৰত অৱস্থিত এই সৰু চহৰখনৰ বৈচিত্ৰতাখিনি ভাল লাগিছিল। মেক্সিকোৰ সীমান্তৰ ওচৰতে বাবে ইয়াৰ পৰাই সেইখন দেশ দেখা যায়। ৰাস্তা-ঘাট, ঘৰ-দুৱাৰ আদি বেছ পুৰণিকলীয়া। আধুনিক আমেৰিকান চহৰবোৰৰ লগত যেন অমিল। আওপুৰণি ঘোঁৰাই টনা ট্ৰাম গাড়ী, ঘোঁৰা গাড়ী আদি ৰাজপথত চলি ফুৰিছিল। বেছি মেক্সিকান বসতিপূৰ্ণ এই চহৰখনৰ দোকান-পোহাৰ বোৰো মেক্সিকান কুটীৰ শিল্পজাত সামগ্ৰীৰে ভৰা। মেক্সিকান মানুহবোৰ আমেৰিকানবোৰতকৈ সাধাৰণতে ৰূঢ়। এটা উদাহৰণ দিও। আমেৰিকান দোকানবোৰত খুব-ভদ্ৰ ভাষাত লিখা দেখা পাওঁ— Shop lifting (চুৰ কৰা) বৰ অন্যায়। নকৰিবা। কিন্তু ইয়াৰ এখন মেক্সিকান দোকানৰ সন্মুখত ফলকত লিখা দেখিলো— Shop lifter অক ধৰি পেটত গোৰ মৰা হ'ব, মুৰত টাঙোন মৰা হ'ব আৰু ৰাস্তাত চোচোৰোৱা হ'ব। তাৰ পিচতো যদি বাচি থাকে তেন্তে পুলিচত দিয়া হ'ব।

কিছু আঁতৰৰ Moody Garden চাবলৈ গ'লো। সকলো ফালেই চকু ৰৈ যোৱা সৌন্দৰ্য। সকলোতকৈ ভাল লাগিছিল— এটা প্ৰকাণ্ড আয়নাৰ পিৰামিডৰ ভিতৰত এখন সম্পূৰ্ণ rain forest। নিজৰা, সৰু সৰু জন্তু, চৰাই-চিৰিকতিৰে এখন স্বয়ং সম্পূৰ্ণ কিন্তু কৃত্ৰিম হাবি।

কিছু দূৰত জল-কেলিৰ ব্যৱস্থা। অৱসৰ বিনোদনৰ বাবে অতি উত্তম।

আৰু এটা বস্তু ভাল লাগিল— লেজাৰৰ খেল। Planetorium ৰ দৰে হল ঘৰ এটাৰ ভিতৰত বহি চাইছিলো লেজাৰ ৰশ্মিৰ দ্বাৰা দেখুৱা লাইটৰ বিভিন্ন খেলবোৰ বেচ ৰোমাঞ্চকৰ।

ছান ফ্ৰান্সিচকো ঃ প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ ছান-ফ্ৰান্সিচকো এখন পাহাৰীয়া চহৰ। আমাৰ শ্বিলঙৰ দৰে। আমেৰিকাৰ অন্য ঠাইৰ তুলনাত বেছ ঠাণ্ডা। বিমানেৰে আহি থাকোতে তলত দেখিছিলো বিখ্যাত ৰকী পৰ্ব্বতৰ কিছু অংশ। পাহাৰৰ শিখৰ শুভ্ৰ বৰফ আবৃত। কিন্তু পাহাৰৰ নামনি অত্যন্ত খৰাং— মৰুভূমি সদৃশ। এক অদ্ভুৎ দৃশ্য।



এখন মাৰ্চিদিজ বেঞ্জ লিমোচিন ভাড়ালৈ লৈছিলো। টেক্সীৰ তুলনাত ভাড়া বৰ এটা বেছি নহয়। ভিতৰত ৰাজকীয় সুবিধা। এই প্ৰকাণ্ড car খনৰ ভিতৰত দুয়ো ফালে চোফা। ড্ৰাইভাৰৰ লগত টেলিফোনেৰে যোগা-যোগ কৰিব লাগে। Cock tail cabin, TV, music system আদি সকলো আছে। ড্ৰাইভাৰে গাইডৰ কামো কৰে।

চানফ্ৰান্সিচকোত বোলে মানুহৰ সংখ্যাতকৈ গাড়ীৰ সংখ্যা বেছি। Parking space খুবেই সীমিত। বহুতে ঘৰৰ চাদৰ ওপৰত গাড়ী থয়।

ৰাস্তা-ঘাট পাহাৰীয়া যদিও সমতল অঞ্চলত চাইকেল-ৰিক্সা চলা দেখিছিলো। পুৰণি ট্ৰাম-কাৰ কিছুমান পৰ্য্যটকৰ আকৰ্ষণৰ বাবেই এতিয়াও চলাই আছে।

এটা বিস্তৃত এলেকাত গাড়ী ৰখাই গাইডজনীয়ে ক'লে— এই বৃহৎ অঞ্চলটো সমকামীসকলৰ বাসস্থান। তেওঁলোকৰ নিজা- ৰীতি-নিয়মহে ইয়াত চলে। মন কৰিছিলো— গোটেই অঞ্চলটোত ক'তো মহিলা এগৰাকীও দেখা নাপালো।

চোৰ-ডকাইত-ঠগ আমেৰিকাৰ কোনো কোনো ঠাইত আছে যদিও মুখা-মুখি হোৱাৰ দুৰ্ভাগ্য আমাৰ নহ'ল। বৰঞ্চ এবাৰ এখন বাছত মোৰ পৰিবাৰে নিজৰ বেগটোৰেই এৰি গৈছিল— বাছ বদলি কৰাৰ সময়ত। পিচত Bus terminus অত খবৰ কৰোতে পোৱা গ'ল। অৱশ্যে ঠগ্ এবাৰ পাইছিলো। চানফ্ৰান্সিচকোৰ এখন ফটোৰ যন্ত্ৰপাতি বেচা দোকানৰ আগেদি যাওঁতে দোকানীজনে মাতিলে। মালিকজন ভাৰতীয় বংশোদ্ভব। মোৰ কেমেৰাটোত ফিট্ হোৱা এটা বিশেষ গেজেট দেখুৱালে। দাম তুলনামূলকভাৱে সস্তা। অলপ দাম-দৰ কৰোতে মূল্য তাৰো আধাত দিবলৈ মান্তি হ'ল। কথাটো American standard অত স্বাভাৱিক যেন নালাগিল। নিকিনিলো। পিচত গম পালো এই ভাৰতীয় বংশোদ্ভব ব্যৱসায়ীবোৰ হেনো এক নম্বৰ ঠগ।

ছান-ফ্ৰান্সিচকোত আমাৰ তিনিটা বস্তু বৰ ভাল লাগিছিল।

(a) প্ৰথমটো হৈছে Golden Gate Bridge । এই বিশ্ব-বিখ্যাত ওলোমা দলংখনত যিমানবোৰ তীখাৰ ৰচী ব্যৱহাৰ কৰা হৈছে— এডালৰ পিচত সিডাল জোৰা লগালে চন্দ্ৰটো পাক মাৰি আহিব পাৰিব।

(b) দ্বিতীয়টো হ'ল Fisherman's wraff। পুৰণি কালত মাছমৰীয়া মতা মানুহবোৰ যেতিয়া সাগৰলৈ যায় গধুলি তিৰোতাবোৰ গোট খাইহি সাগৰ পাৰত নিজৰ নিজৰ স্বামী আদৰিবলৈ। লগত লৈ আহে চৌকা আৰু ৰন্ধা-বঢ়াৰ অন্যান্য সঁজুলি। এটা আনন্দমুখৰ পৰিবেশত তাতেই ৰন্ধা-বঢ়া কৰি ফুৰ্ত্তিৰে তেওঁলোকে মাছ ভাজি খায়। সেই পুৰণি ৰীতিটো স্মৰণ কৰিয়েই হয়তো এতিয়াও তাত তেওঁলোকে সৰু সৰু গুমটি কৰিছে— য'ত আছে পুৰণি ধৰণৰ জুই-চৌকাৰ খোলা।

বিক্ৰী কৰি আছে গৰম গৰম fresh মাছ, কেকোৰা, মিছা মাছ ভাজি ভাজি। এই ঠাইৰ পৰাই সাগৰত প্ৰমোদ ভ্ৰমণৰ সুবিধাও আছে জাহাজেৰে। আলকাট্ৰীচ নামৰ দ্বীপ এটালৈ নিয়ে। ইয়াৰ পুৰণি কাৰাগাৰটো আমাৰ তাহানিৰ কলীয়াপানীৰ দৰেই কুখ্যাত।

(c) তৃতীয়টো হৈছে Red wood Forest। সূৰ্যৰ কিৰণ সোমাব নোৱাৰা এই ডাঠ হাবিখনৰ মাজেদি পৰ্যটকৰ কাৰণে লুঙলুঙীয়া ৰাস্তা বনোৱা আছে। এনে হাবি পৃথিৱীত মুঠতে হেনো তিনিখনহে আছে। প্ৰায় এঘণ্টা ঘুৰি ফুৰিলো। জন্তু কিয় চৰাই-চিৰিকতিৰ মাত এটাও নুশুনিলো। গাইড জনীক সোধাত ক'লে— সূৰ্য নোসোমোৱা হাবিত চৰায়ে বাঁহ ল'ব কিয়? হয়তো!

ডালাচ আৰু ফৰ্টৱৰ্থ চহৰত ঃ এখন সৰু প্ৰাইভেট আকাশীযানেৰে এবাৰ হিউষ্টনৰ পৰা ডালাচ চহৰলৈ গৈছিলো। ব্যৱসায়িক airline নহয় যদিও যাত্ৰীক আপ্যায়নৰ সুন্দৰ ব্যৱস্থা। ভূপৃষ্ঠৰ পৰা কম উচ্চতাত তলৰ দৃশ্যৱাজি চাই গৈ বেয়া নালাগিল। সোঁৱে বাঁৱে আমাৰ নিচিনা সৰু সৰু বিমান বহুত উৰি থকা দেখিলো। প্ৰত্যেকখনেই কণ্ট্ৰল ৰুমৰ নিৰ্দেশত বেলেগ বেলেগ উচ্চতাত অলপ উৰে বাবেই বোধকৰো দুৰ্ঘটনা হোৱাৰ ভয় নাথাকে।

(A) ডালাচৰ বিশ্ববিখ্যাত 'The sixth floor' চাই মনটো অজানিতেই সেমেকি গৈছিল। Taxas state ৰ এই চহৰখন এই ছয়মহলীয়া ঘৰটোৰ বাবেই আজি পৰ্যটকৰ আকৰ্ষণ হৈ পৰিছে। এসময়ত এই ঘৰটোৰ নাম আছিল Taxas Book Depositon। আজি ২০ বছৰৰ আগতে এই ঘৰটোৰ ছয়মহলাৰ খিৰিকি এখনৰ পৰাই গৰজি উঠিছিল লি হাৰ্ভে অচৱাল্ডৰ সেই telescopic ৰাইফলটো। লগে লগে ঢলি পৰিছিল গাড়ীত ৰাস্তাৰে গৈ থকা সেই সময়ৰ আমেৰিকাৰ ৰাষ্ট্ৰপতি জন এফ কেনেডি। সাবটি ধৰিছিল কাষতে বহি যোৱা তেতিয়াৰ ফাৰ্ষ্ট লেডি জেকুইলিনে। তাৰ পিচত ড্ৰাইভাৰে পুৰ্ন গতিত গাড়ী চলাই দিলে ৰাষ্টিটেল অভিমুখে। নিৰাপত্তা বিষয়া এজন জাপ মাৰি গাড়ীখনৰ পাচফালে উঠি পৰিল। এই গোটেই দৃশ্যবোৰ দুটা কেমেৰাত ধৰি ৰখা হৈছিল আৰু এতিয়া দৰ্শকক দেখুৱা হয়। ইয়াত সোমোৱাৰ আগতে এটা 'ৱাকমেন' ভাড়ালৈ ল'ব পাৰি— 'যি নেকি গাইডৰ কাম কৰে। 'সোঁফালে যে দেখিছা সেইটো অমুক....। দহখোজ আগুৱাই যোৱা এতিয়া কি দেখিছা? — এখন বেঞ্চ। তাতেই প্ৰথমতে অচৱাল্ডে বহি অপেক্ষা কৰিছিল। তাৰ পিচফালে থকা খিড়িকি খনেৰেই গুলিয়াইছিল.... ইত্যাদি ইত্যাদি কমেণ্টেৰী দি থাকে 'ৱাকমেনে'। কিতাপৰ খালি বাকচবোৰ বিশৃঙ্খল হৈ পৰি আছে। সেই পুৰণি পৰিবেশটোৰেই সংৰক্ষণ কৰিছে। ওলাই আহিবৰ সময়ত মনটো গধুৰ হৈ পৰিল। Visitor's Remark Book' খনত মইও এফাকি কথা



লিখি আহিলো—

You Longed to build a New America
They didn't let you,
So did our beloved Rajib
They gunned him down too.

(B) ডালাচৰ আৰু এটা বস্তু খুব ভাল লাগিল— Wax Museum টো। সেউজীয়া ৰঙৰ ডাঙৰ এমহলীয়া মছজিদ্ সদৃশ ঘৰটোত বাহিৰৰ পৰা ইচলামিক কাৰুকাৰ্য থকা যেন লাগে। এই গোটেই ঘৰটোৰেই মমেৰে তৈয়াৰী। কিছুবছৰৰ আগতে জুই লাগি ধ্বংসপ্ৰাপ্ত হোৱা এই Wax Muscum টো পুনৰ সাজি উলিওৱা তিনিবছৰ মানহে হৈছে। নাম Wax Museum যদিও ইয়াৰ এটা অংশতহে মমৰ কাৰবাৰ আছে। বাকী অংশত অন্য আকৰ্ষণ। প্ৰথমে সোমায়েই চকুত পৰিল আউজিব পৰা দীঘলীয়া বেঞ্চ এখনত এজন মধ্যবয়সীয়া মানুহ আওজি টোপনিত লালকাল। এখন ভৰিৰ ওপৰত আনখন তুলি কোলাত হাত দুখন। হাতত ধৰি থকা চিগাৰেটৰ পেকেটটো পৰো পৰো। খুব ওচৰৰ পৰা নাচালে ধৰাৰ সাধ্য নাই যে 'ভদ্ৰলোক' মমেৰে তৈয়াৰী। ৰিণিক ওচৰতে বহুৱাই ফটো এখন ল'লো। এতিয়া ফটোখন যেয়েই দেখে সোধে— 'এই বুঢ়া চাহাবটো কোন'? মহাত্মা গান্ধী আৰু মাদাৰ টেৰাচাকো সুন্দৰকৈ তৈয়াৰ কৰিছে। বুঢ়ী মানুহৰ চকুৰ পতা অলপ তিতি থাকে আৰু চকুৰ কোনত বগা ফেচকুৰী অলপো থাকে। সেইখিনিৰে সৈতে খুব ওচৰৰ পৰা চাইও 'মাদাৰ টেৰাচা'ৰ মুৰ্ত্তিটো জীৱন্ত যেনেই ভাব হ'ল।

(C) মিউজিয়ামৰ এটা অংশ বেছি আকৰ্ষণীয়। কেতিয়াবা বতাহ-ধুমুহা, কেতিয়াবা ভুমিকম্প, কেতিয়াবা জ্বলি থকা অঞঠাৰ মাজেৰেও খোজ কাঢ়ি ফুৰি বিস্ময়ত হতবাক হৈছিলো। 'ভুতৰ ঘৰটো'ৰ পৰিবেশ ইমানেই ভয় লগা যে কোনো কোনো কোঠাত বেছি সময় থাকিবই নোৱাৰি। সেইবোৰত আন্ধাৰ হ'লেও Exit বুলি লাইটেৰে লিখি থোৱা একোখন দুৱাৰ থাকে। বেছি ভয় লাগিলে সেইখন লাহেকৈ ঠেলা মৰি অন্য এটা কোঠাত সোমাব পাৰি।

(D) এঠাইত আৰু এটা 'ভুতৰ ঘৰ' চাবলৈ গৈছিলো। দুজন মানুহ বহিব পৰা একোখন সৰু ট্ৰলীত বহিলে নিজে নিজে সেইখন চলি যায় আৰু বেলেগ বেলেগ ৰুমত ভুতৰ কাৰ্যকলাপ প্ৰত্যক্ষ কৰিব পাৰি। ঘুৰি ওলাই আহিবৰ সময়ত দেখিলো সমুখত এখন প্ৰকাণ্ড আয়না (mirror)। তাত দেখিলো মই আৰু ৰিণি ট্ৰলীত উঠি আহিছো থিকেই, কিন্তু আমাৰ দুয়োটাৰে মাজত সৰু ভুত পোৱালী এটাও বহি আহিছে, দাঁত নিকটাই হাঁহি হাঁহি।

(E) এইবাৰ এখন সৰু খোলা খিড়িকিৰ সন্মুখত থিয় হ'লোগৈ। খিড়িকিৰে ভিতৰলৈ চাই দেখো সেইটো এটা সৰু কোঠা— চকী-মেজ আদি সজাই থোৱা আছে। খিড়িকি খনৰ থিক কাষতেই এখন টুলৰ ওপৰত এডোখৰ হীৰা— হাতেৰে ঢুকি পোৱাতে। জিলিকি আছে। খিড়িকিৰ বাহিৰৰ জাননী ফলক পঢ়ি চালো। — পৃথিৱীৰ বহুত চোৰে এই হীৰা ডোখৰ নিবলৈ চেষ্টা কৰিও পৰা নাই। আপুনিও চেষ্টা কৰি চাব পাৰে।' এইটোনো এটা কথা হ'লনে? খিড়িকিৰে সোঁহাতখন সুমুৱাই দিলো। কিন্তু হীৰা ডোখৰ হ'লে স্পৰ্শ কৰিব নোৱাৰিলো। অথচ দেখিয়েই আছো সেইটো ওচৰতে। Optical illusion ৰ এটা আবিশ্বাস্য নিদৰ্শন।

Dalas-Forthorth আচলতে Twin City। শ্ৰীমতী লনী বৰুৱা মোৰ কলেজীয়া সহপাঠী। Forthorth অত থাকে— শিক্ষকতাৰ চাকৰি। একমাত্ৰ পুত্ৰ ৰাজ কলেজত পঢ়ে। Dinner ৰ কাৰণে নিমন্ত্ৰণ কৰাত চিনাকী এজনক ক'লো। গাড়ীৰে থৈ আহিলগৈ। Twin City কাৰণে ভাবিছিলো ওচৰতে। কিন্তু আমি থকা ডালাচৰ পৰা প্ৰায় ১০০ কিঃ মিঃ দূৰ। এটা শান্ত পৰিবেশত সৰু এপাৰ্টমেণ্ট এটা ভাড়া কৰি তেওঁলোক আছে। বৰ পৰিপাটি। ৰাজৰ শিশুসুলভ কথা-বাৰ্তাই বেছ মোহিত কৰিলে— মামীক কোৱাচোন মোক নতুন গাড়ী এখন কিনি দিবলৈ। এইখনৰ গিয়েৰটো অটোমেটিক নহয় মেনুৱেল। আকৌ ক'লে— মোলৈ কোলাপুৰি বা অন্য ভাৰতীয় চেণ্ডেল এযোৰ পঠাব পাৰিবা? আমি এতিয়া ক'ত ভাৰতলৈ সোনকালে যাব পাৰিম।

অসমীয়া taste ৰ ভাত-মাছৰ আঞ্জা খুৱাই লনীয়ে ডালাচৰ হোটেলত থৈ অকলে গাড়ী চলাই যেতিয়া ৰাতি ১০-৩০ বজাত ঘুৰি গৈছিল, আমাৰ চিন্তা হৈছিল। ৰাতি ১২ বজাত লনীয়ে ফোন কৰিলে— চিন্তা নকৰিবা। নিৰ্বিঘ্নে ঘৰ পালোহি। কিন্তু ৰাজহে লাইব্ৰেৰীৰ পৰা পোৱাহিয়েই নাই। কাইলৈ তাৰ পৰীক্ষা আছে নহয়। পঢ়িছেগৈ। কি আচৰিত এই আমেৰিকাৰ জীৱন-যাপন।

অথ বাছ সংবাদ ঃ আমেৰিকাৰ বিভিন্ন চহৰত ফুৰোতে কেতিয়াবা আমি Guided tour ও লৈছিলো। সেই বাথ ভ্ৰমণবোৰৰ দুই এটা আমোদজনক ঘটনা মনত আছে।

(a) এখন বাছৰ প্ৰথম আসন দুটাই আমি পালো। মহিলা গাইড গৰাকীৰ আসন আমাৰ কাষতে। বাছৰ চালক গৰাকীও মহিলা। গাইডগৰাকীয়ে অলপ সময়ৰ ভিতৰতে মোৰ পৰিবাৰৰ লগত বন্ধুত্ব গঢ়ি তুলিলে। শাৰীখন পিটিকি পিটিকি চাই ভাৰতীয় সাজপাৰৰ প্ৰশংসা কৰিলে। আমি সাধাৰণতে কি খাওঁ, কি ভাষা কওঁ, জনসংখ্যা কিমান এইবোৰ জনাৰ আগ্ৰহ দেখি ভাল পালো। ৰিণি অসুবিধাত পৰিল যেতিয়া তেওঁ প্ৰশ্ন কৰিলে— 'তোমাৰ শিৰত ৰঙা ৰঙা এইবোৰ কি?' মানে সেন্দুৰৰ কথা সুধিছে। হিন্দু বিয়া কি— বহুত বুজোৱাতো তেওঁ যেতিয়া নুবুজিলে এইবাৰ



মই হস্তক্ষেপ কৰিলো। সুধিলো তোমাৰ আঙুলিত সেইটো কি? তেওঁ উত্তৰ দিলে— It is wedding ring। তেতিয়া মই ক'লো— এওঁৰ মুৰতো সেইখিনি Wedding vermillion or you call it red pointer. It is significant for a hindu married woman to wear it. তেওঁ হাঁহিত ফাটি পৰিল। মোক সুধিলে— 'What are you wearing to show that you are married'? মোৰ উত্তৰ নাছিল।

(b) এবাৰ এখন জেন বাছত সকলো যাত্ৰী বহাৰ পিচত এজন ভদ্ৰলোক জাপ মাৰি উঠি আহি বাছৰ ভিতৰতে চাৰ্কাচ দেখুৱাবলৈ আৰম্ভ কৰিলে। চাৰ্কাচ দেখুৱাশেষ কৰি নিজৰ পৰিচয় দিলে— আজি দিনটোৰ কাৰণে মই তোমালোকৰ driver-cum-guide। দীঘলীয়া যাত্ৰা পথটোত তেওঁ বিভিন্ন খুহুতীয়া কথাৰে সকলোকে আপ্যায়িত কৰি গ'ল। তেওঁ এটা কথা ক'লে— মই য'তে গাড়ী ৰাখি তোমালোকক ইফালে সিফালে যাবলৈ দিম নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত কিন্তু গাড়ীলৈ ঘূৰি আহিবা। যদি কোনোবাই পলম কৰে তেন্তে শাস্তি হিচাপে বাছত গান গাব লাগিব। শাস্তিৰ ভয়ত আমি থিকেই চলিছিলো যদিও এবাৰ মোৰ দুই মিনিট পলম হোৱাত শাস্তি ল'ব লগা হ'ল। অসমীয়া গান এটা ৰিণিয়ে গালে। বাছৰ সকলো যাত্ৰীয়ে হাত-চাপৰিৰে উৎসাহ যোগালে। পিছে driver ৰ luck বেয়া। থিক পিচৰ stoppage টোতে নিজৰে দুই মিনিট পলম হ'ল। মই লগে লগে ধৰিলো। তেওঁ বিনা প্ৰতিবাদে গাড়ী চলাই চলাই গান গাবলৈ ধৰিলে। এটা কথা ক'বলৈ পাহৰিছিলো। ইয়াৰ সকলো বাচেই বাতানুকুল (air condition) আৰু Public address system প্লেনৰ নিছিনা।

(c) হোটেলৰ পৰা বন্দবস্ত কৰি দিয়া বাছত গৈছিলো sea world চাবলৈ। ফ্লোৰিডাৰ বিখ্যাত অৰ্লেণ্ডো চহৰত। বাছৰ পৰা নমাৰ আগতেই ড্ৰাইভাৰে ক'লে থিক ৫ বজাত অমুক লে'নৰ পৰা আমি উভতিম। আপোনালোক তাৰ আগতেই তাত ৰৈ থাকিবহি। আমাৰ কি ভুল হ'ল নাজানো বেলেগ লে'ন এটাত ১৫ মিনিটৰ আগৰে পৰা ৰৈ থাকিলো। ৫ বাজি ১০ মিনিট যোৱালৈকে আমাৰ বাছখন নহাত চিন্তা কৰিলো— কাৰণ আমেৰিকাত সময়ৰ হেৰ-ফেৰ নাই। বেলেগ নম্বৰৰ বাছবোৰ আহিছে, মানুহ উঠিছে-গৈছে। আমাৰ খনৰ হে দেখা-দেখি নাই। এনেতে দেখিলো বহুত দুৰৰ পৰা এজন মানুহ দৌৰি দৌৰি আহিছে। আমাৰ ওচৰ পাই ফোপাই-জোপাই ক'লে— 'তোমালোকে ইয়াত ৰৈ আছা কেলেই? ব'লা, দৌৱা, আমাৰ ইতিমধ্যেই বহুত পলম হৈ গ'ল।' দেখিলো এইয়া ড্ৰাইভাৰ। আমি লাজ পাই দৌৰি দৌৰি বাছত উঠিলোহি। মনতে চিন্তা কৰিলো— ড্ৰাইভাৰ জনো কিমান কৰ্তব্য পৰায়ণ। ইচ্ছা কৰা হ'লে আমাক এৰিওতো গুচি যাব পাৰিলেহেঁতেন।

...ng area ত ৰাস্তা পাৰ হওঁতে ...ইয়া শব্দ যেন লাগিল। বহুত মানুহেও ঘূৰি ...কাৰ গাড়ীবোৰতো হৰ্ণ থাকে। আচৰিত যেন লাগিলেও ...মাৰ দুমহীয়া আমেৰিকা অভিজ্ঞতাত সেই এবাৰেই গাড়ীৰ হৰ্ণ শুনিছিলো। অথচ চহৰবোৰত গাড়ীৰ গতিবেগ average প্ৰায় ১০০ কিঃ মিঃ প্ৰতি ঘণ্টাত।

চাহাব মুচী ঃ কালিফোৰ্ণিয়াৰ কোনোবা এটা বিমান বন্দৰ। ইফালে-সিফালে ঘূৰি ফুৰোতে দেখিলো এক লাইন জোতা পালিচ কৰা মানুহ। প্ৰায় দহজন মান গ্ৰাহকজান বৰ ওখ চকী এখনত উঠি বহিব লাগে। পালিচ ৱালাই থিয়হৈ পালিচ্ কৰে। পালিচ্ কৰা পদ্ধতি আমাৰ ইয়াৰ নিচিনাই প্ৰায়। জোতাযোৰ মোৰ চাফাই আছিল। তথাপি দুই ডলাৰ খৰচ কৰি পালিচ্ কৰোৱালো আৰু পালিচ্ কৰি থাকোতে পৰিবাৰৰ হতুৱাই ফটো এখন তোলালো। ফটোখন পিচত মোৰ সৰু ছোৱালীজনীয়ে বন্ধুবোৰক দেখুৱাই গৰ্ব কৰে— চা, আমাৰ পাপাই চাহাবৰ হতুৱাই জোতা পালিচ্ কৰিছে।

নিউয়ৰ্ক চহৰ ঃ ছান-ফ্ৰান্সিচকোৰ পৰা উৰা মাৰিলো নিউয়ৰ্ক চহৰলৈ। Staten Island অত থকা ডাক্তৰ বন্ধু এজনৰ ঘৰত ৪ দিন থাকি চহৰখনৰ ভিতৰে বাহিৰে থকা চাবলগীয়া বস্তুবোৰ চালো। Empire State Building যিটো নেকি আজি কিছুদিনৰ আগলৈকে বিশ্বৰ উচ্চতম অট্টালিকা বুলি বিখ্যাত আছিল চাই ভাল লাগিল। একেবাৰে ওপৰ মহলাৰ চাঁদত উঠি দেখিছিলো মেঘবোৰ আমাৰ তলত। তলত বৰষুণ দিলে ওপৰ মহলত শুকান হৈয়েই থাকে। তললৈ চালে গাড়ীবোৰ যেন গুৰি পৰুৱাহে। Liberty Island অত থকা বিশ্ববিখ্যাত Statue of Liberty লৈ ফেৰীত গ'লো। স্থাপত্য শিল্পৰ সুন্দৰ নিদৰ্শন এই মূৰ্ত্তিটোৰ ওপৰলৈও উঠি যোৱা চিৰি আছে ভিতৰে ভিতৰে। দীঘলীয়া শাৰী দেখি আমি অৱশ্যে নুঠিলো। ওচৰতে থকা Ellis Island টোলৈ গ'লো। তাত থকা Museum টোত আমেৰিকাৰ ইতিহাস, কেনেকৈ কেতিয়া কোন কোন দেশৰ মানুহ আহি থিতাপি ল'লেহি সুন্দৰকৈ দেখুৱা আছে। কিছুমান computerised machine আছে। সেইবোৰত ইচ্ছা কৰিলে আমি যে আহিছিলো সেইটো ৰেকৰ্ড কৰি থ'ব পাৰি। তাৰে এটা মেচিনত এনেয়েই চালো। 1900 চনত ভাৰতৰ অসমৰ পৰা কোন আহিছিল। পৰ্দাত জিলিকি উঠিল 'No record'। এনেদৰে আগুৱাই আহি আহি ১৯৪৫ অত পালো— Mr. M. Upadhyay & family ফ'টো খনো পৰ্দাত ওলাই পৰিল। বোধকৰো কোনোবা নেপালী পৰিয়াল। নিউয়ৰ্ক চহৰৰ প্ৰাণকেন্দ্ৰ মানহাটন অঞ্চল। ওখ ওখ স্কাইস্ক্ৰেপাৰ বোৰৰ মাজে মাজে ৰাস্তাত এনেয়ে খোজ কাঢ়িয়েই ভাল লাগে। ইয়াত খোজকঢ়া মানুহ ঢেৰ। গতিকে অস্বস্তি নালাগে। এইদৰে ঘূৰি ফুৰোতে



দেখিলো এখন চাহ-ভাতৰ দোকান। নাম 'Indian Restuarent'। কৌতুহল বশতঃ সোমাই কিবা-কিবি খালো। মালিক জনৰ লগত কথা-বতৰা পাতোতে গম পালো নাম Indian Restuarent দিছে যদিও আচলতে তেওঁ বাংলাদেশীহে। দেউতাকে শ্বিলঙত চাকৰি কৰিছিল। সৰু কালছোৱা তেওঁ শ্বিলঙতে কটাইছে। অসমৰ বহু ঠাইলৈ গৈছে। অলপ সময়ৰ ভিতৰতে আমাৰ আত্মীয়তা গঢ়ি উঠিল। খুব জোৰ কৰা স্বত্বেও আমাৰ খোৱা-বোৱাৰ পইছা তেওঁ নল'লে। বৰঞ্চ ৰাতিৰ সাজৰ কাৰণে নিমন্ত্ৰণ হে কৰিলে। মনতে ভাবিলো— আমি অসমত বাংলাদেশী দেখোন দেখিবই নোৱাৰো— বিদেশী বুলি। অথচ বিদেশত সেই বাংলাদেশীয়েই দেখোন ইমান বন্ধু হৈ পৰে। বহুত বাংলাদেশী ফেৰীৱালা আমেৰিকাৰ ৰাস্তাই ঘাটে লগ পাইছিলো। নিউয়ৰ্কত আমাৰ বোম্বে-কলিকতাৰ দৰে ফুটপাথতো সৰু-সুৰা বস্তু খুব সস্তাত বিক্ৰি কৰা দেখিছো। মানহাটান অঞ্চলটো এটা বিৰাট অঞ্চল। কিন্তু ইমান শৃংখলাবদ্ধভাৱে তৈয়াৰী যে হাতত মেপখন থাকিলে হেৰোৱাৰ ভয় নাই। কোনখন বাছত উঠিব লাগিব কাকো সোধাৰো প্ৰয়োজন নাই। দুপৰীয়াৰ Lunch আমি প্ৰায়েই ৰাস্তাৰ দাঁতিত থকা চকাথকা সৰু সৰু দোকানবোৰৰ পৰাই কিনি খাইছিলো। সেইবোৰ সস্তা আৰু বেছ সোৱাদ। নিউয়ৰ্কত এনেয়েও তুলনামূলকভাৱে যিকোনো বস্তুৱেই সস্তা।

মোৰ বন্ধু ডাক্তৰ পেইণ্টাৰ নতুনকৈ এখন হস্পিটেলত চাকৰিত সোমাইছে। প্ৰথম দিনা দেখাৰ পিচত দুদিনলৈ তেওঁৰ দেখা-দেখি নাই। পৰিবাৰে ক'লে— ৪৮ ঘণ্টাৰ ডিউটি। হস্পিটেলটো খোজকাঢ়ি গ'লে ঘৰৰ পৰা মাত্ৰ দুই মিনিটৰ বাট। অথচ এই ৪৮ ঘণ্টাৰ ভিতৰত এবাৰলৈও তেওঁ ঘৰলৈ নাহিল চাহ একাপকে খাই যাওঁ বুলি। আমেৰিকানবোৰৰ কৰ্তব্য নিষ্ঠা সঁচাই শলাগিবলগীয়া।

আমেৰিকাৰ পৰা ইংলণ্ডলৈ ঃ নিউয়ৰ্কৰ পৰা AIR INDIA ৰ বিমানেৰে উৰা মাৰিলো লণ্ডন চহৰ বুলি। এইখিনিতে নিউয়ৰ্কৰ জন এফ কেনেডি এয়াৰপ'ৰ্টত AIR INDIA ৰ কৰ্তৃপক্ষৰ লগত হোৱা এটা সৰু ঘটনাৰ কথা উল্লেখ কৰো। আমি আমেৰিকাত এই বিমান বন্দৰত প্ৰথম অৱতৰণ কৰোতে নিৰ্দ্দিষ্ট সময়তকৈ প্ৰায় দুঘণ্টা পলম হৈছিল। ফলত 'লাগুৱাদিয়া' নামৰ ওচৰৰে আৰু এটা বিমান বন্দৰলৈ যাবলৈ আমি free Bus service মিচ্ কৰিছিলো। Duty Manager অক কথাটো ক'লো যে খুব দৌৰা-দৌৰিকৈ টেক্সি ত গ'লে হয়তো connecting flight টো ধৰিব পাৰিম হিউষ্টনলৈ। কিন্তু টেক্সি ৰ ভাড়াটো তোমালোকে দিয়া উচিত। তেখেতে ক'লে টেক্সি তে যোৱা, receipt ল'বা। হিউষ্টনত Air India ৰ Office ত গ'লে পইচাটো re-imburse কৰিব। এই বুলি তেওঁ টিকেটৰ জেকেটটোতে লিখি চহী কৰি দিলে। হিউষ্টনৰ Air India Office ৰ ঠিকনা আৰু টেলিফোন

নম্বৰ টোও লিখি দিলে। হিউষ্টনলৈ আহি গম পালো সেইবোৰ সব ফাঁকি। হিউষ্টনৰ পৰা Air India ৰ Office উঠি যোৱা এবছৰৰ ওপৰ হ'ল। Air India ৰ এজন দায়িত্বশীল বিষয়াই এনে ঠগ-বাজীৰ আশ্ৰয় লোৱাটো মনে সহ্য নকৰিলে। টেক্সি ভাৰা বেছি নাছিল। মাত্ৰ ৫০ ডলাৰ (প্ৰায় ১,৬০০ টকা)। কিন্তু মনতে থিক কৰিলো এই পইছা মই উলিয়াইহে এৰিম। প্ৰায় ডেৰ মাহৰ পিছত ওভতনি যাত্ৰাত নিউয়ৰ্কৰ City Office অত ticket confirmation ৰ কাৰণে যাওঁতে সুধিলো। ক'লে এই টকাটো Air port অতে পাবা। কিন্তু Air port ৰ বিষয়াসকলৰ অসৌজন্যমূলক আচৰণত আচৰিত হ'লো। এজনে ক'লে ইয়াৰ তিনিখন ফটোকপি লাগিব, এজনে ক'লে application ক'তা? এজনে ক'লে এইটো City Office হে deal কৰে, Duty Manager এ তো জেকেটত লিখি দিয়া কথাখিনি আৰু চহীটোও নিজৰ নহয় বুলিহে ক'লে। এবাৰ ক'লে এইবোৰ থৈ যোৱা, আমি তোমাৰ ভাৰতৰ এড্ৰেচত পঠাই দিম। মোৰ ধৈৰ্য্যচ্যুতি ঘটিল। উগ্ৰমূৰ্তি ধৰি ক'লো— 'এটা কথা জানিলোৱা যে এই ৫০ ডলাৰ নৈহে মই প্লেনত উঠিম। এইবোৰ ল'ৰা-ধেমালী কৰিবলৈ আহিছো নেকি?' মোৰ মূৰ্ত্তি দেখিয়েই হ'বলা এজনে কাগজ-পত্ৰখিনি মোৰ পৰা ল'লে। পোন্ধৰ মিনিট মানৰ ভিতৰত ঘূৰি আহি ৫০ ডলাৰ হাতে হাতে দিলেহি। মই খঙতে ক'লো— 'You don't deserve even a thanks for this' এটা সমীক্ষা মতে Air India ৰ সেৱা হেনো আন্তৰ্জাতিক বিমান সেৱা আটাইতকৈ বেয়া। ইয়াত যাত্ৰা কৰিলে নুন্যতম সুবিধাকণৰ পৰাও বঞ্চিত হ'ব লাগে। যাত্ৰীৰ বিলাই-বিপত্তিৰ সীমা নাথাকে। বিমান কৰ্মী, পৰিচাৰিকা সকলো অসৌজন্যমূলক আচৰণত সিদ্ধহস্ত। এবাৰ যাত্ৰা কৰাৰ পিচত দ্বিতীয়বাৰ Air India ৰ টিকট হেনো কোনেও নাকাটে। অমাৰ একমাত্ৰ আন্তৰ্জাতিক বিমান সেৱাৰ এই অৱস্থা দেখি দুখ লাগিছিল। বিমানৰ লেতেৰা Toilet ৰ অৱস্থা কিয় এনেকুৱা বুলি সোধাত এগৰাকী পৰিচাৰিকাই তপৰাই উত্তৰ দিলে তোমালোক যাত্ৰীবোৰৰ স্বভাৱৰ কাৰণে। মই তেওঁক মাতি নি দেখুৱালো এইটো Toilet অত যে এডোখৰো toilet paper নাই, Liquid soap নাই আৰু বেচিনত পানী নাহে এই সকলোবোৰো যাত্ৰীৰ স্বভাৱৰ বাবেই নেকি? এইবাৰ তেওঁ লাজ পাই ক্ষমা খুজিলে। অলপ পাচত দেখিলো সেই নিৰ্দ্দিষ্ট toilet টো বন্ধ কৰি seal কৰি দিছে।

লণ্ডন চহৰ : স্বাভাৱিক ভাৱেই নিৰ্দ্দিষ্ট সময়তকৈ তিনিঘণ্টা পলমকৈ লণ্ডনৰ Heathrow বিমান বন্দৰত আমাৰ বিমানখন অৱতৰণ কৰিলে। তেতিয়া স্থানীয় সময়মতে ৰাতিপুৱা ৯ বাজিছে। এয়াৰপ'ৰ্টৰ পৰা মোৰ বন্ধু কিৰণ ভাৰ্মালৈ টেলিফোন কৰিলো। প্ৰায় আধা ঘণ্টাৰ ভিতৰতে গাড়ীৰে তেওঁৰ ঘৰলৈ লৈ গ'ল। তেওঁৰ ঘৰত চাৰিদিন থাকি লণ্ডন আৰু ওচৰ পাজৰৰ চাব লগা বস্তুবোৰ চালো।



তেওঁ নিজেও এদিন বন্ধ পাই আমাক ফুৰালে। দুজনী সৰু সৰু ছোৱালী আৰু পৰিবাৰৰ সৈতে সুখী সংসাৰ। পৰিবাৰৰ পৰিয়াল ভাৰতীয় বংশোদ্ভৱ যদিও দক্ষিণ আফ্ৰিকাৰ স্থায়ী বাসিন্দা। আমাক ইমান আদৰ সাদৰ কৰিছিল যে চিৰজীৱন মনত থাকিব। লণ্ডনৰ দৰে চহৰত নিজাকৈ এটা ঘৰ। আগে পিছে এখনকৈ সৰু বাৰী। বৰ আটোমটোকাৰীকৈ ৰাখিছে। মিচেচ ভাৰ্মাৰ ভনীয়েকৰ ঘৰলৈ এদিন নিমন্ত্ৰণ কৰিলে ৰাতিৰ সাজৰ কাৰণে। ইমান আপোন ভাৱেৰে আপ্যায়িত কৰিলে কেতিয়াও পাহৰিব নোৱাৰিম।

লণ্ডনৰ বতৰ প্ৰায়েই গোমা হৈয়েই থাকিল আমি থকা কেইদিন। কিন্ কিনিয়া বৰষুণো পালো। জুলাই মাহতো বেছ ঠাণ্ডা। ভিতৰত হিটাৰ আৰু বাহিৰত গৰম কাপোৰ লাগেই। ইউৰোপৰ প্ৰায়বোৰ চহৰৰ দৰে লণ্ডনতো পাতাল ৰেলৰ Network বৰ সুন্দৰ। এখন মেপ হাতত থাকিলে যিকোনো ঠাইলৈ যাবলৈ অসুবিধা নহয়। সাত পাউণ্ডেৰে দুটা টিকট ৰাতিপুৱাই কাটিলৈ আমি দুয়ো গোটেই দিনটো ঘুৰি ফুৰো। এই টিকটটোৰে যিকোনো পাতাল ৰেল বা বাছত দিনটোৰ কাৰণে যাতায়াত কৰিব পাৰি।

লণ্ডনৰ যিকেইটা বস্তু পৰ্যটকৰ আকৰ্ষণ— চালো। এইবোৰৰ ভিতৰত আছে— বাকিংহাম পেলেচ। সন্মুখত এখন সুন্দৰ ফুলৰ বাগিচা। শুদ্ধ বগা এই সুন্দৰ অট্টালিকাটোৰ কাৰুকাৰ্য সঁচাই চাবলগীয়া। আমি বাহিৰৰ পৰাহে চালো যদিও এতিয়া হেনো পৰ্য্যটকক ভিতৰলৈ সোমাবলৈও দিয়ে— এটা মোটা অংকৰ টিকট কিনি। এই প্ৰাসাদৰ Change of guard কুচকাৱাজটো হেনো বেছ চাবলগীয়া। গাৰ্ডবোৰৰ ইউনিফৰ্ম, টুপী আদিৰ এটা বিশেষ বৈশিষ্টতা আছে। বাহিৰৰ গেটত লগ পালো এজন গাৰ্ড— ডিউটিত আছে। বন্দুক এটা লৈ প্ৰস্তৰ মূৰ্ত্তিৰ দৰে থিয় হৈ আছে। ওচৰত থিয়হৈ কথা পাতিলো। চকুৰ পতাও যেন নলৰাব। একমাত্ৰ সন্মুখৰ ফালে স্থিৰ দৃষ্টি দি মোৰ কথাৰ উত্তৰ দি গ'ল। ওচৰতে পৰিবাৰক থিয় কৰি এখন ফটো তুলিবলৈও অনুমতি দিলে।

লণ্ডনৰ হাউচ পাৰ্ক এখন বিশ্ববিখ্যাত পাৰ্ক। বাকিংহাম পেলেচৰ নিচেই কাষত। হ্ৰদটোত চৰি ফুৰা কৃষ্ণহাঁহ কেইটাক আৰু এটা পেলিকানক এজন বুঢ়া ভদ্ৰলোকে ৰুটি খুৱাই আছে। সেইটো তেওঁৰ হেনো চখ্— সদায় খুৱাবলৈ আহে। দৃশ্যটো বৰ ভাল লাগিছিল।

এলবাৰ্ট হল। ঘূৰণীয়া কাছ পিঠিয়া ছালিৰে এটা প্ৰকাণ্ড হল। এই হলত পৰিবেশিত লতা মঙ্গেশকাৰৰ গীতৰ ৰেকৰ্ডৰ জনপ্ৰিয়তা সৰ্ব্বজন বিদিত।

বৃটিচ মিউজিয়াম পৃথিৱীৰ অন্যতম বৃহৎ মিউজিয়াম। ইয়াত আনকি অসমত উদ্ধাৰ হোৱা মূৰ্ত্তি তাম্ৰ ফলি আদিও দেখিলো। কেইবা তলাৰ এই মিউজিয়ামটো

বহুত সময়ৰ প্ৰয়োজন।

লণ্ডন টাৱাৰ ভালকৈ চোৱাৰ সময় নহ'ল। এদিন যেতিয়া বৃটিছে প্ৰায় গোটেই পৃথিৱী শোষণ কৰিছিল, পৃথিৱীৰ সকলো কোনৰ পৰা দুৰ্লভ মহামূল্য সামগ্ৰীবোৰ সংগ্ৰহ কৰি ইয়াতে সংৰক্ষণ কৰিছিল। ইয়াৰ শোভা বঢ়োৱাৰ ক্ষেত্ৰত ভাৰতৰ কহিনুৰ হীৰাও অন্যতম।

লণ্ডনৰ tower bridge পৰ্য্যটকৰ অন্যতম আকৰ্ষণ। টেমচ্ নদীৰ ওপৰত থকা এই ঐতিহাসিক দলংখন বৰ্তমান উগ্ৰপন্থীৰ আক্ৰমণৰ আশংকাত যাতায়তৰ বাবে বন্ধ কৰি দিছে বুলি কৰ্তৃপক্ষই ঘোষণা কৰিলেও আচলতে ageing ৰ বাবেহে হেনো এই ব্যৱস্থা। ডাঙৰ জাহাজ তলেৰে পাৰ হোৱাৰ সময়ত এই দলংখন দুভাগ কৰি ভাঙি দিব পৰা যায়।

এই দলংখনৰ লগত সম্বন্ধ থকা এটা আমোদজনক ঘটনা আছে। কিছুবছৰৰ আগতে এটা Global Tender আহ্বান কৰা হৈছিল— লণ্ডন ব্ৰীজৰ auction ৰ বাবে। এজন মাৰ্কিন কোটিপতিয়ে Highest tender দি পালে যদিও লণ্ডনলৈ আহিহে তেওঁৰ ভুলটো ভাঙিল। তেওঁ tower bridge খনকে London bridge বুলি ভাবিছিল। আচলতে London bridge খন tower bridge ৰ ওচৰতে থকা এখন পুৰণি জৰাজীৰ্ণ ইটাৰে সজোৱা দলং, কিন্তু তেতিয়া বেচেৰাৰ কৰিব লগা বিশেষ নাছিল।

ইয়াৰ বাহিৰেও লণ্ডন চহৰত থকা St. Paul's Catherdral, Nelson's tower, trafelgar square আদি চাই বেছ ভাল লাগিল।

লণ্ডনৰ বাহিৰত Kew Garden লৈ গ'লো এদিন। ট্ৰেইন ষ্টেচন পাই দেখো টিকটৰ কাউণ্টাৰ নাই। অ'ত ত'ত মেচিন কিছুমানহে আছে— টিকট বেচা। নোটখন সুমুৱাই destination বুটামটো টিপি দিয়াৰ লগে লগে টিকট আৰু খুচুৰা পইচাখিনি ওলাই আহিল। গন্তব্য স্থানৰ ষ্টেচনত আমি বাগিচালৈ খোজ ল'লো। যান-বাহন আৰু মানুহৰ সমাগম ৰাস্তাত নিচেই কম। এটা ৰাস্তা পাৰ হ'ব খুজি দেখিলো দূৰত এখন গাড়ী। আমাৰ ফালেই আহি আছে। আমি একাষৰীয়াহৈ ৰৈ দিলো। গাড়ীখন পাৰহৈ যোৱাৰ পাচত ৰাস্তাটো cross কৰিম। কিন্তু দেখিলো গাড়ীখনহে ৰৈ গ'ল আৰু ভদ্ৰলোকজনে হাতেৰে ইঙ্গিত দিলে আমাক পাৰ হৈ যাবলৈ। আমি লৰালৰিকৈ পাৰ হোৱাৰ পিচতহে তেওঁ গাড়ী চলাই গ'লগৈ। কথাটো অস্বাভাৱিক যেন লাগিলেও তেনে অভিজ্ঞতা আৰু দুবাৰ হ'ল। আচলতে তাৰ নিয়ম অনুযায়ী গাড়ীচালকে Padestrian অক প্ৰথম সুবিধা দিব লাগে। কিউ গাৰ্ডেন এখন অপূৰ্ব্ব সুন্দৰ বিশাল বাগিচা। এটা হ্ৰদৰ পাৰত বহি মই আৰু পৰিবাৰে হাঁহ কেইটাৰ লগত ধেমালী কৰি আছো। আবেলি সময়। এনেতে দেখিলো জীপ এখন তীব্ৰ



বেগেৰে আহি আমাৰ ওচৰত ৰ'লহি। এজন ভদ্ৰলোক নামি আহি ক'লেহি— 'অ' তোমালোক ইয়াত আছা? অথনিৰ পৰা তোমালোকক বিচাৰি গোটেইখন চলাথ কৰিছো। আমাৰ গেটৰ হিচাপ মতে সোমোৱা মানুহতকৈ ওলোৱা মানুহ দুজন কম হোৱাত আমি চিন্তাত পৰিছিলো। তোমাৰ টিকটত লিখাই আছে দেখোন— আমি চাৰি বজাত গাৰ্ডেন বন্ধ কৰো বুলি।' তেতিয়াহে ঘড়ী চাই দেখো চাৰে চাৰি বাজি গ'ল। 'বৰ দুঃখিত। আমি মন কৰাই নহ'ল' বুলি কোৱাৰ বাহিৰে আৰুনো কি ক'ম। কোবা-কুবিকৈ গেটলৈ আহোঁতে মন কৰিলো— হয়তো গোটেই বাগিচা খনত মাত্ৰ আমি দুটাহে প্ৰাণী।

গ্ৰীণউইচ্ চহৰলৈও গৈছিলো এদিন। তাৰ সামুদ্ৰিক মিউজিয়াম আৰু পাহাৰীয়া পৰিবেশ, ফুলৰ শোভা ইত্যাদি সঁচাই ভাল লাগিল।

সপোনপুৰী পেৰিচ ঃ লণ্ডনত চাৰি দিন থাকি ৰেলত উঠিলো পেৰিচ চহৰ অভিমুখে। লণ্ডন-পেৰিচৰ মাজত নতুনকৈ বনোৱা সাগৰৰ তলেদি যোৱা সুৰঙ্গপথটো তেতিয়াও উদ্বোধন কৰা হোৱা নাছিল। গতিকে ইংলিচ চেনেল পাৰ হ'লো Hovercraft ৰে। সকলো সা-সুবিধা থকা এই বৃহৎ ফেৰী জাহাজখনৰ বিশেষত্ব এয়েই যে সাধাৰণ জাহাজৰ দৰে ই পানীত নচলে। এক বিশেষ প্ৰক্ৰিয়াৰে জাহাজৰ তলি আৰু পানীৰ উপৰি ভাগৰ মাজত এটা Air cushion তৈয়াৰ হয়। Hovercraft খন এই Air cushion অতহে চলি যায়। নতুন যাত্ৰীৰ অৱশ্যে ইয়াতো sea sickness হয়। ইংলিচ প্ৰণালী পাৰ হওঁতে ভাবিছিলো মিহিৰ সেন, আৰতি সাহাহঁতে কেনেকৈ এই ইপাৰ সিপাৰ নেদেখা বিশাল সাগৰখন সাতুৰি পাৰ হৈছিল। তাতে ভয়ানক চাৰ্ক আৰু সাগৰীয় বিষাক্ত সাপৰ অবাধ গতি ইয়াত। চেনেল পাৰ হৈ ফ্ৰান্সত সোমোৱাৰ লগে লগে কাষ্টম, ইমিগ্ৰেচন ফৰমেলিটিবোৰ শেষ কৰি ফৰাচী ৰেলত উঠিলো। পেৰিচৰ ষ্টেচনত নামি প্ৰথম অসুবিধা হ'ল ভাষাৰ। ইয়াত কোনেও ইংৰাজী নুবুজে আৰু নকয়। এইটো ফৰাচী বোৰৰ যুগ যুগ ধৰি থকা ego problem। ইংৰাজী কেতিয়াও নিশিকে। কোনোবাই জানে যদিও নজনা ভাও ধৰে। ক'তো ইংৰাজী Sign board এখন নাই। আমি থকা হোটেলখনত প্ৰথমতে খোৱাৰ সমস্যা হৈছিল। তাত খাবলৈ কি পায় জনাৰ উপায় নাছিল। দুৰত এজন নিগ্ৰো ভদ্ৰলোকে ভাত খাই থকা দেখি ওচৰলৈ গৈ ইংৰাজীত সুধিলো— ভাতক ফৰাচী ভাষাত কি কয় ক'বনে? তেওঁ ফৰাচীতে কিবা এসোপা গালে, যি বুজিলো তেওঁ ক'লে আপুনি কি সুধিছে মই একো বুজি পোৱা নাই। অৰ্থাৎ তেওঁও ইংৰাজী নাজানে। অৱশেষত waiter জনক ওচৰলৈ লৈ গৈ আঙুলীয়াই দেখুৱাত যেনিবা ভাত খাবলৈ পালো। এবাৰ মোক চামুচ এখন দৰ্কাৰ হ'ল। waiter জনক কওঁতে আনি দিলে হুইস্কি আৰু চৌদা। মই আকৌ ভালকৈ বুজাওঁ আনি দিলে এবটল

দেশলৈ কিয়নো মই যাব লগা হ'ল? কাৰণটো হ'ল এনেধৰণৰ—

মোৰ ভণ্টীৰ সন্তান লাভৰ সময়ত তেওঁলোকে মোৰ মাক মাতি পঠালে। তুলসীৰ লগত কলপটুৱাৰ মুক্তি হিচাপে মাক থ'বলৈ মইও যাব লগা হ'ল। মই ব্ৰুণাইত বাৰ দিন থাকিলো। অৱশ্যে মা প্ৰায় ছমাহ তেওঁলোকৰ লগত কটালে। ব্ৰুণাইৰ পৰা ঘূৰি আহোঁতে চিঙ্গাপুৰত চাৰিদিন থাকিলো। এই যাত্ৰাত কিছুমান নতুন অভিজ্ঞতা হৈছিল। তাৰে দুই এটা আমোদজনক অভিজ্ঞতা পাঠকলৈ আগবঢ়াবলৈ মানস কৰিছো।

**(১) খাৰ-খোৱা অসমীয়াৰ প্ৰথম দিনাই বিপদ ঃ** ব্ৰুনাই এয়াৰলাইনচৰ বিমানেৰে চিঙ্গাপুৰৰ পৰা যাত্ৰা কৰি থিক সময়তে গন্তব্য স্থানত অৱতৰণ কৰিলো। বিমান যাত্ৰা অতি সুখদায়ক আছিল। খাদ্য-পৰিবেশনাই হওক বা বিমানৰ ভিতৰৰ কাৰুকাৰ্যই হওক সকলোতে ৰাজকীয় আভিজাত্যৰ আভাষ বিদ্যমান। কিন্তু বিপদ হ'ল বিমানৰ পৰা নামিহে। ব্ৰুনাইৰ শুল্ক বিভাগ (কাষ্টমচ্) অতি কঠোৰ। প্ৰত্যেক যাত্ৰীৰে বেগ্-চুট্‌কেচ্ খুলি তন্ন-তন্নকৈ পৰীক্ষা কৰিলে। 'মা'ৰ চুট্‌কেচত দুটা বিশেষ পেকেট আছিল। এটাত আছিল বেলপাত সহিত মন্দিৰৰ নিৰ্ম্মালী আৰু আনটোত আছিল খোৱা চৌদা। প্ৰথমটো প্ৰশ্ন কৰিছিল যদিও যেনে-তেনে পাৰ হ'ল। পিছে ধৰিলে নহয় দ্বিতীয়টো। এইবোৰ কি পাউদাৰ? যিমানে কৈছো— এইবোৰ খোৱা চৌদা। আমি অসমীয়া মানুহ, খাৰ খাওঁ। খাবলৈ আনিছো। নাই নামানে। দুজনমান উচ্চ পদস্থ বিষয়া আৰু বহুলোকে আমাক ঘেৰাও কৰি ধৰি বিভিন্ন প্ৰশ্নবাণেৰে থকা-সৰকা কৰিলে। তেওঁলোকে ধৰি ল'লে— এইবোৰ ড্ৰাগচ্। ব্ৰুনাইত ড্ৰাগচ্ আমদানীৰ শাস্তি এটাই— মৃত্যুদণ্ড। সৰ্ব্বনাস কি বিপদত পৰিলো। মৃত্যুদণ্ড নহ'লেও প্ৰমাণিত নোহোৱালৈকে যে পুলিচৰ জিম্মাত থাকিব লাগিব সেইটো নিশ্চিত। পিচে বাবুলে কাৰোবাক কাৰোবাক টেলিফোন কৰি পৰিস্থিতিটো অলপ উন্নত কৰিলে। মাৰ বয়সক বিশ্বাস কৰিয়েই হওক বা আমাৰ নিৰ্ভিক উত্তৰবোৰৰ ভিত্তিতে হওক আমাক যাবলৈ দিলে। পেকেটটো ৰাসায়নিক পৰীক্ষাৰ কাৰণে ৰাখি থ'লে। পিছদিনা আবেলি পেকেটতো ঘৰত দি গ'লহি। হে ভগবান, অসমীয়াক খাৰ খাবলৈ শিকালা থিক আছে, জিভাৰ জুতিৰ কাৰণে বিপদত নেপেলাবা আকৌ!

**তামোল কাঁহা মিল্‌তা হ্যায় ঃ** মোৰ ভণ্টী অনিমাহঁতৰ ঘৰৰ সন্মুখত এখন ল'ন আৰু হেজ্ আছে। পিছফালে সৰু বাৰী এখনো। নিয়মীয়া মালী ৰখা সম্ভৱ নহয়। খৰচ বহুত। গতিকে তেওঁলোকে কোনোবা গাৰ্ডেনিং কোম্পেনীক ঠিকাত দিছে। মাহেকত দুবাৰ আহি গোটেইখন চাফা কৰি সব্ জাবৰ-জোঠৰ টোপোলা বান্ধি গাড়ীত লৈ ঘূৰি যায়। এদিন মই আৰু মা বাৰান্দাত বহি থাকোতেই গাড়ীখন



আহিল। যন্ত্ৰ-পাতি লৈ কামত লাগি গ'ল। মানুহ মুঠতে ছজন— ক'লা হটঙা আটাইকেইটা। তাৰে এটাই কিবা চোবাই থকা মায়ে বোধকৰো মন কৰিলে। চিঞৰি তাক শুধিলে— হেই, তামোল কাঁহা মিলতা হ্যায়? মোৰ হাঁহি উঠি গ'ল। ক'লো— মা, এক নম্বৰ কথা ইয়াত হিন্দি কোনেও বুজি নাপায়। দুই নম্বৰ কথা সি তামোল চোবোৱা নাই, চুইংগাম বা অন্য কিবাহে চোবাইছে। কিন্তু মোক আচৰিত কৰি সি আগবাঢ়ি আহি প্ৰায় শুদ্ধ হিন্দিতে ক'লে— তামোল অমুক ঠাইত পায়। তাৰ পৰা গম পালো তাৰ লগৰ আটাইকেইটাই ভাৰতীয়। সি নিজে দক্ষিণ ভাৰতৰ যদিও বাকী কেইটা বিহাৰ আৰু ইউ পিৰ। সি কোৱা ঠাইত বিচাৰি পিছত তামোলো পালো। সোৱাদটো বেয়া যদিও দেখাত আমাৰ নিচিনাই তামোল।

**খৰিকটীয়া ডাক্তৰ ঃ** এদিন ৰাতি ধুমুহাত ভণ্টীহঁতৰ ভাড়াঘৰৰ চৌহদত থকা গছ এজোপা উভালি পৰি বাউণ্ডেৰী ৱালখনৰো কিছু ক্ষতি কৰিলে। বাবুলে ঘৰৰ মালিকলৈ ফোন কৰিলে। মালিক প্ৰকৃততে বাংলাদেশৰ বংশোদ্ভৱ যদিও বৰ্তমান ব্ৰুণাইৰ স্থায়ী বাসিন্দা। পেশাত ডাক্তৰ। তেখেতে ক'লে— দেওবাৰে কটাম। এইকেইদিন যেনে-তেনে কষ্ট কৰি থাকক আৰু। দেওবাৰে BMW গাড়ীলৈ ডাক্তৰ হাজিৰ। পিন্ধনত হাফপেন্ট-স্পৰ্টিং গেঞ্জী আৰু হাতত কুঠাৰ। মানুহজনে অকলে গছজোপা কাটি দুঘণ্টাত শেষ কৰিলে। পিচত ট্ৰাক এখন আহি টুকুৰাবোৰ লৈ গ'লহি। বাবুল আৰু মই থিয় ডঙা দি নিঃসহায় হৈ চাই থাকিলো। বৰ বেয়া লাগিছিল। কুঠাৰ আৰু এখন থকা হ'লে হাত উজান নিশ্চয় দিলোহেঁতেন।

**স্কুল ব্যৱস্থা ঃ** ভণ্টীৰ ছোৱালী জেনী আৰু জুলী। দুয়ো এখন মিছনেৰী স্কুলত পঢ়ে। এদিন আমি সিহঁতক স্কুলত থ'বলৈ গৈছিলো। স্কুলটোৰ অৱস্থা বাহিৰৰ পৰা শোচনীয়। অলপ আঁতৰত আৰু এখন স্কুল চকুত পৰিল। বিৰাট চৌহদৰে সৈতে এটা সুন্দৰ প্ৰকাণ্ড বিল্ডিং। ফুটবল, ভলীবল আদি খেলা-ধুলাৰ সকলো সুবিধা দেখিলো। বাবুলক সুধিলো— হেৰা, ইহঁতৰ স্কুলটো দেখোন এইটোৰ তুলনাত গোহালীঘৰ। ইহঁতক এইটো স্কুলত নিদিয়া কিয়? বাবুলে ক'লে— এইটো স্কুল স্থানীয় ইছলাম্ ধৰ্ম্মীসকলৰ কাৰণেহে। আমাৰ ল'ৰা-ছোৱালীক ভৰ্তি নকৰে। শুনি বেয়া লাগিল। কিন্তু আচৰিত কথা— ইমান সা-সুবিধা পোৱা সত্ত্বেও স্থানীয় ছাত্ৰ ছাত্ৰীয়ে বিদেশী ছাত্ৰ-ছাত্ৰীৰ লগত প্ৰতিযোগিতাত পাছ পৰি ৰয়। যোৱা-বছৰ চিঙ্গাপুৰত দক্ষিণ এচীয় আন্তৰ্জাতিক বিজ্ঞান সন্মিলন এখন হৈছিল। তাত ভাগ ল'বৰ কাৰণে ব্ৰুণাইত ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিযোগিতা এখন পাতিছিল। মোৰ ভাগিন জেনীয়ে এই প্ৰতিযোগিতাত প্ৰথম হৈ ব্ৰুণাইৰ একমাত্ৰ প্ৰতিনিধি হিচাপে চিঙ্গাপুৰৰ এই সন্মিলনত অংশ গ্ৰহণ কৰিছিল। প্ৰকৃততে যোগ্যতাৰ মাণদণ্ড স্পৰ্শ

কৰিবলৈ একমাত্ৰ তাইহে সক্ষম হৈছিল। বাবুলে কৈছিল যে প্ৰায় প্ৰতি বছৰেই এনে হয়। বিদেশী ছাত্ৰ-ছাত্ৰীয়েহে ব্ৰুণাইক প্ৰতিনিধিত্ব কৰে। কিন্তু দুখৰ কথা এই যে এই স্কুলবোৰক দিয়া চৰকাৰী সা-সুবিধা নিচেই সীমিত।

ব্ৰুণাইৰ দোকানত চিংৰা ঃ ভাৰতীয় খাদ্য দুই এঠাইত পোৱা যায় যদিও চিংৰা পাম বুলি ভবা নাছিলো। এদিন চুপাৰ মাৰ্কেটত ঘূৰি ফুৰোতে এখন দোকানত দেখিলো নভজা চিংৰা— মানে কেৰাহীত দিবলৈ সাজু কৰি থোৱা। আয়নাৰ বাকচত বাতানুকুল পৰিবেশত অন্য বস্তুৰ লগতে সজাই থোৱা আছে— 'ভাৰতীয় চামোসা'। কেইটামান কিনি আনি ঘৰত ভাজি খালো। ভণ্টীহঁতে ক'লে ইয়াত চিংৰা তেওঁলোকেও এই প্ৰথম দেখিলে।

ফাৰ্মেচী ক'ত ঃ মোৰ মায়ে ৰাতি শুবৰ সময়ত ডায়জিপাম জাতীয় ট্ৰেঙ্কুলাইজাৰ বা টোপনি অহা দৰব খাব লাগে। বহু বছৰ ধৰি খোৱা কাৰণে ই অভ্যাসত পৰিণত হৈছে— যিটোক নেকি এডিক্ট বুলি ক'ব পৰা যায়। এই ভেলিয়াম নামৰ ঔষধ বিধ বিচাৰি এদিন ওলালো। গোটেই বজাৰ চলাথ কৰিও ফাৰ্মেচী এখন দেখা নাপালো। পিচত গম পালো— ব্ৰুনাইত সকলোৰে কাৰণে চিকিৎসা আৰু ঔষধ বিনামূলীয়া। যিকোনো চিকিৎসালয়লৈ যাওক। ডাক্তৰে বেমাৰ চাই ব্যৱস্থা পত্ৰ লিখি দিব। সেইখন চিকিৎসালয়ৰ ডিচ্‌পেন্‌চেৰীৰ পৰা ঔষধ কেইটা এপইচাও নিদিয়াকৈ লৈ আহক। এৰাটো!— দুদিনতে লাল-বাতি জ্বলাবলৈ কোন বুৰ্ব্বকে ইয়াত ফাৰ্মেচী খুলি বহিব? বিনা পইচাতে ঔষধ পালে কোন গ্ৰাহক ঔষধ কিনিবলৈ ফাৰ্মেচীলৈ আহিব?

কিন্তু আমাৰ সমস্যাটো সুকীয়া। ডাক্তৰৰ ওচৰলৈ গৈ টোপনি অহা নাই বুলি দুবাৰ মান দৰবটো লিখাই আনিলো হয়— কিন্তু এবাৰত ছটাতকৈ বেছি লিখি নিদিয়ে। মায়ে খায় দিনে দুটা বা তিনিটা। কিমান বাৰে বাৰে গৈ থাকিবা? অৱশেষত জানিবা বাবুলৰ চিনাকী চীনা ডাক্তৰ এজনক সমস্যাটো বুজাই কোৱা হ'ল। তেওঁ কিবা ব্যৱস্থা কৰি নিজেই ঔষধটো আমাক যথেষ্ট পৰিমাণে আনি দিয়াতহে ৰক্ষা।

চুলতানৰ ৰাজপ্ৰসাদ ঃ চুলতানৰ ৰাজপ্ৰাসাদটো বাহিৰৰ পৰাহে চালো। প্ৰকাণ্ড চৌহদৰ ভিতৰত থকা ৰাজপ্ৰাসাদত কি ঘটিছে বাহিৰৰ পৰা বুজা সম্ভৱ নহয়। কট্‌কটীয়া নিৰাপত্তাৰ ব্যৱস্থা- ভুমুকি মাৰি চোৱাৰো উপায় নাই। ভিতৰত এখন সৰু বিমান অৱতৰণৰ ক্ষেত্ৰ আৰু চুলতানৰ ব্যক্তিগত বিমান এখন চকুত পৰিল। জনসাধাৰণক চুলতানে দেখা কৰেণে? কৰে। বছৰত অন্ততঃ এবাৰ ৰাজপ্ৰাসাদৰ জপনা জনসাধাৰণৰ কাৰণে খুলি দিয়া হয়। দিনটো হ'ল চুলতানৰ জন্ম দিবসৰ দিন। সেইদিনা সকলো অতিথিকে খাদ্য-পানীয়ৰে আপ্যায়িত কৰাৰ উপৰিও



চুলতানে এটা বিশেষ কাৰ্য্য কৰে। সকলোৰে শাৰী পাতি থিয় হ'ব লাগে আৰু চুলতানে এফালৰ পৰা সকলোকে কৰমৰ্দন কৰি যায়। এইখিনিতে এটা কথা কওঁ। পানীয় মানে শীতল পানীয়ৰ কথাহে কৈছো। নিচা-যুক্ত পানীয় গোটেই দেশতে নিষিদ্ধ।

বাবুলক সুধিছিলো কেতিয়াবা চুলতানৰ লগত কৰমৰ্দ্দন কৰাৰ ভাগ্য হৈছিলনে? ক'লে— এবাৰেই তেনে এটা শাৰীত থিয় দিছিলো। আৰু কেতিয়াও নাযাওঁ বুলি শপত খালো। সুধিলো— কিয়? তেওঁ যিজনৰ লগত কৰমৰ্দ্দন কৰে সেইজনৰ মুখলৈ নাচায়। চায় সেইজনৰ পিছত কৰিবলগীয়া জনলৈ। এই অৱজ্ঞাসূচক কাৰ্যটো চুলতানে ইচ্ছাকৃত ভাবেই কৰে যেন লাগে।

বাতৰি কাকত ঃ ৰঙীন ফটো আদিৰে বাতৰি কাকতবোৰ দেখাত বেছ আকৰ্ষণীয়। প্ৰথম পৃষ্ঠাতে কালি চুলতানে বা কোনজনী ৰাণীয়ে ক'ত গাৰ্ড-অৱ-অনাৰ ল'লে, কোনটো সমাজ-সেৱী অনুষ্ঠানত ভাষণ দিলে তাৰ বৰ্ণনা থাকে। আন্তৰ্জাতিক খবৰৰ প্ৰয়োভৰ কম। ভাৰতৰ কোনো খবৰেই ছপা হোৱা নেদেখিলো। সৰু এটা ঘটনাকে পৃষ্ঠা ভৰাই বৰ্ণনা কৰে। অৱশ্যে হয়ও। ব্ৰুণাইৰ দৰে ক্ষুদ্ৰ দেশ এখনত দৈনিকনো কিমান গুৰুত্বপূৰ্ণ খবৰ ওলাব?

ওচৰ-চুবুৰীয়া মহিলাগৰাকী ঃ ভণ্টীহঁতৰ ওচৰৰ ঘৰটো বেছ ধুনীয়া আৰু ডাঙৰ। এগৰাকী বেছ সম্ভ্ৰান্ত যেন লগা ইউৰোপীয় চেহেৰাৰ মহিলাই ৰাতিপুৱাই মাৰ্চিডিজ্ গাড়ীখন চলাই ওলাই যায় আৰু গধুলি ঘূৰি আহে। কোনোবা ডাঙৰ কোম্পেনীৰ উচ্চপদস্থ বিষয়া বুলি ভাবিছিলো। পিছে নহয়। এখন স্কুলত শিক্ষয়িত্ৰী। শিক্ষয়িত্ৰী এগৰাকী ইমান লাহ-বিলাহেৰে কেনেকৈ থাকে? গম পালো শিক্ষা-দিক্ষাত পাচ পৰা এইখন দেশৰ চৰকাৰে শিক্ষাৰ কাৰণে খৰচ কৰিবলৈ কৃপণালী নকৰে। বিদেশৰ পৰা ভাল ভাল শিক্ষক-শিক্ষয়িত্ৰী বহু বেছি দৰ্মহাৰ বিনিময়ত নিয়োগ কৰে। কিন্তু দুখৰ বিষয়— শিক্ষাৰ বিষয়ত দেশখনে বিশেষ অগ্ৰগতি লাভ কৰা নাই।

চোৰ ঃ ইয়াৰ প্ৰতিঘৰ মানুহৰ দুৱাৰ মুখত দেখা যায় জোতাৰ লাইন। জোতা পিন্ধি ঘৰৰ ভিতৰত কোনেও নোসোমায়। আলহিয়েও জোতা খুলিহে সোমোৱা নিয়ম। ভণ্টীহঁতৰ ঘৰটো জোতা বাহিৰতে থোৱাৰ ব্যৱস্থা আছে। জোতা খুলি ঘৰৰ ভিতৰত পিন্ধা স্লিপাৰ পিন্ধি ভিতৰলৈ যাব লাগে। বাবুলক সুধিলো— ৰাতি এই জোতাবোৰ' চোৰে নিনিয়েনে? ক'লে— জোতাৰ কথা বাদ দিয়া। তোমাৰ গাড়ীখনো যদি বেয়া হয় আৰু নিৰ্জন ৰাস্তাত লক্ নকৰাকৈ এৰি থৈ আহা, দুদিনৰ পাছত গৈ একে অৱস্থাতে পাবা। কোনেও এটা বস্তুতো হাত নিদিয়ে। বুজিলো— কঠোৰ শাস্তি ব্যৱস্থাৰ বাবেই হওক বা উচ্চ মানবীয় গুণৰ বাবেই হওক ব্ৰুণাইত

চোৰ নাই।

মোক খুন্দিয়াওক, মোক পইচা লাগে ঃ এদিন বাবুলৰ গাড়ীত উঠি গৈ আছো। আগে আগে যোৱা গাড়ীখনৰ পিচৰ আয়নাত স্পষ্টকৈ লিখা আছে— Hit me, I need money। অৰ্থাৎ মোক খুন্দিয়াওক, মোৰ পইচাৰ আৱশ্যক হৈছে। এটা অস্বাভাৱিক আবেদন। বাবুলে সাঁথৰটো ভাঙি দিলে। পিছে সেইটো দেখোন তাতোকৈ আস্বভাৱিক। এটা অলিখিত নিয়ম পৰম্পৰাগতভাৱে চলি আহিছে। ৰাজপথত যদি এজন স্থানীয় লোকৰ গাড়ীৰ লগত এজন বিদেশীলোকৰ গাড়ী দুৰ্ঘটনাত পতিত হয় তেন্তে স্থানীয়জনৰ যি লোকচান হ'ল সমস্ত খৰচ বিদেশী জনেই বহন কৰিব লাগিব। লাগিলে দোষ স্থানীয় জনৰেই হওক। আপুনি যদি প্ৰতিবাদ কৰে তেন্তে পুলিচৰ ওচৰলৈ কেচটো যাব। আৰু ৰহস্যপূৰ্ণ কথা এইয়ে যে পুলিচে লগে লগে স্থানীয় জনৰ পক্ষ লৈ আপোনাক এৰেষ্ট কৰি পেলাব। এইবোৰ ঝামেলাত নোসোমাই বিদেশীজনে সাধাৰণতে দুৰ্ঘটনা ক্ষেত্ৰতে মোকামিলা কৰি স্থানীয়জনক লগে লগেই পইচাটো দি কেচটোৰ সামৰণি পেলায়। বাবুলে নিজেই কিছুদিনৰ আগতে তেনেকুৱা এটা সৰু ঘটনাত পইচা দিয়াৰ অভিজ্ঞতা আহৰণ কৰি থৈছে। বুজি পালো— আমাৰ আগে আগে এই মুহূৰ্তত গৈ থকা গাড়ীখন নিশ্চয় কোনোবা স্থানীয় মানুহৰ। কথাখিনি ধেমেলীয়া সুৰৰ যদিও সি বেটাই বুজাওতে থিকেই বুজাইছে।

এই সংক্ৰান্তত মাত্ৰ কেইদিনমানৰ আগতে ঘটা এটা আমোদজনক ঘটনাৰ বৰ্ণনা দিলে বাবুলে। —মোৰ গাড়ীখন বেছ স্পীডতে আছিল যদিও চাৰি আলিটোৰ ৰঙা লাইট হঠাতে জ্বলি উঠাতো গাড়ীখন ৰখাব পাৰিলো। কিন্তু মোৰ আগে আগে গৈ থকাখনে নোৱাৰিলে। জোৰেৰে ব্ৰেক ধৰিছিল যদিও গাড়ীখনে হালধীয়া লাইন ডাল পাৰ হৈহে ৰ'লগৈ। এইটো এটা অপৰাধ। ড্ৰাইভাৰজনে কিংকৰ্তব্য বিমোঢ় হৈয়েই বোধকৰো জোৰেৰে পিছলৈ চলাই মোৰ গাড়ীখনৰ সন্মুখ ভাগত খুন্দা মাৰি দিলেহি। মই বুজিলো আজি মোৰ বিধি বাম। ভগৱানে মোৰ কপালত আজি লোকচানহে লিখিছিল। মণি বেগটো উলিয়াই গাড়ীৰ পৰা নামিলো। এনেতে দেখিলো সিজনেও দেখোন পকেটৰ পৰা মণিবেগটো উলিয়াই আগবাঢ়ি আহিছে। মোৰ হাঁহি উঠিল। মোৰ বাওঁহাতত মণিবেগটো দেখি ভদ্ৰলোকেও ঢেক্ ঢেক্ কৈ হাঁহি কৰমৰ্দন কৰিলে। পুলিচৰ আৰ্বিভাৱৰ আগতেই দুয়ো ল'ৰা-লৰিকৈ স্থান ত্যাগ কৰিলো। চিনাকী হোৱা নহ'ল যদিও বুজি পালো— সেইজন বাপুও বিদেশী।

চিকিৎসাব্যৱস্থাৰ বিষয়ে কিছু কথা ঃ ভণ্টীক যথা সময়ত কেন্দ্ৰীয় চিকিৎসালয়ৰ প্ৰসূতি বিভাগত ভৰ্তি কৰোৱা হ'ল। কিছুমান বিশেষ কাৰণত বিপদৰ আশংকা কৰি



নিৰ্দ্দিষ্ট সময়ৰ আগতেই চিজাৰিয়ান অপাৰেচন কৰিবৰ বাবে ডাক্তৰে সিদ্ধান্ত ল'লে। ভৰ্তি কৰোৱাৰ দিনা আবেলি দেখা কৰিবলৈ গ'লো। কেৱা মহলাৰ এই প্ৰকাণ্ড হস্পিটেলটো কেৱল দেখাতে ধুনীয়া নহয়, পৰিষ্কাৰ-পৰিছন্নতাও লেখত ল'বলগীয়া। কেন্দ্ৰীয়ভাৱে বাতানুকুল, কেউফালে চাফা-চিক্চিকিয়া হস্পিটেলটোৰ ভিতৰ সোমোৱাৰ লগে লগে নিজৰে সঙ্কোচ হয়— জোতাযোৰৰ পৰা ধুলি লাগি মজিয়াখন লেতেৰা হ'ব নেকি বুলি।

বিশেষজ্ঞ আৰু সাধাৰণ ডাক্তৰসকল বেছিভাগেই বিদেশী। কিন্তু নাৰ্চবোৰ স্থানীয়। ভঙা ভঙা কৈহে ইংৰাজী ক'ব পাৰে। খৈৰ ৰঙৰ ইউনিফৰ্মটো মুৰৰ পৰা ভৰিলৈকে ঢাক খোৱা। কেৱল মুখখনহে ওলাই থাকে। তাতো জালি থকা কাপোৰ এখন ওলোমাই দিলে বোৰ্খাৰ লগত বিশেষ পাৰ্থক্য নাথাকিব।

ভণ্টীক জেনেৰেল ৱাৰ্ডত ভৰ্তি কৰিছে। এটা ডাঙৰ ৰূমক পাৰটিচন্ দি চাৰি ভাগ কৰি চাৰিগৰাকী ৰোগী ৰখাৰ ব্যৱস্থা কৰিছে। কিছুমান ডাঙৰ হল জাতীয় কোঠাত আঠ-দহগৰাকী ৰোগী দেখিলো। অকলশৰীয়া কোঠাও আছে। কোনটোত আপোনাৰ ৰোগী থ'ব সেইটো আপোনাৰ পদমৰ্য্যদা বা আৰ্থিক স্বচ্ছলতাৰ ওপৰত নিৰ্ভৰ নকৰে। ৰোগীজনৰ আৱশ্যকতাৰ ওপৰত বিচাৰ কৰি চিকিৎসালয়ৰ কৰ্তৃপক্ষই সেই সিদ্ধান্ত লয়। অপাৰেচনৰ পিচত ভণ্টীক এটা আচুতীয়া কোঠা দিছিল। ইতিমধ্যে উল্লেখ কৰিছোৱেই যে ইয়াত সকলো চিকিৎসাই বিনামূলীয়া। ৰোগীৰ বিচনাখন অত্যাধুনিক। ভৰি পথানত এখন ফ্লেট টি ভি স্ক্রিন। কাণত ইয়েৰ ফোন লগাই সক্ষম ৰোগীয়ে টি ভি প্ৰোগ্ৰেম উপভোগ কৰিব পাৰে। মই ভাৰতৰ বহুকেইখন নামী চিকিৎসালয় দেখিছো। কিন্তু বন্দৰ চেৰী বেগৱানৰ এই চিকিৎসালয়খনে মোক সঁচাকৈয়েই মোহিত কৰিলে।

অনিমা নে আমিনা ঃ চিকিৎসালয়ৰ পৰা আহি ঘৰ সোমাইছোহে, অনিমাৰ ফোন আহিলেই। —'ইহঁতে মোক দুখন ব্ৰেড আৰু গোমাংস দিছে ডিনাৰত। এতিয়া বদলি কৰি দিয়াও বোলে সম্ভৱ নহয়। সোনকালে কিবা এটা খাবলৈ লৈ আনা। মোৰ খুব ভোক লাগিছে।' লৰালৰি কৰি টিফিন কেৰিয়াৰত কিবা-কিবি ভৰাই বাবুল আৰু মই হস্পিটেল পালোগৈ। 'ফুড্ প্ৰিফাৰেন্স' কলমটোত আমি একো নভৰোৱা কাৰণতে এই খেলিমেলিখন হ'ল। কলমটো খুলি এইবাৰ স্পষ্টকৈ লিখি দিলো— 'ন' বিফ্ প্লিজ।' কাৰ্ডখনৰ ওপৰৰ নামটোলৈ চকু যোৱাতহে দেখিলো দোষ মাত্ৰ এটাই নহয়; আৰু এটা আছে। 'অনিমা শৰ্মা'ৰ ঠাইত লিখা আইছে 'আমিনা শৰ্মা'। আমিনাই গো মাংস নাখায় এনে কথানো তেওঁলোকে ভাৱে কেনেকৈ?

অপাৰেচনৰ দিনা ঃ ৰাতিপুৱা ৯ বজাত ভণ্টীক অপাৰেচন থিয়েটাৰত সুমোৱাৰ

পিচত বাবুল আৰু মই বাহিৰত থিয় হৈ আছো। কিছু সময়ৰ পিচত এজন ডাক্তৰ দুৱাৰ খুলি উধাতু খাই ওলাই আহি সুধিলে অনিমা শৰ্মাৰ স্বামী কোন? বাবুলে মই বুলি কোৱাত ভিতৰলৈ লৈ গ'ল। বাহিৰত উৎকণ্ঠাত মোৰ ভাৱিব নোৱাৰা অৱস্থা। কিবা অঘটনেই ঘটিল নেকি? প্ৰায় পোন্ধৰ মিনিটমানৰ পিছত বাবুল ওলাই আহি ঘটনাটো ক'লে। —এনেস্থেচিয়া দিয়াৰ লগে লগে ৰোগীয়ে সাধাৰণতে দাঁত কামোৰে অজ্ঞাতবশতঃ। তাৰ কাৰণে দুয়োপাৰি দাঁতৰ মাজত কিবা ৰবৰ জাতীয় বস্তু দিয়া হয়। ভণ্টীৰ এটা লগোৱা দাঁত আছিল। এই বিষয়ে ডাক্তৰক অৱগত নকৰোৱাত আগতীয়াকৈ বিশেষ ব্যৱস্থা লোৱা নহ'ল। ফলত দাঁত কামোৰা অৱস্থাটো পোৱাৰ লগে লগে নকলী দাঁতটোটো ভাঙিলেই, ওচৰৰ আৰু এটা দাঁত আধা ভাঙি আলুৰ মাজত সোমাই ধৰিলে। এতিয়া দাঁতৰো অপাৰেচনৰ দৰ্কাৰ হৈ পৰিল। দন্ত চিকিৎসকক খবৰ দিছে যদিও অভিভাৱকৰ সন্মতিৰ প্ৰয়োজন। সেই কাৰণেহে বাবুলক ভিতৰলৈ মাতি নি লিখা ল'লে। অলপ পিচতে যন্ত্ৰপাতি লৈ দন্ত চিকিৎসক সোমাল। এজন ডাক্তৰে পেটত আৰু আনজনে দাঁতত একেসময়তে একেখন টেবুলতে অপাৰেচন কৰাৰ প্ৰায় তিনিঘণ্টাৰ পিচত ৰোগীক উলিয়াই অনা দেখিলো।

নৱজাতকৰ বিপদ ঃ দুজনী ছোৱালীৰ পিচত এইয়া ল'ৰা হৈছে। খবৰটো ভালেই। পিছে কেচুৱাটো ক'ত? আমাক জনোৱা হ'ল যে কেচুৱা কাইলৈহে চাব পাৰিবা। থিক আছে। পিছদিনা বেবী ৰুমলৈ যাবলৈ আমাক অনুমতি দিলে। যাবলৈ মানে ভিতৰলৈ যাবলৈ নহয়। চাৰিওফালে আয়নাৰে ঢকা হল ঘৰটোৰ ভিতৰত কেচুৱাবোৰ আছে। তাৰ বাহিৰেৰে কৰিডৰ সদৃশ এটা ঠেক বাটেদি দৰ্শনাৰ্থীসকল যাব লাগে। ৰোগীৰ পৰিচয় পত্ৰখন আয়নাৰে ভিতৰত থকা নাৰ্চ এগৰাকীক দেখুৱালে কেচুৱাটো ডাঙি আনি ওচৰৰ পৰা দেখুৱাব, কিন্তু চুব নোৱাৰে কাৰণ আয়নাৰ সিটো পাৰতহে কেচুৱা থাকিব। আমাৰ ৰোগীৰ পৰচয় পত্ৰখন দেখুৱাত কেচুৱাটো বিচনাৰ পৰা ডাঙি অলপ দেখুৱালে হয়, কিন্তু ওচৰলৈ হ'লে নানিলে। তাৰোপৰি এটা বিশেষ কথা মন কৰিলো যে তাৰ নাকে-মুখে পাইপ। অন্য কেচুৱাবোৰৰ নাই। নাৰ্চজনীক সুধিবৰ একো উপায় নাই। চিঞৰিলেও নুশুনিব কিজানি। কোন ডাক্তৰে নো চাইছে, কিনো বেমাৰ তাৰ হৈছে একো নাজানিলো। মনটো খু-দুৱাই সেইদিনা কটালো। বেবী ৰুমৰ টেলিফোন নম্বৰটো যোগাৰ কৰি পিছদিনা ৰাতিপুৱাই টেলিফোন কৰি একো নজনাৰ ভাৱত নাৰ্চ জনীক সুধিলো— অমুক নৱজাতক ল'ৰাটোৰ অৱস্থা এতিয়া কেনেকুৱা? যেন তাৰ অৱস্থা বেয়া বুলি আমি আগৰ পৰা জানোৱেই। নাৰ্চজনীয়ে উৎফুল্লিত স্বৰেৰে লগে লগে উত্তৰ দিলে— চিন্তা নকৰিব। বিপদৰ বাহিৰত বুলি আজি ডাক্তৰে ঘোষণা কৰিছে। হে



ভগবান! তাৰ মানে যোৱা দুদিন সি বিপদৰ ভিতৰতে আছিল। অথচ কোনেও আমাক মুখ খুলি কথাটো কোৱা নাছিল। ঘটনাটো আচলতে এনে ধৰণৰ— গৰ্ভধাৰণ কালত অজানিতে ভণ্টীয়ে এটা বিশেষ ঔষধ কিছুদিনৰ কাৰণে খাব লগা হৈছিল যিটোৱে নেকি ভ্ৰুণত বিৰূপ ক্ৰিয়া কৰিছিল। জন্মৰ ঠিক পিচতে নৱজাতকৰ তেজ পৰীক্ষাত কিবা এটা কাউণ্ট অস্বাভাৱিকভাৱে কম পোৱা গ'ল। লগে লগে ব্যৱস্থা লোৱা বাবে তাৰ জীৱন ৰক্ষা পৰিল। পিচত আমাৰ ভাৰতৰ ডাক্তৰক সুধি গম পাইছিলো যে তেনে অৱস্থাত জন্ম গ্ৰহণ কৰা শিশুক বচোৱাতো প্ৰায় অসম্ভৱ। ব্ৰুণাইৰ দৰে ক্ষুদ্ৰ এখন দেশৰ উন্নত চিকিৎসা পদ্ধতি আৰু বিশেষজ্ঞ ডাক্তৰজনক শত প্ৰণাম জনালো।

শিশু-মনোবিজ্ঞানৰ দিশ এটা ঃ চতুৰ্থ দিনা হস্পিটেলৰ বিচনাৰ পৰাই ভণ্টীয়ে টেলিফোন কৰিলে— চোৱাছোন ইহঁতে কেচুৱাটো মোৰ কাষত দিছে। মই ইকাটি-সিকাটিকে হ'ব নোৱাৰো তাক চাম কেনেকৈ? নাৰ্চ কেইজনীক ক'লেও নুশুনে। কিবা ওলোটা-পোলোটাহে কয়। লৰা-লৰিকৈ হস্পিটেল পালোগৈ। নাৰ্চ এজনীক ক'লো— চোৱাচোন, ৰোগীয়ে নিজকে চম্ভালিব পৰা হোৱা নাই। কেচুৱাটো তাই কেনেকৈ চোৱা-চিতা কৰিব? নাৰ্চ জনীয়ে ক'লে— ৰোগীক কেচুৱাটো চোৱা-চিতা কৰিবলৈ কোনে কৈছে? সেই কামটোতো আমি কৰিম। মাত্ৰ দুঘণ্টামান কাষত দিছো। তাৰ পিচত যি কেইটা কথা ক'লে সেইখিনিহে গুৰুত্বপূৰ্ণ। ক'লে— নৱজাত শিশুৱে তিনি/চাৰি দিনৰ পৰা মাকক ভালকৈ চিনি পায় আৰু অন্তৰঙ্গতা বিচাৰে। মাকৰ বুকুৰ উম আৰু কেচুৱাটিৰ শৰীৰৰ তাপ একাকাৰ হৈ এই অন্তৰঙ্গতাৰ সৃষ্টি কৰে যিটোৱে নেকি শিশুটিৰ ভৱিষ্যত জীৱনত প্ৰভাব পেলায়। গতিকে লগে লগে নোৱাৰিলেও তিনি/চাৰি দিনৰ পিচত দৈনিক এবাৰকৈ হ'লেও আমি শিশুটোক মাকৰ কাষত দিওঁ। এইটো হ'ল শিশু মনোবিজ্ঞান। নাৰ্চ গৰাকীৰ এই ব্যাখ্যা খিনি শুনি বেছ প্ৰভাবিত হ'লো। শিশু মনোবিজ্ঞানৰ এই দিশটোৰ বিষয়ে আমাৰ মানুহবোৰে জানে নে নেজানে বা জানিও গুৰুত্ব নিদিয়ে নেকি সেইটোহে ক'ব নোৱাৰিলো।

ওভতনি যাত্ৰা ঃ কেইদিনমানৰ আগৰ পৰাই ওভোতাৰ প্ৰস্তুতি আৰম্ভ কৰিলো। চিঙ্গাপুৰত চাৰিদিন থাকিম। বিদেশী মুদ্ৰা বেছি নাই। হোটেলৰ থকা খৰচ মোৰ বাজেট মতে দৈনিক পঞ্চাশ ডলাৰতকৈ বেছি দিব নোৱাৰিম কিজানি। চিঙ্গাপুৰত থকা বাবুলৰ বন্ধু এজনে খবৰ দিলে— দৈনিক এশ ডলাৰৰ তলত কোনো হোটেল নাই। গেষ্ট হাউচ্ লাগে যদি সস্তাত ঠিক কৰি দিব পাৰিব। তেওঁ ফেক্স কৰি পঠোৱা লিষ্ট চাই এটা গেষ্ট হাউচ্ পছন্দ কৰিলো। প্ৰায় মধ্য ভাগতে অৱস্থিত।

6722



বেড্ এণ্ড ব্ৰেকফ্ৰাষ্ট। দৈনিক ভাড়া ষাঠি ডলাৰ। অতি সুন্দৰ। ৰাতি শোৱা কথাহে। তাতে ব্ৰেকফাষ্টও পাম। তেওঁলৈ টেলিফোন কৰি অনুৰোধ কৰিলো— এদিনৰ আগতীয়া ভাড়া দি ৰুম এটা বুক কৰি থোৱা। মই অমুক দিনা গৈ আছো। অৱশেষত নিৰ্দ্দিষ্ট দিনত ভণ্টীক হাস্পটেলত আৰু মাক ভাগিন দুজনীক চোৱা-চিতা কৰিবালৈ ব্ৰুনাইতে এৰি চিঙ্গাপুৰ মুখি ৰয়েল ব্ৰুণাই এয়াৰ লাইনচৰ বিমানত উঠিলো।

চিঙ্গাপুৰ— মোৰ প্ৰথম দিনটো ঃ পুৱা প্ৰায় দহ বজাত চিঙ্গাপুৰৰ চাঙ্গী বিমান বন্দৰত আমাৰ বিমানখনে অৱতৰণ কৰিলে। প্ৰাচ্যৰ অত্যাধুনিক এই চহৰ ৰাজ্য (City state) খনত পাশ্চাত্যৰ ছাপ সকলো ফালেই দেখা যায়। জনসংখ্যাৰ সিংহ ভাগেই চীনা মূলৰ। তাৰ পিচতেই মালয়ী। বিমান বন্দৰটো কেৱল সা-সুবিধাৰ ফালৰ পৰাই নহয়, সৌন্দৰ্যৰ দিশৰ পৰাও লেখত ল'বলগীয়া। বিমান বন্দৰৰ ভিতৰতে Bird park, কৃত্ৰিম জলপ্ৰপাত আদি চালে চকুৰোৱা। আমেৰিকা আৰু ইউৰোপৰো বহুতো বিমান বন্দৰ দেখিছো। কিন্তু চাঙ্গী বিমান বন্দৰে মোক বিশেষভাৱে আকৰ্ষিত কৰিলে।

টেক্সিৰ কাৰণে যাত্ৰীৰ শাৰীত থিয় দিলোগৈ। পাল অহাত মোৰ ভাগৰ টেক্সিখনত উঠি বহিলো। অলপ আদবয়সীয়া টেক্সি ড্ৰাইভাৰজনে ক'ৰপৰা আহিছো, এতিয়া ক'লৈ যাম সুধি গাড়ী চলাবলৈ ধৰিলে। মই গন্তব্যস্থান গেষ্ট হাউচটোৰ নাম ঠিকনা কোৱাৰ লগে লগে সি চিঞৰী উঠিল— কি কৈছা তুমি? গেষ্ট হাউচত থাকিবা? তুমি চিঙ্গাপুৰলৈ প্ৰথম আহিছা নেকি? কোনে তোমাক গেষ্ট হাউচত থাকিবলৈ উপদেশ দিছে? মই সুধিলো কেলেই? থাকিলে কি হ'বনো? সি আকৌ চিঞৰী উঠিল— কি হ'ব? বহুত কিবা কিবি হ'ব পাৰে। তোমাৰ টকা হেৰাব পাৰে, পাচপৰ্ট চুৰি হ'ব পাৰে, আনকি শাৰীৰিক অনিষ্টও হ'ব পাৰে। এই গেষ্ট হাউচবোৰৰ কোনো লাইচেন্স নাই। কোনেও তোমাক ইয়াত নিৰাপত্তা নিদিয়ে। নাই, নাই নাই, নাই। তুমি এজন ভদ্ৰলোক। এই গেষ্ট হাউচবোৰত ভদ্ৰলোক নাথাকে। তোমাক মই কেতিয়াও গেষ্ট হাউচত থাকিবলৈ নিদিও। ড্ৰাইভাৰৰ এই কথাবোৰে মোক চিন্তাত পেলালে। সি সঁচাকৈ কৈছে নে মোক ঠগিব খুজিছে? এনেতে বাবুলে কোৱা এষাৰ কথা মনত পৰিল— চিঙ্গাপুৰৰ টেক্সি ড্ৰাইভাৰবোৰ বৰ ভদ্ৰ, কেতিয়াও নঠগে। সিহঁতক সম্পূৰ্ণ বিশ্বাস কৰিব পাৰি। তাৰ মানে সি যি কৈছে সঁচাই কৈছে আৰু মোৰ ভালৰ বাবেই কৈছে। তাক মোৰ অৱস্থাটোৰ বিষয়ে ক'লো যে মোৰ বিদেশী মুদ্ৰা বেছি নাই সেইকাৰণে দামী হোটেলত থাকিব খোজা নাই। সুধিলে— দিনে এশ ডলাৰটো দিব পাৰিবা? তোমাৰ সেই গেষ্ট হাউচটোৰ ওচৰতে ভাল হোটেল এখন আছে। চাই ল'বা। পচন্দ হ'লে থাকিবা।



ব'লা প্ৰথমতে তালৈকে তোমাক লৈ যাওঁ। হোটেলৰ সন্মুখত টেক্সি ৰ'ল। প্ৰায় তিনি তাৰকাযুক্ত হোটেলৰ সা-সুবিধা থকা হোটেলখনৰ ৰুম চাই পছন্দ হ'ল। টাৰিফ দৈনিক এশ ডলাৰ। কিন্তু কথা হ'ল— গেষ্ট হাউচটোত এদিনৰ অগ্ৰিম ভাড়া দি ৰুম বুক কৰা আছে। বিদেশত দুৰ্লভ সেই ষাঠি ডলাৰ এৰি দিবৰো মন যোৱা নাই। ইতিমধ্যে বন্ধু হৈ পৰা ড্ৰাইভাৰজনক কথাটো ক'লো। সি চিন্তা কৰি ক'লে যে এই সাধাৰণ গেষ্ট হাউচবোৰত অগ্ৰিম ভাড়া দি ৰুম বুক কৰাৰ নিয়ম থকাৰ কথা সি নাজানে। ক'লে— ঠিক আছে গেষ্ট হাউচটোৰ সন্মুখত মই গাড়ীখন ৰখাই দিম। তুমি দৌৰ মাৰি গৈ সুধি আহিবা। যদি সঁচাকৈয়ে অগ্ৰিম ভাড়া লৈ থৈছে তেন্তে যেনে-তেনে আজি দিনটো সাৱধানে তাতে থাকা। কাইলৈ কিন্তু ৰাতিপুৱাই এই গেষ্ট হাউচ এৰিবা। গেষ্ট হাউচৰ সন্মুখত গাড়ী ৰাখি ড্ৰাইভাৰে ইঞ্জিনৰ বনেটখন খুলি গাড়ীখন বেয়া হোৱাৰ ভাও কৰিলে। কাৰণ সেইটো ৰাস্তাত গাড়ী ৰখোৱা নিষেধ। মই সাউতকৈ গৈ ৰিচেপচনত থকা মহিলাগৰাকীক সুধি গম পালো যে হয় অগ্ৰিম ভাড়া এদিনৰ ষাঠি ডলাৰ দিয়া আছে। তাতে এদিন থকাৰ সিদ্ধান্ত লৈ টেক্সি এৰি দিলো।

চীনা মুখাবয়বৰ এজনী ছোৱালীয়ে মোৰ চুটকেছটো হাতত লৈ মোক ৰুম দেখুৱাবলৈ আগবঢ়াই লৈ গ'ল। তাইৰ পিন্ধনত হট্ পেন্ট আৰু স্পৰ্টিং। তিনি মহলাৰ ওপৰত মোৰ ৰুম। লিফ্ট্ নাই। চিৰিয়েদি উঠি যাওঁতে দেখিলো গেষ্ট হাউচটোৰ কৰ্তৃপক্ষই বেৰ বোৰত ডাঙৰ ডাঙৰকৈ কিছুমান কথা লিখাই থৈছে— চিঞৰ-বাখৰ নকৰিবা, তোমাৰ কাষৰ ৰুমত থকাজন শুই আছে।' এনেধৰণৰ। ভাবিলো কেলেইনো এইবোৰ লিখিছে? কোনেনো চিঞৰ বাখৰখন কৰিব? ৰুমটো পালোহি। এটা সৰু ৰুম। বিচনা চকী মেজ আদিৰ উপৰিও এটা ৰুম এয়াৰ কণ্ডিচনাৰো আছে। চুকতে সৰুকৈ গা-ধোৱাৰ ব্যৱস্থা একনো আছে। কিন্তু টয়লেট্ নাই। পায়খানা-পেচাব কৰিবলৈ এটা ডৰমিটৰী জাতীয় হল ঘৰৰ মাজেৰে যাব লাগে। কিন্তু দুৰত এক লাইন কমন্ লেট্ৰিন। থিক আছে, চলিব। এৰাতিৰ কথাহে। দুৱাৰত মাৰিবলৈ এটা সাধাৰণ তলা দিলে— যিটো কিজানি যিকোনো চাবিৰেই খুলিব পৰা যাব। মোক ৰুম দেখুৱাবলৈ অহা ছোৱালীজনী ইটো-সিটো কৰি ৰুমতেই বহু সময় থাকিল। বাৰে বাৰে সোধে কিবা লাগিব নেকি? পানীয় লাগিব নেকি? খোৱা-বস্তু লাগিব নেকি? পৰ্দাখন দাঙি দিম নেকি? মই প্ৰত্যেক বাৰেই নালাগে বুলি কোৱাত তাই বুজিলে গ্ৰাহক সুবিধাৰ নহয়। দৰ্কাৰ পৰিলে কলিং বেলটো বজাবা বুলি কৈ তাই প্ৰস্থান কৰিলে। কলিং বেলটো পিছে মোৰ বজোৱা নহ'ল।

অলপ ওলাই গৈছিলো যদিও সোনকালেই ঘুৰি আহি বিচনাত পৰিলো। মাজ-

ৰাতি অস্বাভাৱিক চিঞৰৰ বাখৰত সাৰ পালো। গান-বাজনাৰ মাজতে কিছুমান চিঞৰ— যেন ডাঙৰ কাজিয়াহে হৈছে। ভয়ে ভয়ে দুৱাৰখন অলপ মান খুলি জুপি চালো। ডৰিমেটেৰী জাতীয় হল ঘৰটোত হুলস্থুলীয়া পৰিবেশ। অনুজ্বল পোহৰত উদ্দাম নৃত্য চলিছে। গোটেইখন ধোৱাময়। ফুল ভলিউমত মিউজিক বাজি আছে। মই গধুলি ঘুৰি অহাৰ সময়তটো হলঘৰটো খালি আছিল। ইমানবোৰ মানুহ মতাই-মাইকীয়ে ক'ৰ পৰা আহিল? যিয়েই নহওক চিঞৰ-বাখৰত গোটেই নিশাটো টোপনি নাহিল যদিও পুৱতি নিশাৰ ফালে চিল্‌মিলকৈ টোপনিত পৰিলো। কাৰণটো এতিয়াহে বুজিলো। কৰ্তৃপক্ষই বেৰত যে কথা বোৰ লিখাই থোৱা দেখিছিলো— কাৰণটো এতিয়াহে বুজিলো।

ৰাতিপুৱা শুই উঠিলো। একো সাৰি-শব্দ নাই। একেবাৰে নিজান-নিতাল। মানুহবোৰ গ'লগৈ ছাগৈ। হলঘৰটোৰ মাজেদিয়েই কমন লেট্ৰিনলৈ আগবাঢ়িলো। হে ভগৱান! মানুহবোৰ যোৱাগৈ নাই। মতাই-মাইকীয়ে মজিয়াত বিচনা পাৰি অ'ত ত'ত অসংযত ভাবে শুই আছে। হল ঘৰটোত খাটিয়াৰ ব্যৱস্থা নাই। তাৰ মাজৰে পৰা এজনী ছোৱালী হঠাতে উঠি মোৰ আগেদিয়েই গৈ টয়লেটত সোমালগৈ। গাত কাপোৰ কানি নাই। আগফালে টাৱেল এখন হাতেৰে ধৰি লৈ গৈছে যদিও পিছফালে সম্পূৰ্ণ উদং। ক'ৰ মানুহ এইবোৰ? ক'ৰ মানুহ গম নাপালো যদিও কি মানুহ অলপ পিচতে গম পালো। এইবোৰ সব্ বিদেশী হিপ্পী জাতীয় মানুহ। ৰাতিপুৱা তলৰ লাউঞ্জত বিনামূলীয়া ব্ৰেকফাষ্ট খাবৰ কাৰণে বৰ্ডাৰ বোৰ গোট খালে। পশ্চিমীয়া হিপ্পীৰ এই জাকটোৰ মাজত সাধাৰণ মানুহ কেৱল মইহে আছিলো।

টেক্সি ড্ৰাইভাৰৰ পৰামৰ্শ মতে সেই দিনাই গেষ্ট হাউচ এৰি ওচৰৰ হোটেলখনত উঠিলোহি।

যাতায়তৰ ব্যৱস্থা ঃ MRT বা মাচ্ ৰে্পিদ্ ট্ৰেন্সিট চিঙ্গাপুৰত সৰ্ব্বসাধাৰণৰ কাৰণে উপযো্গী সকলোতকৈ সুবিধাজনক যাতায়তৰ ব্যৱস্থা। অতি দ্ৰুতগামী বাতানুকুল এইবোৰ এবিধ ৰেলগাড়ী। গতিপথ সুবিধামতে কেতিয়াবা মাটিৰে কেতিয়াবা ফ্লাই অভাৰৰ দৰে আৰু কেতিয়াবা মাটিৰ তলেৰে তৈয়াৰ কৰা হৈছে। প্ৰতি দুই/তিনি মিনিটৰ অন্তৰে অন্তৰে অহৰহ ইখনৰ পিছত সিখন আহি থাকে, গৈ থাকে। ইয়াৰ নেটৱৰ্ক গোটেই চিঙ্গাপুৰ জুৰি আছে। যিবোৰ ঠাই নেকি ই স্পৰ্শ কৰা নাই সেইবোৰ ঠাইলৈ যাবলৈও অসুবিধা একো নাই। ঠাইখনৰ ওচৰৰ ষ্টেচনটোত নামি দিয়ক। তাৰ পৰা বাছৰ সুবিধা আছে। ষ্টেচনতে মেপ পোৱা যায়। এখন লৈ ল'লে আপুনি কাকো সোধাৰ আৱশ্যক নহয়। যি ডোখৰ ঠাইলৈ যাব খোজে কোনখন ট্ৰেনত



গৈ কোন ষ্টেচনত নামিব লাগিব, তাৰ পৰা কোনখন বাচত উঠিব লাগিব সকলো নিজেই বুজি পাব। টিকটৰ ব্যৱস্থাও অতি সুন্দৰ। প্ৰথমতে বাৰ ডলাৰ দি কাৰ্ড এখন কিনি লওক। প্লেটফ'ৰ্মত সোমোৱাৰ আগতেই একোটা মেচিন থাকে। তাৰ ফুটাটোত কাৰ্ডখন সুমুৱাই দিয়ক। মেচিনটোত যুক্ত হৈ থকা কমপিউটাৰে আপোনাৰ কাৰ্ডখনত ষ্টেচনটোৰ অৱস্থিতি জনাই কিবা এটা চিন দিব। সিটো ফুটাৰে কাৰ্ডখন মুৰ ডাঙি দেখা দিব। লগে লগে গেট খনো আপোনা আপুনি খোল খাই যাব। কাৰ্ডখন টানি উলিয়াই প্লেট ফৰ্মত আপোনাৰ ট্ৰেন খনৰ কাৰণে অপেক্ষা কৰক। নামিবৰ সময়তো সেই মেচিন আৰু গেট পাব। এইবাৰ কিন্তু মেচিনত অপোনাৰ ভাড়াটো কাটি ৰাখিব। মেচিনৰ পৰ্দাত আপুনি চাব পাৰে কাৰ্ডত কিমান মূল্য বাকী আছে। ভাড়া ইমান কম যে বৰকৈ ঘূৰা-ফিৰা কৰিলেও বাৰ ডলাৰেৰে দুই-তিনিদিন অনায়াসে চলি যাব পাৰি। যেতিয়া ভাড়া কাটোতে কাটোতে কাৰ্ডখনত মাত্ৰ এক ডলাৰ মানহে থাকেগৈ তেতিয়া মেচিনটোৱে ৱাৰ্ণিং দিয়ে— ৰিফিল কৰা। তেতিয়া ষ্টেচনৰ কাউণ্টাৰত আৱশ্যকীয় মূল্য দি একেখন কাৰ্ডকে ৰি-ফিল কৰাই ল'ব পাৰি।

চিঙ্গাপুৰৰ বাচবোৰ বেচি ভাগেই বাতানুকুল। সাধাৰণ বাচো আছে— ভাড়া কম। কণ্ডাক্টৰ নাথাকে। আপুনি ক'লৈ যাব বুলি সুধিবলৈ বা ভাড়া ইমান দিয়ক বুলি ক'বলৈ কোনো নাই। আপোনাৰ গন্তব্য স্থানলৈ ভাড়া কিমান হ'ব নিজেই জানিব লাগিব বা আন্দাজ কৰিব লাগিব। ষ্টপেজত বাচ ৰোৱাৰ লগে লগে ড্ৰাইভাৰে চুইচ্ টিপি আগৰ-পিছৰ দুয়োখন দুৱাৰ খুলি দিব। আগৰ দুৱাৰেৰে সোমাই মুল্যটো বাকচটোত দি আসন গ্ৰহণ কৰক। পিছফালৰ দুৱাৰখন ওলাবৰ বাবে। MRT কাৰ্ড বাচতো ব্যৱহাৰ কৰিব পাৰি। প্ৰকৃততে প্ৰায় সকলোৱেই কাৰ্ডহে ব্যৱহাৰ কৰে। নগদ ধন কোনেও দিয়া নেদেখিলো। সোমোৱা দুৱাৰখনৰ মুখতে থকা মেচিনটো অলপ বেলেগ ধৰণৰ। তাত বহুত বুটাম আছে দহ ডলাৰ, পাঁচ ডলাৰ, দুই ডলাৰ ইত্যাদি ইত্যাদি কৈ পঁচিশ চেণ্টলৈকে। আপোনাৰ গন্তব্য স্থানলৈকে আন্দাজমতে যদি এক ডলাৰ হ'ব বুলি ভাবে তেন্তে টিকটটো অৰ্থাৎ কাৰ্ডখন মেচিনটোত সুমুৱাই এক ডলাৰৰ বুটামটো টিপি দিয়ক। কাৰ্ডৰ পৰা এক ডলাৰ কাটি লৈ মেচিনে কাৰ্ড আপোনাক ঘূৰাই দিব। বাচ যাত্ৰীক চৰকাৰে খুবেই বিশ্বাস কৰে। আপুনি পঁচিশ চেণ্টৰ বুটাম টিপি মাইলৰ পাচত মাইল গৈ থাকিলেও বা কাৰ্ডখন মেচিনত নুসুমুৱাই লাহেকৈ চিটত বহি থাকিলেও আপোনাক ধৰোঁতা কোনো নাই।

বজাৰ-সমাৰ ঃ বাবুলে কৈ পঠাইছিল— তুমি যি লাগে সকলো বস্তু 'মুস্তাফা'ৰ পৰা কিনিবা। মালিক ভাৰতীয় মূলৰ। হাতত যথেষ্ট সময় থকাত কেইবাখনো বজাৰ

ঘূৰিলো। লাগতিয়াল বস্তুবোৰ চাই আৰু মূল্যবোৰৰ তুলনামুলক বিচাৰ কৰি কৰি। অৱশেষত সিদ্ধান্ত ল'লো সকলো বস্তুৱেই মুস্তাফাৰ পৰাই ল'ব লাগিব। মুস্তাফা অকলেই এখন সম্পূৰ্ণ 'স্বপিং কমপ্লেক্স'। যথেষ্ট ঠাই জুৰি কেইবা মহলীয়া এই দোকানখনত্ বেজী এটাৰ পৰা আৰম্ভ কৰি কম্পিউটাৰলৈকে সকলো বস্তুৱেই পোৱা যায়। বস্তুবোৰৰ মানদণ্ড উন্নত আৰু মূল্য তুলনামূলকভাৱে কম। ঠগ্ খোৱাৰ ভয় একেবাৰে নাই। লক্ষ্ণৌৰ বড়া ইমাম্বৰাত ভুলভুলাইয়া বুলি এডোখৰ স্থান আছে। তাত এবাৰ সোমালে ওলাই অহাৰ বাট বিচাৰি পোৱা নাযায়। এবাৰ আমি চিঞৰি চিঞৰি সহায় বিচাৰিব লগা হৈছিল। মুস্তাফা দোকানখন ইমানেই ডাঙৰ যে মোৰ সেই ভুলভুলাইয়াৰ অভিজ্ঞতালৈ মনত পৰিছিল।

এটা কথা নতুন পৰ্যটকৰ কাৰণে জনা দৰ্কাৰ। চিঙ্গাপুৰত বহুত দোকান-পোহাৰ আছে য'ত নেকি দৰ দাম কৰি বস্তুৰ দাম কমাব পাৰি। সেইবোৰত বস্তু কিনিলে কিন্তু ঠগ খোৱাৰ ভয় থাকে। ফিক্সড প্ৰাইচৰ দোকানৰ পৰা কিনিলে সেই ভয় সাধাৰণতে নাথাকে। ফুটপাথটো বহুতো আকৰ্ষণীয় বস্তু দেখা যায়। কিন্তু বেছিভাগৰে মানদণ্ড অতি নিম্ন।

ক্ষুদ্ৰ ভাৰত ঃ 'লিট্ল্ ইণ্ডিয়া' বা 'ক্ষুদ্ৰ ভাৰত' অঞ্চলটোত সোমালে আপোনাৰ এনেহে লাগিব যেন আপুনি কোনোবা এখন ভাৰতীয় চহৰতহে আছে। আকৰ্ষণীয় বস্তুৰ দোকান-পোহাৰ, খোৱা-বোৱাৰ কাৰণে হোটেল সকলোবোৰ ভাৰতীয় মানুহৰ। দেৱালীৰ সময়ত এই 'লিট্ল্ ইণ্ডিয়া' বিভিন্ন আলোক সজ্জাৰে চাবলগীয়া বস্তু হৈ পৰে।

পৰ্যটকৰ আকৰ্ষণ, দুই-এক স্থান ঃ চিঙ্গাপুৰত চাবলগীয়া বস্তু বহুত আছে। তাৰে দুই-এটা উল্লেখ কৰো।

চিঙ্গাপুৰ জুলজিকেল পাৰ্ক ঃ চিঙ্গাপুৰৰ চিড়িয়াখানা পৃথিৱীৰ ভিতৰতে অন্যতম। সকলো জন্তুকেই যিমান পৰা যায় প্ৰাকৃতিক পৰিবেশৰ সৃষ্টি কৰি ৰখাৰ চেষ্টা জু-কৰ্তৃপক্ষই কৰিছে। এটা বিশাল এলেকা জুৰি থকা এই চিৰিয়াখানাটো চাবলৈ আপুনি গোটেই দিনটো হাততলৈ যোৱাই যুগুত। বিভিন্ন জন্তুৰ কিবা-কিবি শ্ব'ৰ প্ৰগ্ৰেম বেলেগ বেলেগ সময়ত থাকে। সকলোবোৰ চাব নোৱাৰিলে, ভাল ভাল কেইটা বাচি লওক কাৰ্যসূচী চাই। ৰাতিপুৱা যদি সোনকালে ওলাবগৈ পাৰে, প্ৰকাণ্ড গৰিলাটোৰ লগত একেলগে ব্ৰেকফাষ্ট কৰাৰ আনন্দ উপভোগ কৰিব পাৰিব। নিশাৰ পৰিবেশত যদি বনৰীয়া জীৱজন্তুৰ চাল-চলণ চাব খোজে কৰ্তৃপক্ষই 'নাইট চাফাৰী'ৰ ব্যৱস্থাও কৰি ৰাখিছে। চলন্ত গাড়ীত আপোনাক জু'ৰ মাজে-মাজে ফুৰাই আনিব।



খেলবোৰৰ ভিতৰত Sea Lion বা সিন্ধু ঘোটকৰ খেলৰ প্ৰোগ্ৰেমটো ভাল লাগিল।

ভোক-পিয়াহ লাগিলেও চিন্তা নাই। চিড়িয়াখানাৰ মাজে মাজে ইয়াৰো ব্যৱস্থা আছে।

জুৰং বাৰ্ড পাৰ্ক ঃ দেশ-বিদেশৰ বিভিন্ন প্ৰজাতিৰ পক্ষী এই জুৰং বাৰ্ড পাৰ্কত দেখিবলৈ পালো। শিক্ষা দিয়া চৰাইৰ বহুতো কলা-কুশল ইয়াতো প্ৰদৰ্শন কৰা হয়। প্ৰবেশ পথতে দিয়া দিনটোৰ কাৰ্যসূচী খন চাই আপোনাৰ পচন্দৰ প্ৰগ্ৰেমটোৰ সময়ত যথাস্থানত উপস্থিত হ'বগৈ লাগে মাত্ৰ। এটা তেনেকুৱা শ্ব' মোৰ বৰ ভাল লাগিল। তিনিওফালে ওখকৈ দৰ্শকৰ গেলেৰী। সন্মুখত কেইজনমান সহকাৰীসহ পক্ষী প্ৰশিক্ষক জনে এঘণ্টামান বিভিন্ন চৰাইৰ খেল প্ৰদৰ্শন কৰে। কোনোবা এজন দৰ্শকক এখন এক ডলাৰৰ নোট হাতখন ডাঙি ধৰি থাকিবলৈ ক'লে। এজন অতি-উৎসাহী দৰ্শকে দহ ডলাৰৰ নোট এখন হাতত লৈ হাতখন ডাঙি থাকিল। প্ৰশিক্ষকজনে চিঞৰি কিবা এটা নিৰ্দেশ দি হুইচেলটো বজাই দিয়াৰ লগে লগে ক'ৰপৰানো মাকাও জাতীয় ৰঙবিৰঙৰ প্ৰকাণ্ড ভাটৌ চৰাই এটা উৰি আহি দৰ্শকজনৰ হাতৰ পৰা ঠোটেৰে থাপ মাৰি নোট খন লৈ গৈ তাৰ গৰাকীৰ কান্ধত পৰিলগৈ। প্ৰশিক্ষকজনে নোট খন চাই জেপত ভৰালে আৰু ক'লে— আপোনাক মই এক ডলাৰৰ কথাহে কৈছিলো। আপুনি দহ ডলাৰ দিলে যেতিয়া আপোনাৰেই লোকচান হ'ল। আৰু মইতো কাঢ়ি অনা নাই। আপুনি মোক পুলিচতো দিব নোৱাৰে। দৰ্শকৰ মাজত হাঁহিৰ ৰোল উঠিল। অৱশ্যে পিছ মুহূৰ্ততেই সেই একেটা চৰায়েই নোটখন দৰ্শকজনক ঘুৰাই দিলেহি।

আৰু এটা খেল ভাল লাগিল। তিনিফালৰ তিনিজন দৰ্শকক একোটাকৈ লোহাৰ ৰিং ধৰি হাতখন ডাঙি থাকিবলৈ কোৱা হ'ল। প্ৰশিক্ষকৰ কিবা নিৰ্দ্দেশ আৰু হুইচেলৰ পিচতে সন্মুখৰ খোৰোংটোত এটা বগা ফেঁচাই দেখা দিলে। সি উৰি আহি এটাৰ পিচত এটাকৈ তিনিওটা ৰিঙৰ মাজেৰে নিৰ্বিঘ্নে উৰি গৈ আকৌ খোৰোঙত সোমালগৈ। এইয়া আকৌ কি? ফেঁচাই দিনত দেখিলে কেনেকৈ? এনেতে প্ৰশিক্ষকজনে ঘোষণা কৰিলে— আমাৰ সৰ্বসাধাৰণৰ এটা ধাৰণা আছে যে ফেঁচাই দিনত নেদেখে। এতিয়া পিছে প্ৰমাণ পালে নহয়? ফেঁচাই দিনতো অতি স্পষ্টকৈ দেখা পায়। নিৰাপত্তাৰ কাৰণে আৰু দিনত খাদ্য বস্তু তেনেকৈ নোলায় কাৰণেহে সি দিনত বিচৰণ নকৰে।

সন্তোসা দ্বীপ বা Santosa Island ঃ সাগৰৰ মাজৰ এই দ্বীপটো চৰকাৰে পৰ্যটকৰ বিশেষ আকৰ্ষণ হিচাপে তৈয়াৰ কৰিছে। কেব'ল কাৰত উঠি আকাশী পথেৰে

যোৱাটোৱেই ৰোমাঞ্চকৰ। ফেৰীৰ ব্যৱস্থাও আছে। গোটেই দ্বীপটোত সকলো বস্তু চাবলৈ সম্পূৰ্ণ এটা দিনৰ প্ৰয়োজন। Butterfly Park খনত কিজানি পৃথিৱীৰ সকলো প্ৰজাতিৰে সৰু-ডাঙৰ বিভিন্ন ৰঙৰ পখিলা আছে। Lost Civilization অত সোমালে আদিম সভ্যতাৰ আভাষ পোৱা যায়। কিন্তু ভুতৰ ৰাজ্যত সোমোৱাৰ দৰেহে অনুভৱ হয়। সকলোতকৈ ভাল লাগিছিল সমুদ্ৰতলীত বিচৰণৰ অভিজ্ঞতা। চাৰিওফালে আয়নাৰ সুৰঙ্গপথত প্ৰবেশ কৰাৰ পিচত চলি থকা কনভেয়ৰ বেল্ট ডালৰ ওপৰত থিয় হৈ দিলে খোজ কঢ়াৰ দৰ্কাৰ নাই। ৰেলিং ডালত ধৰি থাকক। আপোনাক সাগৰৰ তলেৰে লৈ গৈ থাকিব। আপোনাৰ চাৰিওফালে সাগৰীয় জীৱ— চাৰ্ক, ডলফিন, সৰু সৰু অন্য মাছ বিচৰণ কৰি থকা দৃশ্য সঁচাকৈয়েই মনোমোহা।

ঘৰমুখী যাত্ৰা ঃ চাৰি দিনত গোটেই চিঙ্গাপুৰখন বুজি উঠা সম্ভৱ নহয়। তথাপি যিমান পৰা যায় ফুৰিলো, পকেটৰ সামৰ্থ্য অনুযায়ী যিমান পৰা যায় বস্তুও কিনিলো। তেতিয়া চিঙ্গাপুৰত প্ৰচণ্ড গৰম। ক'ৰবাৰ পৰা ঘুৰি আহি টাবত এঘণ্টা মান সোমাই থাকিবলৈ মন যায়— কিন্তু অপৰাধবোধে দংশন কৰে। হোটেলৰ বাথ-ৰুমত অতি ভদ্ৰ ভাষাৰে কিন্তু স্পষ্ট অৰ্থসহ লিখা আছে— পানী অতিকৈ মূল্যবান। গা টাবত ধুব নে চাৱাৰ ল'ব নিজেই বিচাৰ কৰক। আচলতে চিঙ্গাপুৰৰ নিজৰ পানী নাই। গোটেই দেশৰ সমস্ত আৱশ্যকীয় পানী বিয়াগোম পাইপলাইনেৰে মালেয়েচীয়াৰ পৰা আহে। সেই কাৰণেই হ'বলা চিঙ্গাপুৰে মালেয়েচীয়াৰ লগত কুটনৈতিক সম্পৰ্ক সদায় মধুৰ কৰি ৰাখে। কিবা খং উঠি যদি মালেয়েচীয়াই ভাল্‌ভটো বন্ধ কৰি দিয়ে একেদিনাই চিঙ্গাপুৰত হাঁহাকাৰ সৃষ্টি হ'ব।

চিঙ্গাপুৰ ভ্ৰমণ এইবাৰলৈ ইমানতে সমাপ্ত কৰি নিৰ্দিষ্ট দিনত ঘৰমুখী বিমানত আৰোহণ কৰিলো।

আকৌ চিঙ্গাপুৰ ঃ ২০০০ চনৰ প্ৰথম ভাগতে আকৌ ওলালো চিঙ্গাপুৰ অভিমুখে। এইবাৰ কিন্তু উদ্দেশ্য প্ৰমোদ ভ্ৰমণ নহয়। এটা কৰুণ পৰিস্থিতিৰ সন্মুখীন হ'বলৈহে এই যাত্ৰা।

মোৰ ভনীজোঁৱাই খগেন শৰ্ম্মা (বাবুল)ৰ কৰ্ম্মস্থান তেতিয়া চিঙ্গাপুৰ। কিবা কামত মাত্ৰ দুদিনৰ কাৰণে বাবুল যাব লগা হ'ল বেংককলৈ। বেংককৰ হোটেলৰ পৰা দুদিনৰ পিচত এয়াৰ পৰ্ট অভিমুখে যাত্ৰা কৰাৰ পাচত বাবুল নিৰুদ্দেশ হ'ল। কোনো খবৰ নোপোৱাত ভণ্টীয়ে চিঙ্গাপুৰৰ ভাৰতীয় দুতাবাসত খবৰ দিলে। তেওঁলোকে বেংককৰ ভাৰতীয় দুতাবাসলৈ খবৰ পঠিয়ালে। কিন্তু দুয়োটা দুতাবাসেই বাবুলক বিচাৰি উলিয়াবলৈ বিশেষ চেষ্টা কৰা পৰিলক্ষিত নহ'ল। তেওঁলোকৰ ধাৰণা— এইটো স্বনিৰ্বাসনৰ ঘটনা। পৰিবাৰৰ লগত কাজিয়া কৰি



ছাগৈ ক'ৰবালৈ গৈছে। দুদিনমানৰ পিচত নিজেই ওলাবহি। পশ্চিমীয়া সংস্কৃতিত এইটো সম্ভৱ হ'লেও আমাৰ ক্ষেত্ৰত যে এইটো হোৱা নাই বুজাবলৈ বহুত চেষ্টা কৰিও ভণ্টী ব্যৰ্থ হ'ল। দিন যোৱাৰ লগে লগে উৎকণ্ঠা বাঢ়িবলৈ ধৰিলে। গুৱাহাটীৰ ভদ্ৰলোক বৰ্তমান বেংককৰ বাসিন্দা শ্ৰীআনন্দ ভৌমিকে এই ঘটনাত আমাক কিমান সহায় কৰিলে ভাষাৰে বৰ্ণাব নোৱাৰিম। বেংককত ভৰি দিয়াৰ পৰা হোটেল এৰালৈকে বাবুলৰ গতি বিধি বিভিন্ন উপায়ে তেওঁ সংগ্ৰহ কৰি দৈনিক মোৰ লগত টেলিফোন অথবা ই-মেইলেৰে যোগাযোগ ৰাখিলে। ভাৰতীয় দুতাবাসৰ অমনোযোগিতা আৰু থাই পুলিচৰ অকৰ্মণ্যতা দেখি তেওঁ মোক প্ৰাইভেট ডিটেক্‌টিভ নিয়োগ কৰিবলৈ উপদেশ দিলে। কিন্তু ফিজৰ পৰিমাণ আৰু কণ্ডিচন্‌বোৰ দেখি আগবাঢ়িবলৈ সাহস নহ'ল। ইমিগ্ৰেচন্‌ ৰেকৰ্ডত মানুহজন দেশখনত সোমোৱাৰ খবৰ আছে, ওলোৱাৰ খবৰ নাই। গতিকে মানুহজন জীৱিতই হওক বা মৃতই হওক দেশখনৰ ভিতৰতে আছে। ভাৰতীয় দুতাবাসে অলপ চেষ্টা কৰিলে কৃতকাৰ্য নোহোৱাৰ কাৰণ নাই। গতিকে এইবাৰ কুটনৈতিক হেঁচা প্ৰয়োগ কৰাৰ কথা ভাবিলো। ডিব্ৰুগড়ৰ বিধায়ক মোৰ বাল্যবন্ধু ডাঃ কল্যাণ কুমাৰ গগৈ আৰু দুলীয়াজানৰ বিধায়িকা শ্ৰীমতী অমিয়া গগৈ দেৱৰ সহায়ত সাংসদ শ্ৰীপবন সিং ঘাটোৱাৰক লগ ধৰিলো। শ্ৰীঘাটোৱাৰদেৱৰ পৰামৰ্শ মতে ঘটনাটোৰ বিষয়ে তেতিয়ালৈকে জনা হোৱা কথা-খিনি কাগজ এখনত লিখি তেখেতৰ হাতত দিলো। তেখেতে কেন্দ্ৰীয় বিদেশ মন্ত্ৰী যশোৱন্ত সিঙলৈ এখন ব্যক্তিগত চিঠি লিখি এই বিষয়ত সহায় কৰিবৰ কাৰণে অনুৰোধ কৰিলে। শ্ৰীঘাটোৱাৰদেৱ পিছদিনা দিল্লীলৈ আহি আমাৰ কেছটোৰ কাৰণেও বিদেশ মন্ত্ৰালয়ত জোৰ দিলেহি। মোৰ এই চেষ্টা সফল হ'ল। বিদেশ মন্ত্ৰালয়ৰ পৰা বেংককৰ দুতাবাসলৈ বিশেষ নিৰ্দ্দেশ গ'ল। মই এই চেষ্টাটো আৰম্ভ কৰাৰ তৃতীয় দিনা শ্ৰীআনন্দ ভৌমিকৰ পৰা ৰাতিপুৱা এখন ই-মেইল পালো। —তুমি দিল্লীত কি চাবি ঘুৰালা ক'ব নোৱাৰো, কিন্তু ইয়াত ই মেজিকৰ দৰে কাম কৰিছে। দুতাবাসত দৌৰা-দৌৰি লাগিছে। গোটেইবোৰ হস্পিটেল আৰু পুলিচ প্ৰশাসনত বিচাৰ খোচাৰ জোৰ গতিত চলিছে। ৰাতি ভৌমিকে টেলিফোন কৰিলে। স্বৰ উৎফুল্লিত। বৰ ভাল খবৰ, বৰ ভাল খবৰ। দুতাবাসৰ মানুহে বাবুলক জীৱিত অৱস্থাত বিচাৰি উলিয়ালে। বৰ্তমান তেওঁ বেংককৰ পৰা প্ৰায় পঞ্চাশ কিলোমিটাৰ দুৰৰ পাথুমথানী নামৰ ঠাই এখনৰ হস্পিটেলত আছে। দুতাবাসৰ প্ৰথম সচিব মিষ্টাৰ শ্ৰীনিবাস প্ৰসাদ এই মুহূৰ্তত হস্পিটেলত বাবুলৰ ওচৰত আছে। মই এইমাত্ৰ তোমাৰ ভণ্টী অনিমাক চিঙ্গাপুৰলৈ টেলিফোন কৰি কথাটো জনালো। তেওঁলোকে হস্পিটেলৰ লগত এতিয়াই টেলিফোনেৰে যোগাযোগ কৰিবলৈ চেষ্টা কৰিব— মই টেলিফোন নম্বৰো দিছো।

খবৰটো ভৌমিকৰ পৰা পায়েই আমাৰ ঘৰত উৎসৱ মুখৰ পৰিৱেশৰ সৃষ্টি হ'ল। এঘণ্টাৰ পিচত অনিমাৰ পৰা ফোন আহিল। অনিমাই ফোনেৰে বাবুলৰ লগত কথাও পতিলে কিন্তু কথাবোৰ হেনো অস্পষ্ট আৰু কিছু অসংলগ্ন। পিছদিনা আনন্দ ভৌমিকৰ পৰা আৰু কিছু খবৰ পালো। হোটেলৰ পৰা চেক্-আউট্ কৰাৰ পিছত দুজন অচিনাকী মানুহে এয়াৰ পৰ্টলৈ লৈ যাবলৈ লিফ্ট অফাৰ্ কৰিলে। বাবুলে ঠিক বেংককত নহ'লেও সেই অঞ্চলত অৰ্থাৎ ইণ্ডোনেচীয়া, মালেয়েচিয়া, ব্ৰুণাই জাভা আদি ঠাইত প্ৰায় পঁচিশ বছৰতকৈ বেছি চাকৰি কৰি আছে। সেই ঠাইবোৰৰ মানুহৰ চাল-চলন সম্পৰ্কে সম্পূৰ্ণ অভিজ্ঞ বাবুলে কিয় মানুহ কেইজনৰ প্ৰকৃত উদ্দেশ্যৰ বিষয়ে বুজি নাপালে সেইটোহে সাঁথৰ হৈ ৰ'ল। গাড়ীৰ ভিতৰত বাবুলক আক্ৰমণ কৰি মানুহ কেইজনে মৃতপ্ৰায় বাবুলক মৰিল বুলি ভাবি এটা নিৰ্জন ৰাস্তাৰ দাঁতিত পেলাই থৈ গ'ল। ব্ৰিফকেচ্‌টোত ক্ৰেডিট্ কাৰ্ড, পাচপ'ৰ্ট আৰু কিছু নগদ ধন আছিল। মাত্ৰ সেইখিনি বস্তুৰ বাবেই এজন মানুহক কেনেকৈ খুন কৰিবলৈও পিছ নুহঁহকিল সেইটোহে আচৰিত লাগিল। অজ্ঞান অৱস্থাত যেতিয়া তেওঁক ৰাস্তাৰ দাঁতিত পোৱা গ'ল পৰিচয় জানিবলৈ তেওঁৰ শৰীৰত কোনো কাগজ-পত্ৰ নাছিল। আনকি হাতঘড়ী আৰু চশমা পৰ্যন্ত সিহঁতে লৈ গৈছিল। কোনোবা সদাশয় লোকে ডাঙি আনি ওচৰৰ হস্পিটেল এখনত পেলাই দিলে। মানবীয়তাৰ খাটিৰত হস্পিটেল কৰ্তৃপক্ষই বিচনা এখন দিলে যদিও চিকিৎসাৰ নামত বিশেষ একো নকৰিলে। প্ৰাইভেট হস্পিটেলবোৰ সদায় প্ৰফেচনেল। গৰাকীবিহীন, পৰিচয় বিহীন এনে এজন ৰোগী— যাৰ চিকিৎসাৰ বিল কোনেও পৰিশোধ কৰাৰ আশা নাই সেইজন ৰোগীৰ চিকিৎসা সিহঁতে কেলেই কৰিব? কিন্তু সবতকৈ দুখৰ কথা হ'ল জ্ঞান অহাৰ পিছত বাবুলৰ স্মৃতি শক্তি সাময়িকভাৱে লোপ পালে। মূৰত আৰু পিঠিত আঘাত পোৱাৰ বাবেই বোধকৰো এনে হ'ল। নিজৰ নামটোৰ বাহিৰে নিজৰ পৰিচয়ো দিব নোৱাৰা হ'ল। লণ্ডন আদি চহৰৰ কথা ভ্ৰমত কয়। সেইকাৰণে হস্পিটেল কৰ্তৃপক্ষইও ধৰি ললে চাগৈ যে এইজন এজন অকলশৰীয়া কেও-কিছু নোহোৱা বলিয়া মানুহ। গতিকে চিকিৎসাৰ বিষয়ে সম্পূৰ্ণ বিধি-পথালি দিলে। ৰোগীৰ অৱস্থা দিনে দিনে বেয়াৰ ফালে ঢাল ল'বলৈ ধৰিলে।

কথাটো আনন্দ ভৌমিকৰ পৰা গম পাই মই বৰ দুখ পালো। লগে লগে কলিকতাস্থ থাইলেণ্ডৰ কনচুলেট জেনেৰেল Mr. S. Sarasak ৰ লগত টেলিফোনেৰে যোগাযোগ কৰিলো। কিছু দিনৰ আগতে তেখেতক মই ব্যক্তিগতভাৱে লগ ধৰি বাবুলৰ ফটোসহ এখন আবেদন পত্ৰ দিছিলো য'ত নেকি থাই চৰকাৰক অনুৰোধ কৰিছিলো বাবুলক বিচাৰি উলিয়াবলৈ। তেখেতেও মোক যথাসাধ্য সহায় কৰাৰ প্ৰতিশ্ৰুতি দিছিল। সেয়েহে গোটেই ঘটনাটো তেখেতৰ জ্ঞাত আছিল। মোৰ



কথাখিনি শুনি তেখেতে কৈছিল— হস্পিটেলৰ নাম আৰু এড্ৰেচ দিয়া। তেওঁ যাতে সকলোতকৈ ভাল চিকিৎসা পায়, তাৰ ব্যৱস্থা মই কৰিম। মই এড্ৰেচটো দিলো। তেওঁ নিশ্চয় যাৱতীয় ব্যৱস্থাও লৈছিল। কিন্তু তেওঁ নিজেও হয়তো বুজা নাছিল যে যি লোকচান হ'বলগীয়া আছিল সেইটো ইতিমধ্যে হৈ গৈছে।

মোৰ ভণ্টী অনিমা আৰু ডাঙৰ জীয়েক জেনী চিংগাপুৰৰ পৰা বেংকক পালেহি। আনন্দ ভৌমিকে তেওঁলোকক হোটেলত থাকিব নিদি নিজৰ ঘৰতে আশ্ৰয় দিলে। শ্ৰীমতী ভৌমিকেও চাকৰি কৰে। দুয়ো ৰাতিপুৱা ওলাই যায় যদিও অনিমাহঁতৰ যাতে কোনো অসুবিধা নহয় তাৰ ব্যৱস্থা কৰি যায়। অনিমাহঁত বেংককত প্ৰায় দুসপ্তাহ থাকিব লগা হৈছিল। বাবুলৰ কাৰণে নতুন পাৰ্চপৰ্ট আৰু থাইলেণ্ডৰ ভিছা বনোৱা ফৰমেলিটি বোৰত অৱশ্যে এইবাৰ ভাৰতীয় দুতাবাসে যথেষ্ট সহায় কৰি দিলে। ভিছা অবিহনে এজন বিদেশীয়ে এখন পৰদেশত থকাটো আইনৰ চকুত অপৰাধ। ঘৰৰ মানুহক দেখি বাবুলৰ স্মৃতি শক্তি ঘূৰি আহিল যদিও কিছু পৰিমাণৰ ভ্ৰম তেতিয়াও আছিল। ইপিনে তেওঁৰ শাৰীৰিক অৱস্থাৰো একো উন্নতি পৰিলক্ষিত নহ'ল। ভণ্টীয়ে গৈ পোৱাৰ লগে লগে তেওঁলোকে ৰোগীৰ বিষয়ে কিবা কোৱা বা ৰোগীৰ ওচৰলৈ লৈ যোৱাৰ আগ্ৰহ দেখুৱাতকৈ কিছু সময় বহিবলৈ কৈ বিলখনহে প্ৰথমতে উলিয়াই দি লগে লগে পৰিশোধ কৰিবলৈ ক'লে। বিলৰ পৰিমাণ আছিল আমাৰ ভাৰতীয় মুদ্ৰাৰ হিচাপত প্ৰায় ষাঠি হেজাৰ টকা।

যিয়েই নহওক ৰোগীক চিঙ্গাপুৰলৈ লৈ যোৱাৰ প্ৰস্তুতি আৰু সকলো ফৰমেলিটি সম্পূৰ্ণ হ'ল। কিন্তু আন এটা বিপদে দেখা দিলে। সেই সময়ত Millenium Rush। কোনো এয়াৰ লাইনচত অহা ১৫/২০ দিনৰ ভিতৰত চিঙ্গাপুৰলৈ যোৱা টিকট নাই। এইবাৰো ভৌমিকে দুতাবাসৰ যোগেদি আৰু বাংলাদেশ বিমানৰ তেওঁৰ এজন বন্ধু উচ্চপদস্থ বিষয়াৰ সহযোগত টিকট যোগাৰ কৰিলে। ফ্লাইটটো ঢাকাৰ পৰা বেংকক-চিঙ্গাপুৰ হৈ ঢাকালৈ ঘূৰি যাব। প্লেন খনৰ পিচফালৰ চাৰিখন আসন ঢাকাতেই খুলি দিয়া হ'ল আৰু তাত এখন ষ্ট্ৰেচাৰ ফিট্ কৰা হ'ল। চাৰিওফালে পৰ্দা দি এজন মেডিকেল এটেনডেণ্ট্ সহ বিমান বেংকক বিমান বন্দৰত অৱতৰণ কৰিলেহি। এইখিনিতিহে উল্লেখযোগ্য যে ৰোগী বিমানত বহি যাব পৰা অৱস্থাত নাছিল। যিয়েই নহওক ৰোগীক লৈ অনিমাহঁত মাজনিশা চিঙ্গাপুৰ বিমান বন্দৰত অৱতৰণ কৰিলেহি। আগতীয়া ব্যৱস্থা অনুসৰি এম্বুলেন্সত ৰোগীক নি এখন নামী হস্পিটেলত সেই ৰাতিয়েই ভৰ্তি কৰা হ'ল।

এই গোটেই ঘটনাটোত থাইলেণ্ডত যিখিনি সহায়ৰ আৱশ্যক হৈছিল সেইখিনি আৰু লগতে বহুতো অন্য কিবাকিবিও কৰি দিছিল গুৱাহাটীৰ সেই

ভদ্ৰলোক শ্ৰীআনন্দ ভৌমিকে— সম্পূৰ্ণ নিঃস্বাৰ্থভাৱে। আনকি গুৱাহাটীত থকা তেখেতৰ মাতৃয়েও নিয়মিত খবৰ কৰি আছিল টেলিফোন যোগে। এই ভদ্ৰলোকজনৰ পৰা পোৱা এই সহায় আমাৰ পৰিয়ালে সদায় মনত ৰাখিব। বিপদৰ বন্ধুহে প্ৰকৃত বন্ধু।

বাবুলৰ পৰিয়ালে জোৰ কৰিছিল ৰোগীক ভাৰতলৈ লৈ আনিবলৈ। কিন্তু অনিমাৰ ইচ্ছাক আমি বেচি গুৰুত্ব দিলো। চিঙ্গাপুৰৰ চিকিৎসা ব্যৱস্থা অতি উন্নত। হস্পিটেলত ভৰ্ত্তি কৰাৰ পিচত ডাক্তৰে কৈছিল— কেচ্‌টো বেংককত বৰ বেয়া ধৰণে handle কৰা হ'ল। তাত হেনো সৰু অপাৰেচন এটাও কৰিছিল— কিন্তু বৰ বেয়া ধৰণে। তথাপি ডাক্তৰে আশা দিছিল। কিছুদিনৰ পিচত উন্নতিও লক্ষ্য কৰা হৈছিল। আমি স্বস্তিৰ নিঃশ্বাস লৈছিলো। কিন্তু নিয়তিৰ লিখন খণ্ডাবৰ শক্তি ডাক্তৰো নাছিল। ২০০০ চনৰ ১৫ জানুৱাৰী পুৱতি নিশা হস্পিটেলৰ পৰা অনিমালৈ টেলিফোন আহিল— সোনকালে আঁহা। ৰোগীৰ অৱস্থা অতি বেয়া। অনিমা আৰু জেনী দৌৰা-দৌৰি কৰি হস্পিটেল পালেগৈ। কিন্তু ইতিমধ্যে সকলো শেষ হৈছিল। বাবুল চিৰ নিদ্ৰাত শান্তিৰে শুই পৰিছিল।

এই অকাল মৃত্যুৰ কাৰণে দায়ী কোন সঠিকভাৱে ক'ব নোৱাৰিলেও তেওঁক যে বচাব পৰা গ'লহেঁতেন সেইটো মোৰ মনত এতিয়াও লাগি আছে। বেংককৰ ভাৰতীয় দূতাবাসে যদি সময়মতে আগতেই ব্যৱস্থা ল'লেহেঁতেন আৰু থাই পুলিচে সক্ৰিয়ভাৱে নিৰুদ্দেশ ব্যক্তিজনৰ সন্ধান কৰিলেহেঁতেন তেন্তে বাবুল আজি আমাৰ মাজত জীয়াই থাকিলহেঁতেন। মাৰ্চ মাহত Thai Consul General ৰ পৰা এখন চিঠি পালো। থাইলেণ্ডৰ পৰা অহা অনুসন্ধানৰ ৰিপ'ৰ্ট এটাও গাঠি দিছে। অনুসন্ধানৰ ৰিপ'ৰ্টটো ইমানেই Vague বা অৰ্থহীন - পঢ়ি হাঁহিহে উঠিল।

হস্পিটেলত মৃত বাবুলক আগত লৈ অনিমা আৰু জেনী কিংকৰ্তব্যবিমোঢ় হৈ পৰিল। অপ্ৰত্যাশিত এই পৰিস্থিতি চম্ভালি ল'বলৈ মানসিক শক্তি দুয়োৰেই নাছিল। বিপদৰ ত্ৰাণকৰ্তা হিচাপে আবিৰ্ভাৱ হ'ল চিঙ্গাপুৰত থকা দুটামান অসমীয়া পৰিয়াল। মোৰ বন্ধু শ্ৰীঅৰূপ শৰ্মাৰ ভাগিনিয়েক শ্ৰীমতী ৰিজাক একেবাৰে সৰুৰে পৰা চিনি পাওঁ। বিয়া হোৱা বেছি দিন হোৱা নাই। স্বামী শ্ৰীইন্দ্ৰনীল গোস্বামী। বৰ্তমান চিঙ্গাপুৰত থাকে। খবৰ পায়েই তেওঁলোক দৌৰি আহিল। আৰু এজন অসমীয়া ভদ্ৰলোক শ্ৰীহীৰেন ফুকন। তেখেতৰ পৰিবাৰ শ্ৰীমতী ৰাণু ফুকন আমাৰ কোম্পানীৰ কলিকতা অফিচত চাকৰি কৰে। শ্ৰীফুকনো হস্পিটেল পালেহি। এগৰাকী অসমীয়া ভদ্ৰ মহিলা শ্ৰীমতী মাইনু (ইছলাম) চায়েদ চিঙ্গাপুৰত থাকে। আমালৈ প্ৰথম খবৰ টেলিফোনেৰে তেখেতেই দিলে। হস্পিটেলৰ পৰাই সমস্ত



দায়িত্ব শ্ৰীগোস্বামীয়ে কান্ধ পাতি ল'লে। মুমূৰ্ষ হৈ পৰা অনিমাক একো কথাই চিন্তা কৰিবলৈ নিদি হস্পিটেলৰ বিল পৰিশোধ কৰি বডি চমজি ল'লে। পুৰোহিত যোগাৰ কৰি সম্পূৰ্ণ বৈদিক প্ৰথাৰে বৈদ্যুতিক শ্মশানত বাবুলৰ অন্ত্যেষ্টিক্ৰিয়াৰ ব্যৱস্থাও শ্ৰীগোস্বামীয়েই কৰি দিলে। চেম্বাৰত সুমুৱাই দিয়াৰ আগতে এমুঠি জলন্ত ধূপেৰে মুখাগ্নি কৰিলে বাবুলৰ একমাত্ৰ পুত্ৰ ন বছৰীয়া ৰিকিয়ে। সকলো কাৰ্য সুকলমে সমাপ্ত কৰি অনিমাৰ পৰিয়ালক নিজৰ গাড়ীৰে ঘৰত থৈ এমোনা ফলমূল দি শ্ৰীগোস্বামী, ফুকনহঁতে যেতিয়া বিদায় লৈছিল তেতিয়া নিশা ন বাজি গৈছিল।

আদ্য শ্ৰাদ্ধ শিশু ৰিকিয়েই কৰিলে। গোটেই সময়খিনি শ্ৰীফুকনে তাৰ কাষতে মাটিত লেপেটা কাঢ়ি বহি থাকি তাক উৎসাহ যোগালে। ৰিজাৰ মাক ৰণু বাইদেউ সেই সময়ত চিঙ্গাপুৰত আছিল। অতি মৰমীয়াল এই মানুহগৰাকীয়ে অনিমাক সাৰটি ধৰি বহুমূলীয়া সান্ত্বনা বাণীৰে মানসিক শক্তি আহৰণত সহায় কৰিলে। মুঠতে আদ্য শ্ৰাদ্ধও সুকলমে হৈ গ'ল। গিয়াতি ভোজৰ দিনাহে বিপদ এটা হ'ল। হঠাৎ অসুস্থ হৈ পৰাত অনিমাক হস্পিটেলত ভৰ্ত্তি কৰাব লগা হ'ল। হোটেলত অৰ্ডাৰ দিয়া বস্তুবোৰ আহি পালে। নিমন্ত্ৰিত অতিথি বোৰো সময়মতেই আহিল। প্ৰকৃত গৃহস্থৰ অনুপস্থিতিত এইবাৰো ফুকনহঁতৰ পৰিয়ালেই গৃহস্থৰ ভুমিকা ল'ব লগা হ'ল। বিপদৰ সময়ত নিঃস্বাৰ্থভাৱে নিজে আগবাঢ়ি আহি এই ফুকন পৰিয়ালে আমাক যি সহায় কৰিলে আমাৰ পৰিয়ালে এইখিনি উপকাৰ কেতিয়াও পাহৰিব নোৱাৰিব।

চাকৰি সক্ৰান্তৰ এৰাব নোৱাৰা কাৰণত শ্ৰাদ্ধত মই যাব নোৱাৰিলো। তাৰোপৰি ভৱিষ্যৎ কাৰ্যপন্থাৰ বিষয়ে আলোচনা কৰিবৰ বাবে অনিমাৰ মানসিক প্ৰস্তুতিৰো প্ৰয়োজন। সেইয়ে কিছু সময়ৰ আৱশ্যক। সকলো কথা চিন্তা কৰি মই কিছুদিন পিচত চিঙ্গাপুৰ অভিমুখে যাত্ৰা কৰিলো। বিমান বন্দৰত অনিমাইত ৰৈ আছিল। মোক সাবটি ধৰি অনিমাই এসোতা কান্দিলে। মোৰ চকুও সেমেকি উঠিল। বাবুল বিহীন প্ৰকাণ্ড ঘৰটো উকা-উকা লাগিল। নিজৰ ৰুচিমতে ভাড়াঘৰ হ'লেও বাবুলে প্ৰতিটো কোঠাই ধুনীয়া কৈ সজাই লৈছিল। অনিমাই দুখেৰে কৈছিল— এইটো ঘৰৰ ভাড়া বহুত। ইয়াত আৰু থাকিব নোৱাৰিম। এয়াৰ-কণ্ডিচন্ নথকা সৰু ঘৰ এটা বিচাৰিছো। ইহঁতে বেয়া পালেও উপায় নাই। ফেনৰ তলতে থাকিব লাগিব। শুনি দুখ লাগিল। মূল মানুহজন নাইকীয়া হৈ গ'লে পৰিয়ালটোলৈ হঠাতে কেনেকৈ দুৰ্য্যোগ নামি আহে ভুক্তভোগীৰ বাহিৰে অইনে অনুধাৱন কৰিব নোৱাৰে। জীৱন ধাৰণৰ দৈনিক সূচীয়েই সলনি হৈ যায়।

ল'ৰা-ছোৱালী কেইটাৰ শিক্ষাৰ খাতিৰত অনিমাই ততাতৈয়াকৈ চিঙ্গাপুৰ এৰি

ভাৰতলৈ ঘূৰি অহাৰ ইচ্ছা কৰা নাই। এইটো বিষয় সকলোতকৈ আৱশ্যকীয় বিষয়। মোৰ এই যাত্ৰাৰ এটা উদ্দেশ্য আছিল যদি অনিমাই সেইটোকে সিদ্ধান্ত লয় তেন্তে নিৰাপত্তাৰ দিশটো, চিকিৎসাৰ সুবিধা আৰু বিপদৰ সময়ত সহায়ৰ আৱশ্যক হ'লে বন্ধু-বান্ধৱৰ উপস্থিতি আদি অধ্যয়ন কৰা। এটা কথাত নিঃশ্চিত হ'লো যে চিঙ্গাপুৰত অকলে থকাত ভয় নাই। খুবেই নিৰাপদ। বাকী চিকিৎসাৰ ক্ষেত্ৰটো খৰচ অলপ বেছি যদিও চিকিৎসা সুবিধা ততাতৈয়াকৈ পোৱা যায়। মাত্ৰ এটা টেলিফোন কৰিলেই হ'ল। মোৰ কেইবাজনো বন্ধু-বান্ধৱ চিঙ্গাপুৰত আছে। দৰ্কাৰ পৰিলে সহায়ৰ হাত আগবঢ়াবলৈ আটাইকেইজনেই প্ৰস্তুত। গতিকে অনিমাৰ প্ৰস্তাৱত সন্মত হ'লো। এটা চাকৰিৰ অফাৰো অনিমাই পাইছে। কিন্তু ল'ৰা-ছোৱালী লৈ ঘৰ চলোৱা সমস্যাৰ কাৰণে চাকৰিটো গ্ৰহণ নকৰে বুলিয়েই ভাবিছে।

মোৰ যাত্ৰাৰ দ্বিতীয় উদ্দেশ্য আছিল তেওঁলোকৰ 'মৰেল বুষ্ট-আপ'। এই ক্ষেত্ৰটো মই সফল হৈছিলো। বিভিন্ন খুহুতীয়া কথা, সাঁথৰ আদিৰে তেওঁলোকক শোক পাহৰাই আকৌ আগৰ অৱস্থালৈ আনিবলৈ চেষ্টা কৰিছিলো। জেনীয়ে কৈছিল দেউতা ঢুকুৱাৰ পিছত মায়ে এই প্ৰথম হাঁহিছে। অনিমাই কৈছিল— তোমাক পাই বহুত দিনৰ পিচত ইহঁতে হাঁহিছে। অনিমাই ইমান দিনে আমি চাৰিওটা মুখা-মুখি কৰি বহি ইটোৱে সিটোৰ মুখলৈ চায়েই সময় খিনি কটাইছিলো। কাৰো মুখত কথা নাথাকে। তুমি অহাৰ পিছত পৰিৱেশেই বেলেগ গৈ গ'ল। শুনি ভাল লাগিল। মোৰ ফালৰ পৰা কিছু হ'লেও অৱদান দিব পাৰি সুখী হ'লো।

স্কুলৰ ফিজ্ ঃ অনিমাই কৈছিল— ৰিকিৰ বছেৰেকীয়া স্কুল ফিজ্ আমাৰ ভাৰতীয় মূদ্ৰাৰ হিচাপত প্ৰায় ত্ৰিশ হাজাৰ টকা। সেইদিনা ফিজ্ জমা কৰিবলৈ যাওঁতে প্ৰিন্সিপালে মাতি নি ক'লে যে ৰিকিৰ শিক্ষয়িত্ৰী এগৰাকীয়ে ইতিমধ্যেই ৰিকিৰ ফিজ জমা দি দিছে। পিতৃহাৰা ল'ৰাটোৰ প্ৰতি সহানুভূতিশীল হৈয়েই এই দয়ালু মহিলা গৰাকীয়ে অভিভাৱকৰ অজ্ঞাতেই এই সহায় কৰিছে। অচিনাকী এই শিক্ষয়িত্ৰী গৰাকীক অন্ততঃ এটা ধন্যবাদ জনাব খোজাত প্ৰিন্সিপালে তেখেতক মতাই পঠালে। মহিলা শিক্ষয়ত্ৰী গৰাকীয়ে ক'লে— মই বৰ এটা বিশেষ কাম কৰা নাই। আপোনালোকৰ অপ্ৰত্যাশিত এই আকস্মিক ঘটনাটোৰ বাবে ৰিকিৰ শিক্ষা গ্ৰহণত যাতে কোনো হেঙাৰৰ সৃষ্টি নহয় সেই উদ্দেশ্যাত মোৰ বিবেকৰ নিৰ্দ্দেশতহে এইটো কৰিলো। অহা বছৰো হয়তো মোৰ সহযোগী অন্য এগৰাকী শিক্ষয়িত্ৰীয়ে এই কণমানি শিশুটিৰ ফ্ৰিজটো দি দিব।

যান্ত্ৰিক হৈ পৰা এই পৃথিৱীখনত মানৱতাৰ যে মৃত্যু হোৱা নাই এই অখ্যাত সাধাৰণ শিক্ষয়িত্ৰীগৰাকীৰ কাৰ্যই প্ৰমাণিত কৰিলে।



টিকনিৰ বাবে পয়মাল ঃ চিঙ্গাপুৰী পণ্ডিতৰ নিৰ্দ্দেশত নাপিতে ৰিকিৰ চুলিখিনিটো খুৰালেই, পিছফালে দীঘলকৈ টিকনি এডালো ৰাখি দিলে। স্কুলত তাৰ লগৰ ল'ৰাবোৰে টকলা মুৰটোত তবলা বজায় আৰু টিকনি ডাল টানে। সি সদায় কান্দি কান্দি স্কুলৰ পৰা ঘূৰি আহে। মাকে প্ৰিন্সিপালৰ পৰা বিশেষ অনুমতি লৈ টুপি এটাৰ ব্যৱস্থা কৰিলে। প্ৰিন্সিপালে প্ৰথমতে আপত্তি কৰিছিল কাৰণ 'টুপি' স্কুল ইউনিফৰ্মৰ ভিতৰত নপৰে। টুপি পিন্ধিও সি কিন্তু ৰক্ষা নাপালে। ল'ৰাবোৰে তাক হেঁচা মাৰি ধৰি টুপিটো খুলি লয়। ইতিমধ্যে চুলি অলপ অলপ গজি অহাত তবলা বজোৱাটো নকৰা হ'ল যদিও টিকনি টনা কাৰ্য্য চলি থাকিল। সি প্ৰথম দিনাই মোক তাৰ এই প্ৰব্লেমটোৰ কথা ক'লে। মইও সহজ উপায়েৰে ইয়াৰ পৰি সমাপ্তি ঘটালো। পিচদিনা স্কুলৰ পৰা হাঁহি হাঁহি অহা দেখি সুধিলো— কি হ'ল ৰিকি? হাঁহিছা দেখোন? —অঁ, আজি মই হাঁহিছো, সিহঁতৰ হাঁহি বন্ধ। মোৰ টিকনি বিচাৰি নাপাই সিহঁতৰ বৰ দুখ।

ৰিকিৰ বিষয়ে দুআষাৰ ঃ মৰম লগা মুখখনেৰে ন বছৰীয়া এই কণমানি শিশুটিয়ে জীৱন-মৃত্যু কি বস্তু বুজি উঠাৰ আগতেই পিতৃহাৰা হ'ল। স্পন্দনহীন দেউতাকৰ মৃতদেহটো দেখি প্ৰথমতে হেনো সি একো বুজি পোৱা নাছিল। কিন্তু যেতিয়া গম পালে যে দেউতাকে আৰু কেতিয়াও চকু মেলি তাৰ ফালে নাচায় তেতিয়া সি কান্দোনত ভাঙি পৰিছিল। কোনেও তাক সান্ত্বনা দিব পৰা নাছিল। বেংককৰ নাম শুনিলেই এতিয়াও তাৰ চকু মুখত খং আৰু ক্ষোভৰ ভাব স্পষ্ট ফুটি উঠে। মই গৈ পোৱাৰ লগে লগে সি মোৰ সঙ্গ নেৱা হ'ল। কিবা নহয় কিবা এটা বাহানা কৰি হ'লেও অনবৰতে মোৰ আশে-পাশেই তাক থাকিবলৈ লাগে। ৰাতি মোৰ লগতে শুবলৈ লাগে। গা-বেয়া বুলি মিছাকৈয়েই স্কুল নাযায়। কিন্তু অলপ পাচতে গা ভাল হয় আৰু মোৰ লগত কিবা-কিবি খেল উলিয়ায়। বোধকৰো দেউতাকৰ অবিহনত মোৰ মাজতে সি পুৰুষ অভিভাৱক এজন বিচাৰি পাইছিল। তাৰ মন ভাল লগাবলৈকে মই অ'লৈ ত'লৈ ফুৰাবলৈ লৈ যাওঁ। প্ৰথম দিনা এখন পাৰ্কত ঘূৰি ফুৰোতে তাক আইচ্‌ক্ৰীম আৰু কল্ডড্ৰিংক কিনি দিব খুজিলো। সি কিন্তু কোনোপধ্যেই খাবলৈ মান্তি নহ'ল। সি যে এই দুটা বস্তু খুব ভাল পায় জানো। গতিকে সি নাখাও বুলি কোৱা স্বত্ত্বেও কিনি দি খাবলৈ ক'লো। সি তৎক্ষণাৎ দৌৰি গৈ ওচৰৰ টেলিফোন বুথ এটাৰ পৰা মাকলৈ টেলিফোন কৰিলে— মামাই জোৰকৈ আইচ্‌ক্ৰীম কিনি দিছে। কি কৰো? বুজি পালো। তাক সুধি গম পালো মাকে নিৰ্দ্দেশ দি পঠাইছে মামাক দিগদাৰ নকৰিবা। মাকৰ একান্ত বাধ্য ৰিকিয়ে সেয়েহে আইচ্‌ক্ৰীমটো খোৱাৰ আগতেও মাকৰ অনুমতি বিচাৰিছে।

**বিদায় ঃ** দুসপ্তাহ থকাৰ পিচত মোৰ উভতিবৰ দিনটো আহিল। দিনটো পিছুৱাবলৈ ৰিকিয়ে তাৰ সীমিত বুদ্ধিৰে বহুতো উপায় উদ্ভাৱনৰ ব্যৰ্থ চেষ্টা চলালে। নিৰ্দ্দিষ্ট দিনত বিমানত উঠি আসন গ্ৰহণ কৰিলো। বহুতো ভাৱে আহি মনটো খেলি-মেলি কৰি দিলেহি। ভণ্টীহঁতৰ চাৰিজনীয়া পৰিয়ালটোৰ অনিশ্চিত ভৱিষ্যৎ, বিশেষকৈ নিৰ্ব্বোধ শিশু ৰিকিৰ শিক্ষা— যিনেকি মানুহ হ'বলৈ বহুত বছৰ সংগ্ৰাম কৰিব লাগিব, এইবোৰ চিন্তাই মনটো গধুৰ কৰি পেলালে। বিদায় মুহূৰ্তত বিমান বন্দৰত অনিমাহঁতৰ চলচলীয়া হোৱা চকুবোৰ চকুৰ আগত ভাঁহি উঠিল। চিন্তাৰ ধাৰা সলনি কৰাৰ উদ্দেশ্যেৰে বিমান পৰিচাৰিকা গৰাকীক আজিৰ বাতৰি কাকতখন বিচাৰিলো। তাই সাউতকৈ এখন আনি দি ওচৰত থিয় হৈ থাকিল। মই লুটিয়াই বগৰাই চাই দেখিলো সেইখন চীনা ভাষাৰ। মোৰ পঢ়াৰ সাধ্য নাই। তাইৰ মুখলৈ চাই কিবা কোৱাৰ আগতেই তাই পিছফালে লুকুৱাই অনা ইংৰাজী কাকতখন হাতত দি হাঁহি এটা মাৰিলে। Customer care profession অত বিশেষভাৱে প্ৰশিক্ষণ প্ৰাপ্ত এই বিমান পৰিচাৰিকা গৰাকীৰ এই নিৰ্দোষ চুপতিটো কিন্তু মই উপভোগ কৰিব নোৱাৰিলো। মুখৰ পৰা সাধাৰণ মিচিকি হাঁহি এটাও ওলাই নাহিল। খিৰিকিৰে বাহিৰলৈ ভুমুকি মাৰিলো। চিঙ্গাপুৰত তেতিয়া আন্ধাৰ নামিছে। এই আন্ধাৰৰ মাজতে মই অনিমাহঁতক অকলশৰীয়াকৈ এৰি থৈ অহা নাইতো? হয় অনিমাৰ পৰিয়ালটোলৈ এতিয়া আন্ধাৰ নামিছে। কিন্তু আন্ধাৰৰ পিচতেইতো পোহৰৰ আবিৰ্ভাব হয়। নিশাৰ পিচতেই দিনৰ আগমণ। গতিকে চিন্তাৰ কাৰণ নাই তোমালোকৰ জীৱনলৈও পোহৰ আকৌ আহিব। প্ৰয়োজন মাথো ধৈৰ্যৰ। জয়ন্ত হাজৰিকাৰ সেই যুগমীয়া গীতটোলৈ মনত পৰি গ'ল—

"...... আকৌ নতুন প্ৰভাত হ'ব
কাল-ৰাতি আৰু নাথাকিব
নিউ নিউ কৰা ফেঁচাৰ চিঞৰ
শিয়ালৰ ৰাও আতৰিব...."

——o——

PASCHIM GUWAHATI MAHAVIDYALAYA
DHARAPUR, GUWAHATI-781133

DATE DUE

The book taken from the Library is to be returned with 15 (fifteen) days. A fine of Rs. 0.25 paise will be charged under the rules of the library for each day the book in kept beyond time.

| Due Date | Due Date | Due Date | Due Date |
|---|---|---|---|
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |



শ্রীঅমিয় শৰ্মাৰ জন্ম ১৯৪৭ চনত ডিব্ৰুগড়ত। দেউতাক ঁডাঃ সুৰেণ শৰ্মা চাকৰি সূত্ৰে সেই সময়ত অসম চিকিৎসা মহা-বিদ্যালয়ত থাকিব লগা হোৱাত লেখকৰ বাল্য জীৱন বৰবাৰীত আৰম্ভ হয়। মাক ঁমনোৰমা শৰ্মা ডিব্ৰুগড়ৰ এসময়ৰ বিখ্যাত ব্যৱসায়ী ঁমদন বৰুৱাৰ কন্যা।

ডিব্ৰুগড়ত স্কুলীয়া শিক্ষা সুখ্যাতিৰে সমাপ্ত কৰি শ্ৰী শৰ্মা গুৱাহাটীৰ কটন কলেজৰ বিজ্ঞান বিভাগত ভৰ্তি হয়। অসম কাৰিকৰী মহাবিদ্যালয়ৰ পৰা স্নাতক উপাধি লাভ কৰি কিছুদিন ব্যক্তিগত খণ্ড আৰু চাহ-বাগিচাত অস্থায়ী চাকৰি কৰাৰ পিছত ১৯৭১ চনত দুলীয়াজানৰ অইল ইণ্ডিয়া লিমিটেডত বিষয়া শিক্ষা-নবিচ্ হিচাপে যোগদান কৰে; আৰু তেতিয়াৰ পৰাই তেখেতৰ প্ৰকৃত চাকৰি জীৱন আৰম্ভ হয়।

পত্নী আৰু তিনিটি কন্যা সন্তানৰ সৈতে তেখেতৰ এটা সুখী পৰিয়াল। পৰিবাৰ শ্ৰীমতী ৰিণি শৰ্মা এগৰাকী আগশাৰীৰ ভায়োলিন শিল্পী আৰু এতিয়াও নিয়মিত সঙ্গীত সাধানাত ব্ৰতী। শিল্পীসুলভ মনৰ অধিকাৰী শ্ৰীশৰ্মা তেখেতৰ খহুতীয়া ৰসপূৰ্ণ কথাবোৰৰ বাবেও বন্ধুমহলৰ মাজত জনপ্ৰিয়।

২০০১ চনত কোম্পেনীৰ দিল্লীত থকা কৰ্পোৰেট অফিচত জ্যেষ্ঠ কাৰিকৰী উপদেষ্টা হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ আগলৈকে শ্ৰীশৰ্মা তৈলক্ষেত্ৰৰ মূখ্য কাৰ্যালয় দুলীয়াজানত মূখ্য কাৰিকৰী অভিযন্তা হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল।

ডিব্ৰুগড়ৰ স্থায়ী বাসিন্দা শ্ৰীশৰ্মা বৰ্তমান চাকৰি সূত্ৰে দিল্লীৰ অস্থায়ী বাসিন্দা।